# নগাঁও ছোৱালী কলেজ আলোচনী

একাদশ সংখ্যা ঃ ১৯৮৯-৯০ চন

89-90



সম্পাদিকা- সান্ত্বনা কটকী

# নগাঁও ছোৱালী কলেজ আলোচনী

একাদশ সংখ্যা

১৯৮৯-৯০ চন

তত্ত্বাৱধায়িকা ঃ

অধ্যাপিকা হিমাদ্ৰি দেৱী

সম্পাদিকা ঃ

সান্ত্বনা কটকী

NOWGONG GIRLS' COLLEGE MAGAZINE

A collection of Essays, Short-Stories & Poems etc.
Published by Principal B. K. Borah.
Edited by Santvana Katsky
Printed at SUCHANDA PRESS, Nagaon (Assam)

## // আলোচনী সম্পাদনা সমিতি //


।। অধ্যক্ষ শ্ৰীবিমল কুমাৰ বৰা ● উপাধ্যক্ষা শ্ৰীতৰু বৰুৱা ।।
।। অধ্যাপক শ্ৰীগৌতমকুমাৰ গোস্বামী ● অধ্যাপক শ্ৰীকৃষ্ণৰাম বৰা ।।
।। অধ্যাপক শ্ৰীতিলক চন্দ্ৰ মজুমদাৰ ● অধ্যাপক শ্ৰীঅপূৰ্ব শৰ্মা ।।
।। অধ্যাপিকা শ্ৰীহিমাদ্ৰি দেৱী (তত্বাৱধায়িকা) O শ্ৰীসান্ত্বনা কটকী (সম্পাদিকা) ।।



**নগাঁও ছোৱালী কলেজ আলোচনী ঃ**

।। একাদশ প্ৰকাশ ঃ একাদশ সংখ্যা ।।
।। প্ৰকাশক ঃ শ্ৰীবিমল কুমাৰ বৰা,
অধ্যক্ষ, নগাঁও ছোৱালী কলেজ ।।
।। বেটুপাত ঃ শ্ৰীআৰাধনা ভূঞা ।।
।। ছপা ঃ সুছন্দা প্ৰেছ ঃ
বীৰেণ মহন্ত পথ ঃ নগাঁও ।।অসম


## ।। শুভেচ্ছা ।।

নগাঁও ছোৱালী মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ মুখপত্ৰখন শ্ৰীমতী সান্ত্বনা কটকীৰ সম্পাদনাত অলপতে প্ৰকাশ পাব বুলি জানিব পাৰি সুখী হৈছোঁ / ছাত্ৰ-ছাত্ৰীসকলৰ চিন্তা-কল্পনাৰ মুকলি প্ৰকাশৰ কাৰণে শিক্ষানুষ্ঠানসমূহৰ এনেবিলাক মাধ্যম অতি প্ৰয়োজনীয়— ছাত্ৰ-ছাত্ৰীৰ পাঠ্যক্ৰমৰ দৰেই গুৰুত্বপূৰ্ণ / কথা হ'ল তেওঁলোকে সদায় নিজৰ স্বাধীন চিন্তা-ভাৱনাৰ ওপৰত গুৰুত্ব দিব লাগিব আৰু ৰচনাৰ নিজস্ব ঠাঁচ এটা সৃষ্টি কৰিবলৈ এতিয়াৰ পৰাই সচেষ্ট হ'ব লাগিব। অন্য ভাষাৰ পৰাও ভাঙনি কৰি প্ৰকাশ কৰাত বাধা নাই, কিন্তু মূলৰ উল্লেখ থাকিব লাগিব / নিজৰ ভাষাৰ জতুৱা ঠাঁচ ৰক্ষা কৰিবলৈ এতিয়াৰ পৰাই যত্নবান হ'ব লাগিব /

ছাত্ৰী আলোচনীখনলৈ আন্তৰিক শুভেচ্ছা থাকিল / ইতি

শ্ৰীমহিম বৰা
২২/৮/৯০

# ।। সূচীপত্ৰ ।।

O শুভেচ্ছা বাণী ।।
O তত্ত্বাবধায়িকাৰ দুষাৰ ।।
O সম্পাদিকাৰ কাগত ।।

**প্ৰবন্ধ :**

১। প্ৰদুষিত পৰিবেশ : বৰ্ত্তমান মানৱ সমাজত ইয়াৰ প্ৰতিক্ৰিয়া ।।১।। ৰূপালী দাস ।।
২। যতীন্দ্ৰনাথ দুৱৰা আৰু তেওঁৰ কবিতা ।।৮।। চিত্ৰলেখা বৰা ।।
৩। সাম্প্ৰতিক অসমত বিষ্ণুপ্ৰসাদ ৰাভাৰ প্ৰয়োজনীয়তা ।।১৩।। কৰবী ফুকন ।।
৪। গীতিকাৰ ভূপেন হাজৰিকা ।।১৭।। বৰ্ণালী শইকীয়া ।।
৫। অম্বিকাগিৰী ৰায়চৌধুৰীৰ ব্যক্তিত্ব আৰু প্ৰতিভা ।।২২।। সান্ত্বনা কটকী ।।
৬। মোৰ শৈশৱৰ টুকুৰা ছবি ।।৩১।। অধ্যাপক দিব্যজ্যোতি মহন্ত ।।

**গল্প :**

২৪। শৃঙ্খল চিন্তাৰ প্ৰস্তুতি ।।৪৮।। দীপ্তি বৰা ।।
২৫। প্ৰতিদান ।।৫৫।। দীপামণি মহন্ত ।।
২৬। নতুন আশা ।।৫৯।। মুক্তিকা ভাগৱতী ।।
২৭। নতুন প্ৰতিশ্ৰুতি ।।৬২।। মালাবাণী বড়া ।।
২৮। নিৰ্বাণ ।।৬৬।। উপমা বৰুৱা ।।
২৯। বেঙুনি ।।৬৯।। বৰ্ণালী শইকীয়া ।।

**কবিতা :**

৭। আমি এনেকৈ আগুৱাইছোঁ ।।৩৫।। দুৰৱি গোস্বামী
৮। সেইজাক মানুহৰ ।।৩৬।। কাশ্মিৰী শইকীয়া ।।
৯। প্ৰতীক্ষা ।।৩৭।। উষা শইকীয়া ।।
১০। মোৰ কবিতাৰ মাজত তুমি ।।৩৮।। মালাবাণী বৰা ।।
১১। জীৱন সংগ্ৰাম ।।৩৯।। মৌচুমী দেৱী ।।
১২। মৰুৰাজাল ।।৩৯।। উপমা বৰুৱা
১৩। ৰঙালী বিহুৰ প্ৰেৰণাৰে ।।৪০।। লিমা বৰা ।।
১৪। জীৱন ।।৪০।। কৰবী ফুকন ।।
১৫। প্ৰত্যাহ্বান ।।৪১।। ৰুমী লস্কৰ ।।
১৬। উপলব্ধি ।।৪২।। নীলাক্ষী কাকতি ।।
১৭। সম্যক দৃষ্টি লাগে ।।৪২।। সাৰদা বৰা ।।
১৮। চিত্ৰাংকন ।।৪৩।। দীপামণি মহন্ত ।।
১৯। ককাদেউতাৰ খবৰ ।।৪৪।। ধৰ্মাৱতী দেৱী ।।
২০। সিহঁত আজি জাগিছে ।।৪৪।। ৰূপা শৰ্মা ।।
২১। এটি কবিতা ।।৪৫।। শেৱালী বৰুৱা ।
২২। ৰক্তাক্ত জন্ম ।।৪৫।। দীপ্তি বৰা ।।
২৩। তিনিটা কবিতা ।।৪৬।। সান্ত্বনা কটকী ।।

**ENGLISH SECTION :**

1. What Can a Person do ? :74: Nitumoni Deka o
2. Gulf crisis :80 : Smita Agarwal o
3. A. Collections of wit & wisdom
   B. You should love to know : 87 : Neeta Sarma.

O সম্পাদিকাসকলৰ প্ৰতিবেদন ।।৮৯।।
O বাৰ্ষিক ক্ৰীড়া প্ৰতিযোগিতাৰ ফল ।।১০১।।

# তত্ত্বাবধায়িকাৰ দু-আষাৰ

১৯৮৯-৯০ চনৰ নগাঁও ছোৱালী কলেজৰ আলোচনীখন প্ৰকাশ হওঁতে অনিচ্ছাকৃত ভাবে অথচ অনিবাৰ্য কাৰণবশতঃ পলম হৈ গ'ল। আচলতে টকা-পইচাৰ সৰ্বনাশী অভাৱে আলোচনী প্ৰকাশত অনিশ্চয়তাৰ সৃষ্টি কৰিছিল। তথাপিও সম্পাদিকাৰ নেৰানেপেৰা চেষ্টাত পলমকৈ হ'লেও ক্ষীণ কলেৱৰেৰে নগাঁও ছোৱালী কলেজৰ আলোচনী প্ৰকাশ সম্ভৱ হৈ উঠিল। তাৰ বাবে সম্পাদিকা প্ৰমুখ্যে ছাত্ৰী একতা সভাৰ সদস্যাবৃন্দাক ধন্যবাদ আৰু পাঠক-পাঠিকাৰ ওচৰত ক্ষমা প্ৰাৰ্থনা জনাইছোঁ।

কলেজ আলোচনী এখন কলেজৰ ছাত্ৰ-ছাত্ৰীৰ সৃষ্টিশীল কলা প্ৰকাশৰ মাধ্যম আৰু সেয়ে প্ৰতি বছৰে তেওঁলোকৰ শ্ৰেষ্ঠ সৃষ্টিশীল লিখনিসমূহে আলোচনীৰ পাতত ঠাই পায়। অৱশ্যে আহিঁ স্বৰূপে শিক্ষক-শিক্ষয়িত্ৰীসকলৰো দুই এটা লিখনি প্ৰকাশ কৰা হয়।

সাম্প্ৰতিক কালত যুৱ-মানসত গভীৰ চিন্তা আৰু অধ্যয়নৰ প্ৰতি অনীহাই দেখা দিছে। তাৰ ঠাই অধিকাৰ কৰিছে ৰাজনৈতিক চিন্তা-চৰ্চাই। গভীৰ অধ্যয়ন অবিহনে সু-সাহিত্য সৃষ্টি হ'ব নোৱাৰে। ছাত্ৰীসকলে তেওঁলোকৰ আলোচনীতেই প্ৰথম পদক্ষেপ দি বহল সাহিত্য জগতত প্ৰৱেশ কৰিবলৈ চেষ্টা চলোৱা উচিত। তাৰ বাবে অন্ততঃ পঢ়িব বা বুজিব পৰা যিকোনো ভাৰতীয় ভাষা (অন্ততঃ হিন্দী আৰু বাংলা) সাহিত্যৰ লগত অন্তৰঙ্গতা গঢ়ি তুলিব লাগিব। সম্ভৱ হ'লে ইংৰাজী সাহিত্যৰো কাষ চাপিব পাৰে।

বৰ্ত্তমান সংখ্যা আলোচনীত প্ৰকাশ হোৱা লিখনিসমূহ ছাত্ৰীসকলৰ সাহিত্য সৃষ্টিৰ কচুৰৎহে, এইবোৰে তেওঁলোকৰ কিমান বৌদ্ধিক বিকাশ ঘটাইছে তাক পাঠক সমাজে মূল্যায়ন কৰিব। কিন্তু প্ৰতি বছৰে আলোচনী প্ৰকাশে ছাত্ৰীসকলৰ সাহিত্য-চৰ্চাৰ গতিশীলতা ৰক্ষা কৰে। এই গতিশীলতা অব্যাহত ৰাখি ছাত্ৰীসকলক সাহিত্য-চৰ্চাত কলেজ কৰ্তৃপক্ষই উৎসাহিত কৰি যাব বুলিয়েই আশা কৰিছোঁ।

নগাঁও ছোৱালী আলোচনীৰ দীৰ্ঘায়ু কামনাৰে—

***শ্ৰীহিমাদ্ৰি দেৱী***
তত্ত্বাবধায়িকা, নগাঁও ছোৱালী কলেজ আলোচনী
১৯৮৯-৯০ চন।

# সম্পাদিকাৰ কলমত ঃ

বিংশ শতিকাৰ শেষ দশকত থিয় হৈ আমি অপেক্ষা কৰি আছোঁ এক বিংশ শতিকাক আদৰিবলৈ । কিন্তু কিহেৰে আদৰিম ? আছে জানো আমাৰ এক নিষ্কলুষ নিৰ্মল হৃদয় ? নিৰাপত্তাহীন ভৱিষ্যতৰ হতাশাই আজি বিকৃত যুৱ-মানসিকতাৰ সৃষ্টি কৰিছে, চাৰিওফালে হত্যা আৰু লুণ্ঠনে সন্ত্ৰাসৰ সৃষ্টি কৰিছে, জাতি হৈছে ৰাষ্ট্ৰযন্ত্ৰৰ শোষণৰ বলি। আৰু সেই বাবেই জাতিসত্বাৰ সমুখত দেখা দিয়া ক্ষুদ্ৰ সমস্যাসমূহে জটীল ৰূপ ধাৰণ কৰিছে। মৃত্যুৰ বিভীষিকাই বুদ্ধিজীৱিসকলক নীৰৱতা অৱলম্বন কৰিবলৈ বাধ্য কৰিছে । আধুনিকতাৰ নামত পশ্চিমীয়া সভ্যতা অনুকৰণ কৰি আজিৰ ডেকা-গাভৰুৱে তমসাৰ পৰা জ্যোতিৰ্ময় জগতলৈ, মৃত্যুৰ ৰাজ্যৰ পৰা অমৃতৰ ৰাজ্যলৈ উত্তৰণৰ ভাৰতীয় মনীষাক পদে পদে অৱহেলা কৰিছে । ৰাজনীতিকৰ স্বাৰ্থজড়িত চক্ৰ-বেহুত সোমাই যুৱক-যুৱতী পথভ্ৰষ্ট হৈছে আৰু সেয়ে অৱনমিত হৈছে নৈতিক মূল্যবোধৰ । কোনো কোনোৱে ব্যক্তিস্বাৰ্থ পূৰণৰ বাবে দুৰ্নীতিৰ আশ্ৰয় লৈছে ।

সমাজৰ অস্থিৰ পৰিবেশে শৈক্ষিক পৰিবেশৰো অৱনতি ঘটাইছে । অসমীয়া ফকৰাটি "পঢ়াই পঢ়ে ৰোৱে পাণ, ই তিনিয়ে নিচিন্তে আন" — আজি আৰু সঁচা হৈ থকা নাই । পৰীক্ষাগাৰত অবাধ নকলৰ পয়োভৰ, সুবিধাবাদী যুৱ-মানসিকতাৰ পৰিচায়ক । সমস্যা সমাধানৰ নামত বন্ধ পালনৰ যি সংস্কৃতিয়ে সমাজ জীৱনত গা কৰি উঠিছে; সিও শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী সকলোকে দীৰ্ঘসূত্ৰী কৰি তুলিছে; অধ্যয়ন আৰু জ্ঞান অৰ্জনত প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিছে ।

আজি আমি এনে এক সমস্যা বহুল পৰিস্থিতিত উপস্থিত হৈছোঁহি, যি পৰিস্থিতিৰ প্ৰতিটো পুৱাই কঢ়িয়াই আনে মৃত্যুৰ বাতৰি, প্ৰতিটো সন্ধ্যাই নমাই আনে ত্ৰাসৰ ঘন অমানিশা । এনে এক কম্পিত হৃদয়েৰে আমি কি দৰে এক বিংশ শতিকাক আদৰিম ?

কিন্তু এই সমস্যাসমূহ সমাধানৰ সঁচাৰ কাঠি জানো আমাৰ যুৱক-যুৱতীৰ হাতত নাই ? সাম্প্ৰতিক অস্থিৰ পৰিবেশৰ বাবে বয়োজ্যেষ্ঠ, বুদ্ধিজীৱিসকলক দোষাৰোপ কৰিয়েই ক্ষান্ত নাথাকি আমি সমাজ জীৱনক এনেবোৰ অশুভ শক্তিৰ কবলৰ পৰা ৰক্ষা কৰিবলৈ শুভ বুদ্ধিৰে আগবাঢ়ি আহিব লাগিব । জ্ঞানৰ আলোকেৰে আমি ভাল-বেয়া বিচাৰ কৰি শুভ, কল্যাণময় পথেৰে আগবাঢ়ি আমাৰ ব্যক্তিগত জীৱন গঢ়িব লাগিব আৰু সেয়ে হ'লে সমাজ জীৱনতো আনন্দমুখৰ পৰিবেশৰ সৃষ্টি হ'ব । আমি আগ বাঢ়িব লাগিব বিভিন্ন উপজাতিসমূহৰ লগত সম্প্ৰীতিৰ ডনাজৰি ডাল কটকটীয়া কৰি, আমি আগবাঢ়িব লাগিব ৰুগ্ন-হতাশাগ্ৰস্ত মানসিকতা নিৰ্মূল কৰি, আমি আগবাঢ়িব লাগিব গভীৰ প্ৰত্যয়েৰে নতুন সমাজ গঢ়াৰ সংকল্প লৈ । যদি তাকে কৰিব পৰা যায়, তেনেহ'লে বিংশ শতিকাৰ যুৱক-যুৱতীয়ে একবিংশ শতিকাৰ নতুন সূৰুযলৈ সময় বাগিত থোঁজ লৈ যাব পাৰিব — তাত থাকিব আত্ম-সংযম, আত্ম-বিশ্বাসৰ উজ্জ্বল চিকমিকনি। সেই প্ৰস্তুতিৰ সমল হিচাপে আমি তুলি লব লাগিব আমাৰ অমোঘ লিখনি ।


সম্পাদিকা, সান্ত্বনা কটকী
২১ ডিচেম্বৰ ১৯৯০ চন ।।

# সম্পাদনাৰ আঁৰৰ কথা ঃ

১৯৮৯-৯০ চনৰ ছাত্ৰী একতা সভাৰ সহঃ সাধাৰণ সম্পাদিকা হিচাপে দায়িত্ব লৈছিলোঁ যদিও বিশেষ পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত 'আলোচনী সম্পাদিকা'ৰ দায়িত্বও মোৰ ওপৰত আহি পৰে । একেলগে দুয়োটা দায়িত্ব পালনৰ হেতু আলোচনীখন প্ৰকাশত কিছু পলম হ'ল। অৱশ্যে ছাত্ৰী বান্ধৱীসকলৰ আশানুৰূপ এখন আলোচনী প্ৰকাশ কৰিব নোৱাৰাৰ কাৰণ হ'ল ছাত্ৰী বান্ধৱীসকলৰ অসহযোগিতা, হতাশা আৰু পুঁজিৰ অভাৱ । কিন্তু হিমাদ্ৰি বাইদেৱে যোগোৱা উৎসাহ আৰু অনুপ্ৰেৰণা, লগতে অধ্যক্ষ মহোদয়ে শেহতীয়াকৈ হ'লেও আলোচনী প্ৰকাশৰ বাবে জনোৱা ইতিবাচক সঁহাৰিৰ বাবে একাদশ সংখ্যাটি প্ৰকাশত পলম হ'লেও আপোনালোকৰ হাতত তুলি দিবলৈ পাই গৌৰৱ অনুভৱ কৰিছোঁ। আলোচনী-খন প্ৰকাশত গল্প, প্ৰবন্ধ, কবিতা আদি দি সহায় কৰা ছাত্ৰীসকললৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ। লগতে বেটুপাতটি অংকন কৰি দিয়াৰ বাবে বান্ধৱী আৰাধনালৈ এই ছেগতে ধন্যবাদ জ্ঞাপন কৰিছোঁ । বিভিন্ন দিশত সহায় আগবঢ়োৱা বাবে ভ্ৰাতৃ শ্ৰীহীৰেণ বৰদলৈৰ শলাগ নলৈ নোৱাৰিলোঁ। সদৌ শেষত, মোক প্ৰতিটো কথাতে দিহা-পৰামৰ্শৰে আগবঢ়াই যোৱাৰ বাবে অধ্যাপক শ্ৰীতিলক চন্দ্ৰ মজুমদাৰদেৱলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ । "সুছন্দা প্ৰেছ'ৰ সমূহ কৰ্মচাৰীলৈকে ধন্যবাদ জ্ঞাপন কৰি মহাবিদ্যালয় আলোচনীখনৰ চিৰ উজ্জ্বল কামনাৰে প্ৰতিবেদন সামৰিলোঁ ।

।। জয় আই অসম ।।

সম্পাদিকা আলোচনী ৩



ছাত্ৰী একতা সভা ( ১৯৮৯-৯০ )

বাওঁফালৰ পৰা ( বহি ) শ্ৰীৰূপা শৰ্মা ( সাধাৰণ সম্পাদিকা, উপাধ্যক্ষা তৰু বৰুৱা ; অধ্যক্ষ বিমল কুমাৰ বৰা ; তত্বাবধায়িকা হিমাদ্ৰী দেৱী ; উপ-সভানেত্ৰী চয়নিকা ডেকা ।

বাওঁফালৰ পৰা ( থিয় হৈ ) ৰীতা হাজৰিকা ( সম্পাদক, সঙ্গীত বিভাগ) পূণ্যপ্ৰভা বৰা ( সম্পাদিকা, সহঃ সাংস্কৃতিক) বিভা ভৰালী (সম্পাদিকা, তৰ্ক আৰু নাট বিভাগ) ডুলুমনি ভূঞা (সম্পাদিকা, ছাত্ৰী জিৰণী কোঠা) সান্ত্বনা কটকী ( সম্পাদিকা আলোচনী আৰু সহঃ সাধাৰণ সম্পাদিকা) অনুপস্থিত সদস্যাসকল ক্ৰমে—নিতুমনি ডেকা ( সম্পাদিকা, দুখীয়া সাহাৰ্য্য নিধি ) ছায়াৰাণী দেৱী (সম্পাদিকা, সাংস্কৃতিক বিভাগ) প্ৰণীতা বেজবৰুৱা ( সম্পাদিকা, সমাজসেৱা ) ৰূপা বৈশ্য ( সম্পাদিকা, ক্ৰীয়া বিভাগ) নাজিমা বেগম ( সহঃ সম্পাদিকা, ক্ৰীয়া বিভাগ ) ।

# প্ৰদূষিত পৰিৱেশ ঃ বৰ্তমান মানৱ সমাজত ইয়াৰ প্ৰতিক্ৰিয়া

কপালী দাস
স্নাতক প্ৰথম বাৰ্ষিক (দিবা)

মানৱ জাতিৰ আদিম অৱস্থাত অৰণ্যই আছিল বাসস্থান তথা অন্নদাতা। আদিম মানৱে জীৱন যাত্ৰাৰ মান সম্পৰ্কে সম্পূৰ্ণ অজ্ঞ থকাৰ সময়ত অৰণ্যৰ মাজত গছ-গছনিৰ ধোন্দত আশ্ৰয়স্থল বিচাৰি লৈছিল। তেওঁলোকে ভোক নিবাৰণ কৰিবৰ বাবে গছ-গছনিৰ পৰা ফলমূল আহৰণ কৰিছিল। আনকি শীতৰ পৰা ৰক্ষা পাবৰ বাবে গছ-গছনিৰ বাকলিয়েই পৰিধান কৰিছিল। গতিকে মানৱ জাতি আৰু গছ-গছনিৰ মাজৰ সম্বন্ধ প্ৰাচীন কালৰে পৰা ওতঃপ্ৰোত। সুষমা মনোৰমা এই বসুন্ধৰাত জীৱ-শ্ৰেষ্ঠ মানৱ জাতিয়েই যোগ্য-ভোগ্য বুলি এষাৰ কথা থাকিলেও প্ৰকৃতিৰ বুকুৰ পৰা বিভিন্ন সম্পদ আহৰণ কৰোতে আৰু বিভিন্ন জীৱৰ অৱসান ঘটাত মানুহে নিজেই প্ৰাকৃতিক ভাৰসাম্যক বঢ়া-টুটা কৰিছে। বিলাসী ভাৱত আমি প্ৰত্যেকেই পাহৰি গৈছো যে প্ৰকৃতিৰ সৃষ্ট সকলো শ্ৰেণীৰ জীৱৰেই এই পৃথিবীত বাস কৰাৰ মৌলিক অধিকাৰ আছে। ক্ষমতালিপ্সা, স্বাৰ্থান্ধতা আৰু বস্তুবাদী দৃষ্টি-ভঙ্গীৰ ফলত আমি মানৱ জাতিয়ে অবিচাৰ আৰু অপৰিকল্পিত ভাৱে বিনাশ কৰি আহিছোঁ পৃথিবীৰ বুকুত থকা বিশাল সেউজীয়া পাহাৰ বা অৰণ্য ভূমি। আৰু ইয়াৰ পৰিণতি স্বৰূপেই প্ৰতিদিনেই আমি বিভীষিকাৰ অটল গহ্বৰৰ গতি কৰিছোঁ।

পৰিৱেশ বুলিলে আমি বহুতে মাথোন বনাঞ্চল বা বন্যপ্ৰাণী সংৰক্ষণৰ কথাকে বুজো। পৰিৱেশৰ লগত এই সমূহৰ প্ৰত্যক্ষ সম্পৰ্ক আছে যদিও প্ৰাকৃতিক পৰিৱেশ বুলিলে আকাশ, পানী, পথাৰ-প্ৰান্তৰ, মুকলি ঠাই, খেলা-ধূলাৰ স্থান, জান-জুৰি-নৈ-বিল-জলাশয়; ফুল-লতা গছেৰে পূৰ্ণ উদ্যান, ধোঁৱাবিহীন ৰান্ধনি ঘৰ বা কীট-পতঙ্গৰ প্ৰয়োজনীয়তা বা উচ্চ, বিকৃত শব্দেৰে প্ৰাণীজগতত অশান্তি সৃষ্টি কৰা বা বিশুদ্ধ অম্লজানপূৰ্ণ বতাহ সেৱনৰ অধিকাৰ আদিকো বুজায়। প্ৰাণী জগতৰ প্ৰতি জীৱ-জন্তুৱেই প্ৰতিক্ষণ পৰিৱেশৰ লগত জড়িত। পৰিৱেশ প্ৰদূষিত হ'লে জনস্বাস্থ্যৰ ক্ষতি হয়। আমি স্নায়ুবিক নানান ৰোগত ভুগিব লগা

হয়। প্ৰাণীজগতত বহু প্ৰাণীৰ অৱলুপ্তি ঘটে। এতেকে আমি মনত ৰখা উচিত যে প্ৰকৃতি আমাৰ মাতৃ। নিৰ্মল পৰিৱেশ আমাৰ জীৱন। সেয়েহে পৰিৱেশক সৰ্বতোপ্ৰকাৰে সতেজ, সজীৱ কৰি ৰাখিবই লাগিব। কাৰণ ইয়াৰ ওপৰতে আমাৰ সকলোৰে জীৱন নিৰ্ভৰ কৰে। কিন্তু তেনেহেন ক্ষেত্ৰতো মানুহে ভৱিষ্যতৰ ফলাফলৰ কথা অকণো চিন্তা নকৰাকৈ কেৱল বৰ্তমানৰ আৱশ্যক পূৰণৰ বাবে ব্যস্ত।

মানুহৰ অতি আকাংখা আৰু লোভৰ পৰিমাণে পৃথিৱীক দিনে দিনে অপৰিচ্ছন্ন আৰু প্ৰাকৃতিক প্ৰদূষণৰ কবলত পেলাইছে। এই ৰুগ্ন মলিন অৱস্থাকে আমি প্ৰাকৃতিক প্ৰদূষণ বুলি কওঁ। প্ৰদূষণ বুলিলে আমি ইয়াকে বুজো যে, মানুহৰ হস্তক্ষেপত ক্ষয়-ক্ষতি বা হ্ৰাস-বৃদ্ধি হলে পদাৰ্থটোৰ যি গুণৰ পৰিবৰ্তন ঘটে তেতিয়া সেই পদাৰ্থটোক আমি প্ৰদূষণ বুলি কওঁ। বৰ্তমান মানৱ সমাজত আমি বিভিন্ন ধৰণৰ প্ৰদূষণৰ প্ৰভাৱ দেখা পাওঁ। সেই প্ৰদূষণ সমূহ হ'ল— বায়ু প্ৰদূষণ, শব্দ প্ৰদূষণ, পানী প্ৰদূষণ আৰু মাটি প্ৰদূষণ ইত্যাদি। কোনো প্ৰদূষণৰেই অভাৱ নাই এতিয়া।

ডেৰ দশকৰ আগতে ১৯৭২ চনৰ ৫ জুনত সুদূৰ পাশ্চাত্যৰ ষ্টকহম চহৰত ৰাষ্ট্ৰসংঘৰ সদস্য ৰাষ্ট্ৰসমূহৰ প্ৰতিনিধিত্বমূলক সভাত বিশ্বৰ প্ৰান্তে প্ৰান্তে দেখা দিয়া পৰিৱেশৰ খুটি-নাটিৰ ওপৰত সৰ্বপ্ৰথম পৰ্য্যালোচনা কৰি পৰিৱেশ সংৰক্ষণৰ আৱশ্যকতাৰ ওপৰত গুৰুত্ব প্ৰদান কৰি বাস্তৱধৰ্মী কৰ্মপন্থা ৰূপায়ণৰ বাবে সকলো সদস্য ৰাষ্ট্ৰক পৰামৰ্শ প্ৰদান কৰিছিল আৰু তাৰ ফলস্বৰূপেই প্ৰতিবছৰে জুন মাহৰ ৫ তাৰিখটো বিশ্ব পৰিবেশ দিৱস ৰূপে পালন কৰা হয়।

সাম্প্ৰতিক বিশ্বৰ ভয়াবহ সমস্যাসমূহৰ ভিতৰত পৰিৱেশ প্ৰদূষণ অন্যতম। এই সমস্যাই পৃথিৱীৰ স্বাভাৱিক পৰিৱেশ লাহে লাহে আৰু ঠাই বিশেষে দ্ৰুত পৰিবৰ্তন ঘটাই মানৱ জাতিক এক অন্ধকাৰ ভৱিষ্যতৰ ফালে লৈ গৈছে। পৃথিৱীত জনসংখ্যা বৃদ্ধিৰ লগে লগে কৃষিভূমি আৰু বসবাসৰ বাবে মানুহে পৰ্বত, পাহাৰ আৰু সমতলৰ বনভূমিৰ ওপৰত জপিয়াই পৰিল আৰু নিৰ্মমভাৱে গছ-গছনিৰ ধ্বংস যজ্ঞ আৰম্ভ কৰিলে। তদুপৰি যান্ত্ৰিক প্ৰগতিৰ ফলত যান-বাহন, শিল্প-উদ্যোগ, গৱেষণাগাৰ আদি গঢ়ি উঠিল আৰু এইবোৰৰ পৰা নিৰ্গত বিষাক্ত পদাৰ্থই পৃথিৱীৰ বাতাবৰণ ক্ৰমান্বয়ে দূষিত কৰিবলৈ ধৰিলে। কলকাৰখানাৰ দূষিত গেছে প্ৰতিদিনে বায়ু দূষিত কৰিব লাগিছে আৰু ইয়াৰ লেতেৰা বস্তুবোৰে নৈ আৰু সাগৰৰ পানী বিষাক্ত কৰি তুলিছে। কীটনাশক, উদ্ভিদনাশক আদি ব্যৱহাৰৰ বাবে আমাৰ মৃত্তিকা যথেষ্ট পৰিমাণে প্ৰদূষিত হৈ আছে। প্ৰত্যেক্ষ বা পৰোক্ষ ভাৱে মানুহে সেই বিষাক্ত পদাৰ্থবোৰ নিজেই গ্ৰহণ কৰি আছে,সেই বাবেই বৰ্তমান জগতত প্ৰাণী আৰু উদ্ভিদ সকলোবোৰ লাহে লাহে ৰুগ্ন হৈ পৰিছে।

বৰ্তমান কালত গছ-গছনি কাটি পৃথিৱীৰ বুকুত থকা সেউজীয়া পাহাৰ বা অৰণ্য-ভূমিবোৰ এনেদৰে টকলা কৰি পেলোৱা হৈছে যে এই ধ্বংসলীলা সোনকালে বন্ধ কৰিব নোৱাৰিলে অদূৰ ভৱিষ্যতে পৃথিৱীখন জীৱৰ বসবাসৰ বাবে অনুপযোগী হৈ পৰিব। প্ৰতিদিনে হেজাৰ হেজাৰ বনাঞ্চল পৃথিৱীৰ বুকুৰ পৰা ধ্বংস হৈ যাব ধৰিছে। আমাৰ ভাৰতবৰ্ষতে যোৱা দশকটোত ৯১,৭১০ বৰ্গকিলোমিটাৰ বনাঞ্চল ধ্বংস হৈছে। বনাঞ্চল এনেদৰে ধ্বংস হৈ যোৱাৰ বাবে আমাৰ পাৰিপাৰ্শ্বিক অৱস্থাৰ ওপৰত যে এক হেঁচা পৰিছে, এইকথা আমি একমুখে স্বীকাৰ কৰিবই লাগিব।

বায়ু প্ৰদূষণৰেই আৰম্ভ কৰিলে দেখা পাওঁ যে, "গছ-গছনিয়ে কাৰ্বণডাই অক্সাইড শুহি লৈ বায়ুমণ্ডলত অক্সিজেন এৰি দিয়ে"—এই স্বাভাৱিক প্ৰক্ৰিয়াটো আমাৰ সকলো জ্ঞাত। পৃথিৱীত উদ্ভিদ আবিৰ্ভাৱ হোৱাৰ পৰা এতিয়ালৈ গছ-গছনিৰ এই শুহি লোৱা কাৰ্য্য চলি থকা সত্বেও পৃথিৱীৰ বুকুৰ পৰা ইয়াৰ পৰিমাণ কমা নাই। প্ৰাণী আৰু উদ্ভিদৰ এই সম্পৰ্কটোৱে আবহমান কালৰে পৰা প্ৰাকৃতিক ভাৰসাম্যতা ৰক্ষা কৰিছে। গতিকে বায়ু প্ৰদূষণত গছ-গছনিৰ ভূমিকাৰ বিষয়ে নকৈ দোহৰাৰ সম্ভৱ প্ৰয়োজন নাই। বায়ু প্ৰদূষণ ডব্লিউ ৰাকেলচৰ মতে—"We must rccognise air, water and land as finite resources they can be used up where we consume them there is planatary case or in the term of economiest air, Water and land must be viwed as capitals." অৰ্থাৎ বায়ু, পানী আৰু মাটি সীমিত সম্পদ বুলি ধৰিব লাগিব; আৰু সেই বাবে এইবোৰ সম্পদ উপভোগ কৰিলে আমি ইয়াৰ পাৰ্থিৱ মূল্য দিব লাগিব। বায়ুমণ্ডলত সৃষ্টি হোৱা ক্ৰমবৰ্দ্ধমান কাৰ্বণডাই অক্সাইড আৰু কাৰ্বণ মনক্সাইডে প্ৰাণীজীৱনৰ চৰম ধ্বংসৰ বাট মুকলি কৰি আছে। ধনতান্ত্ৰিক শিল্পৰ বিকাশে প্ৰাকৃতিক ভাৰসাম্য নষ্ট কৰি প্ৰাণী জীৱনক অৱনতিৰ ফালে লৈ গৈছে। কাৰণ সেইবিধ শিল্প আৰু কলকাৰখানা বায়ুমণ্ডলক কাৰ্বণ ডাই অক্সাইড, চালফাৰ ডাই অক্সাইড, নাইট্ৰোজেন ডাই অক্সাইড, আৰচিন এছিদ নাইট্ৰেড, এছবেচটচ আইৰণ চিলিকা আৰু বিভিন্ন প্ৰকাৰৰ দূষিত বস্তুবোৰৰ পৰিমাণ বৃদ্ধি কৰি আছে। তাৰবাবে বায়ু দূষিত হয় আৰু উশাহ লবলৈ কষ্ট হৈ পৰে আৰু যাৰ ফলত ৰক্তচাপ বাঢ়ে, এছবেচটচ জ্বৰ হয়। তাৰোপৰি কলকাৰখানাৰ ধোঁৱা আৰু যানবাহনৰ পৰা ওলোৱা কাৰ্বণ মনোক্সাইডৰ ধোঁৱাই বতাহ বিষাক্ত কৰি তুলিছে। ফলত ভয়াবহ ৰূপত বাঢ়ি গৈছে হাওফাওৰ ৰোগ।

চিমেণ্ট কাৰখানাৰ দৰে উদ্যোগৰ পৰা নিৰ্গত ধূলিয়ে একোটা বৃহৎ অঞ্চলত প্ৰাণীজীৱন বিষময় কৰি তুলিছে। এই ধূলিয়ে ওচৰ-পাজৰৰ গাঁও-ভূঁই চাটি ধৰি ঘৰ-দুৱাৰ, গছ-গছনিৰ অভাৱনীয় ক্ষতি কৰিছে। কয়লা উদ্যোগ আদিয়ে দেশৰ অৰ্থনৈতিক উন্নয়ন বা প্ৰগতিৰ নামত পাহাৰ কাটি সমান কৰি, গছ-গছনি তহিলং কৰি, ওচৰ-পাজৰৰ খেতি-পথাৰ

নষ্ট কৰিছে। কৌটিকলীয়া প্ৰাকৃতিক ভাৰসাম্যতা নষ্ট কৰিছে। আমাৰ চৌদিশৰ বাঁহনিবোৰে পৰিবেশ ৰক্ষাত আগবঢ়াই আছে অপৰিসীম অৱদান। কিন্তু কাগজকল স্থাপন কৰি ভৰাড়ৰে বাঁহনি কাটি কাগজ কলক কাগজ তৈয়াৰ কৰিবলৈ যোগান দি, সুন্দৰ পৰিবেশ ভয়াবহ কৰি তোলাত মানুহেই দোষী। যানবাহনৰ পৰা নিৰ্গত গেছেও বায়ু প্ৰদূষণ হোৱাত যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰিছে। যানবাহনৰ পৰা নিৰ্গত বিষাক্ত গেছেও ইতিমধ্যে বায়ুমণ্ডলৰ প্ৰদূষণ বৃদ্ধি কৰি পাৰিপাৰ্শ্বিকতাৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিছে। বৰ্তমান 'Pollucon' নামৰ এবিধ বিশেষভাৱে নিৰ্মিত যন্ত্ৰৰ দ্বাৰা বিশেষজ্ঞসকলে যানবাহনৰ পৰা নিৰ্গত 'কাৰ্বন মনোক্সাইড' গেছ নিৰ্গমন সম্পূৰ্ণৰূপে নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হৈছে। পঞ্জাবৰ জে, এছ ছাব্ৰা নামৰ বিশেষজ্ঞ এজনে এই কৌশলটি উদ্ভাৱন কৰিছে। পৰীক্ষামূলক ভাৱে ব্যৱহাৰ কৰা এই কৌশল নিৰীক্ষণ কৰি ভাৰত চৰকাৰৰ পাৰিপাৰ্শ্বিকতা বিভাগে ইতিমধ্যে এই যন্ত্ৰটোৰে কাৰ্বণ মনোক্সাইড নিৰ্গমন সম্পূৰ্ণৰূপে নিয়ন্ত্ৰণ কৰিব পৰা গৈছে বুলি মন্তব্য দিছে। মুঠতে প্ৰাকৃতিক ভাৰসাম্য ৰক্ষাত উদ্ভিদ জগতে এক গুৰুত্বপূৰ্ণ আৰু প্ৰবীণ ভূমিকা গ্ৰহণ কৰে আৰু সেইবাবেই আজিৰ সচেতন নাগৰিকে পৰিবেশক প্ৰদূষণৰ পৰা মুক্ত কৰিবলৈ পৰিবেশ সুৰক্ষিত কৰিবলৈ আমাৰ বনাঞ্চলসমূহক সুন্দৰৰ সৃষ্টিক আৰু সুন্দৰকৈ সৃষ্টি আৰু উপলব্ধি কৰিবলৈ চেষ্টা কৰা উচিত। লোভী মানুহৰ বাহিৰে, প্ৰকৃতিৰ কোনো জীৱই পৰিবেশ বিনষ্ট কৰা নাই। কিছুমান গছ-গছনিয়ে উদ্যোগ আদিৰ পৰা নিৰ্গত হোৱা বিষাক্ত দ্ৰব্য শোষণ কৰি যায়, প্ৰদূষণত যে বাধা দিয়ে এনে নহয়; মাটি আৰু পানী প্ৰদূষণো কমায়। প্ৰদূষণক আমি ফুলনিত গজা ঘাঁহনি বনৰ লগত তুলনা কৰিব পাৰোঁ। যেনেদৰে ঘাঁহনি বনে অইন ক'ৰবাত নগজি অথচ আমাৰ ফুলনিত গজি ফুলনিখনকে গিলি পেলাই নষ্ট কৰে, সেইদৰে আমাৰ কৰ্মৰ জৰিয়তে উদ্ভৱ হোৱা আৱৰ্জনাবোৰ আমি যথা স্থানত নথৈ অ'ত ত'ত দলিয়াই পৰিবেশখনকে নষ্ট কৰোঁ। উদাহৰণ — সৌ সিদিনা ভূপালত 'কাববাইড গ্যাচ লিক'ৰ পৰা ওলাই বায়ুমণ্ডলত মিহলি হোৱা গেচৰ পৰিমাণ বছৰি বায়ুমণ্ডলত মিহলি হোৱা (বিভিন্ন উৎসৰ পৰা) গেছৰ পৰিমাণৰ তুলনাত কিমান নগণ্য, তথাপি এই প্ৰথমটোকহে বায়ুমণ্ডলৰ বিষাক্ত গেছৰ সাধাৰণ লেভেলতকৈ বহুগুণে বেছি। যিটো মানুহৰ সহ্যৰ অতীত; যাৰ ফলত ভূপালত বহু জন জীৱন নষ্ট হৈছিল।

বৰ্তমান কালত শব্দ প্ৰদূষণৰ প্ৰভাৱো খুব বাঢ়িছে, বিশেষকৈ চহৰ অঞ্চলৰ যানবাহন, মাইক হৰ্ণ ইত্যাদিৰ সহায়ত যি শব্দৰ সৃষ্টি হয় সেইবোৰ মানৱ দেহৰ অতি ক্ষতিকাৰক। তীব্ৰ শব্দই মানুহৰ স্নায়ুতন্ত্ৰৰ গোলমাল, মূৰ কামোৰণি, উচ্চ ৰক্তচাপ বৃদ্ধি, স্মৃতিশক্তি হ্ৰাস আদি ৰোগৰ সৃষ্টি কৰিব পাৰে। এজন মানুহে 50 db শব্দ গ্ৰহণ কৰিবলৈ সক্ষম আৰু ইয়াৰ বেছি হলে মানুহৰ কষ্ট হয়। কাৰণ উচ্চ শব্দ শক্তিয়ে কাণৰ পৰ্দা গধুৰ কৰি তোলে আৰু শ্ৰৱণ শক্তি লোপ পায়। এই শব্দ 75 db ৰ বেছি হ'লে নাৰভাচনেচ শ্বাস ক্ৰিয়াত কষ্ট আৰু ভ্ৰূণৰ পূৰ্ণাঙ্গ বিকাশ বাধা প্ৰাপ্ত হয়। কিন্তু এই ক্ষেত্ৰত গছ-গছনিয়ে অসহনীয় শব্দৰ তীব্ৰতা বোধ কৰি শব্দ প্ৰদূষণ কমায়। নগৰ অঞ্চলৰ আলিৰ দাঁতিত ৰোৱা গছ-গছনিয়ে শব্দৰ তীব্ৰতা কমাই শব্দ প্ৰদূষণৰ পৰা বহু পৰিমাণে আমাক মুক্ত কৰে।

মাটি প্ৰদূষণ আৰু প্ৰাণী প্ৰদূষণো আধুনিক বৈজ্ঞানিক সভ্যতাই কঢ়িয়াই অনা অন্য এক সমস্যা। এই প্ৰদূষণৰ প্ৰভাৱ পৰিছে আমাৰ ঘৰখনতো। মাটি মানুহৰ হস্তক্ষেপৰ বাবে প্ৰতিক্ষয়ত দূষিত হৈ আছে। যিটোৰে প্ৰাণী আৰু উদ্ভিদ জীৱনৰ ওপৰত গুৰুতৰ আঘাত হানিছে। দেখা গৈছে যে বিভিন্ন উদ্ভিদৰ পাতৰ ৰং সলনি হৈছে। ফলত ৰঙৰ আকাৰ আৰু সোৱাদৰ পৰিবৰ্তন ঘটিছে। ইয়াৰ প্ৰকৃত কাৰণ মাটিত নিউট্ৰিনৰ উপাদান দিনে দিনে পৰিবৰ্তন হৈছে। বিশেষ কিছুমান নষ্টকাৰী পোক-পতঙ্গৰ কবলত শস্যৰ এনে ব্যাপক ধৰণৰ ক্ষতি হৈছে আৰু সেই শস্য পথাৰৰ শস্যবোৰক বিভিন্ন কীট-পতঙ্গৰ আক্ৰমণৰ পৰা ৰক্ষা কৰিবলৈ বিভিন্ন কীটনাশক ব্যৱহাৰ কৰা হয়। এই কীটনাশক ব্যৱহাৰৰ ফলত কীট-পতঙ্গৰ বিনাশ হোৱাৰ লগতে শস্যৰো উৎপাদন বৃদ্ধি হয়, কিন্তু কীটনাশক ব্যৱহাৰ কৰি তাৰ পৰা পোৱা উপকাৰৰ প্ৰতি লক্ষ্য ৰাখোতে আমি নাভাবো যে এই কীটনাশক ব্যৱহাৰৰ ফলতেই আমাৰ মাটি প্ৰদূষণ ক্ৰমে বৃদ্ধি পাব লাগিছে। গতিকে এইটো নিশ্চিত যে ইয়াৰ এক সুদূৰপ্ৰসাৰী ফল আমি ভোগ কৰিবই লাগিব।

শস্যৰ পথাৰত থকা বৰভেকোলা (বা বামুণী ভেকোলা) ধৰি বিদেশলৈ ৰপ্তানি কৰি টকা ঘটিছোঁ। বৰভেকোলা নাইকিয়া হোৱাত আমাৰ খেতি পথাৰত পোক-পতঙ্গৰ উৎপাত বাঢ়িল আৰু তাক দমন কৰিবলৈ কীটনাশক দ্ৰব্য ব্যৱহাৰ কৰিব লগা হৈছে। সেয়েহে চৰকাৰে এতিয়া বৰভেকোলাক সংৰক্ষিত প্ৰাণী বুলি ঘোষণা কৰি বধ কৰা বন্ধ কৰিছে। ডি, ডি, টি চটিয়াই কীট-পতঙ্গৰ উপদ্ৰৱ ৰোধ কৰা হৈছে।

জান-জুৰি-নৈ-বিলৰ নিৰ্মল পানী নানান উদ্যোগ কাৰখানাই পেলোৱা বিষাক্ত পদাৰ্থই দূষিত কৰিছে। দিন যিমানেই গৈছে পানী সিমানেই ঘোলা হৈ আহিছে। জানিবলৈ আৰু বাকী নাই যে আমাৰ সঞ্জীৱনী পানীক দূষিত কৰি তুলিছোঁ। আমি সেচন সম্প্ৰসাৰণৰ দ্বাৰা অধঃস্তৰীয় পানী স্তম্ভক ওপৰলৈ তুলি গ্ৰাৰ জলাভূমিৰ সৃষ্টি কৰিছোঁ, লগতে কৃষি ভূমিক লৱণক্লিষ্ট কৰাই তাৰ বন্ধ্যাত্মক মাতি আনিছোঁ, সেচনৰ বাবে নদীৰ উচ্চ শয্যাত পানীৰ গতিৰোধ কৰাই নদীৰ নিম্ন শয্যাক নিয়ত প্ৰবাহৰ পৰা বঞ্চিত কৰা হৈছে। ফলস্বৰূপে নিম্নভাগে প্ৰবাহ হেৰুৱাই প্ৰদূষিত হৈ উঠিছে। বস্তুকেন্দ্ৰীক সভ্যতাৰ সম্প্ৰসাৰণৰ জৰিয়তে আমি কিছু পৰিমাণে ক্ষতিগ্ৰস্তও হৈছোঁ।

মহামনীষী ৰুচোই যথাৰ্থই কৈছিল—'Mankind deteriorates as material civilization advance'. পানী প্ৰদূষণৰ ফলস্বৰূপে মানৱ জীৱনৰ অপূৰণীয় ক্ষতি কৰিছে।

ওপৰৰ আলোচনাৰ পৰা এইটো স্পষ্ট হৈছে যে মানুহে মধে-মধে নিজৰ ইচ্ছা অনুযায়ী প্ৰকৃতিৰ বস্তুবোৰ ব্যৱহাৰ কৰি নিজৰ ভৱিষ্যতৰ লগত নতুন বংশধৰৰ মৃত্যুৰ বাট মুকলি কৰিছে। আমাৰ সকলোৰে জ্ঞাত যে মানুহ প্ৰত্যক্ষ নাইবা পৰোক্ষ ভাবে উদ্ভিদ; প্ৰাণী আৰু প্ৰাকৃতিক পৰিবেশৰ ওপৰত নিৰ্ভৰশীল। ফলস্বৰূপে, প্ৰকৃতি প্ৰদূষণৰ লগতে মানৱ দেহৰ প্ৰদূষণ হোৱাটো কোনো অস্বাভাৱিক নহয়। মানুহৰ দেহ আৰু মস্তিষ্ক প্ৰদূষণত প্ৰধান কাৰণ। মানৱ দেহৰ ৫০% ৰ পৰা ৬০% ভাগ পানী। পানী সহজে আন বস্তুৰ লগত ক্ৰিয়া কৰাত সক্ষম। আন-হাতে মানুহৰ মস্তিষ্কৰ ৭৯% ভাগ পানী। এই কাৰণে পানী প্ৰদূষিত হোৱা অতি সহজ ঘটনা। যদি বায়ুমণ্ডল, নৈ আৰু সমুদ্ৰৰ পানী প্ৰদূষিত হয়; তেন্তে মানৱ মস্তিষ্কৰ প্ৰদূষণত সহায় কৰে, গতিকে মানুহে প্ৰকৃত আৰু সুস্থ চিন্তা কৰিবলৈ সক্ষম হয়।

ডাঃ ফ্ৰকৰ মতে,—The alienated students like for the present with emphasis on immediate gratification that gradually erodes the students capacity to fell compasion, to as same responsibility or to make commitments. "He describes" the alienated students as uncertain as to who he is where he comes from and where he is going' প্ৰকৃততে ছাত্ৰ উদাহৰণ দিয়া হল কাৰণ ছাত্ৰ-সকলৰ মস্তিষ্ক প্ৰদূষণৰ প্ৰাথমিক বেমাৰী। তদুপৰি প্ৰবীণসকলৰ ভিতৰত বহুতো অতিৰুগ্ন মানুহ আমি দেখা পাওঁ! যিসকলৰ প্ৰাথমিক লক্ষণবোৰ হল তেওঁলোক বিভিন্ন ধৰণৰ দুৰ্নীতি; সাম্প্ৰদায়িকতা, অসহিষ্ণুতা, অসৎ কৰ্ম অবজ্ঞা প্ৰদৰ্শন, অবৈধ্য যৌনতা আৰু স্বজন পোষণ কাৰ্য্যত লিপ্ত। এওঁলোক মানসিক প্ৰদূষণৰ ফলত সম্পূৰ্ণৰূপে ৰুগ্ন। আকৌ আমি দেখা পাওঁ পঞ্চাচ বছৰীয়া বুঢ়া মানুহজনী কেতিয়াবা কুৰি বছৰীয়া ডেকা লৰাৰ লগত অবৈধ যৌন (erotic sex) ক্ৰিয়াত লিপ্ত। এই কাৰ্য্য কোনো সুস্থ মানুহৰ নহয়; এওঁলোক প্ৰত্যেকেই প্ৰদূষণৰ ফলত মস্তিষ্ক বিকৃত মানুহ।

পৰিবেশ বিশৃঙ্খলিত আৰু বিনষ্ট হোৱাৰ কাৰণসমূহৰ ভিতৰত অন্যতম হ'ল— অৰণ্যানিৰ ধ্বংস, শিল্পোদ্যোগৰ বিস্তাৰ, ম্যুনিচিপাল আৰ্বজনা, খনিজ আৰু কৃষি ৰাসায়নিক আৰ্বজনা ইত্যাদি। উন্নত দেশবোৰে বৈজ্ঞানিক পদ্ধতিৰে কৃষি সম্প্ৰসাৰণৰ লগতে শিল্প আৰু নগৰী বিস্তাৰৰ জৰিয়তে যথেষ্ট আৰ্বজনা বা Waste সৃষ্টি কৰে, দৰিদ্ৰ দেশবোৰে সেই প্ৰদূষণৰ অংশীদাৰ হ'বলৈ বাধ্য হয়। ঠিক সেইদৰে ধনী মানুহৰ বিলাসৰ বাবে অৰণ্য ধ্বংস হয়। বৰ্তমান পৃথিৱীৰ বুকুৰ পৰা প্ৰতিদিনে ৩১,০০০ হেক্টৰ বনাঞ্চল বিলুপ্ত হৈ যাব ধৰিছে। ভাৰতবৰ্ষতেই যোৱা দশকত ৯১,৭১০ বৰ্গ কিলোমিটাৰ অৰ্থাৎ ২'৭৯./' বনাঞ্চল ধ্বংস হৈছে। এই ধ্বংসৰ হাৰ হ'ল প্ৰতি মিনিটত ২৫০০ হেক্টৰ। অসমত প্ৰতিবছৰে প্ৰায় ১৮০ বৰ্গ কিলোমিটাৰ বা ১'৩৪ লাখ বিঘা বনাঞ্চল ধ্বংস হৈ আছে। ফলত প্ৰকৃতিয়ে জলবায়ু শোধন কৰি ৰাখিব পৰা ক্ষমতা ক্ৰমান্বয়ে হেৰুৱাই পেলাবলৈ আৰম্ভ কৰিছে। জীৱশ্ৰেষ্ঠ মানুহহে, আমি আমাৰ চৌদিশৰ পৰিবেশ নষ্ট কৰি নিজৰ শিৰত নিজে আঘাত কৰিছোঁ। পাৰসাৰ এজন কবিয়ে বহু বছৰ আগতে লিখি থৈ গৈছে — "আকাশ, বতাহ, পানী এই তিনি-টাতকৈ বিশুদ্ধ কোনো পদাৰ্থই সৃষ্টি কৰ্তাই সৃষ্টি কৰিব পৰা নাই।" এই মুহূৰ্তত কবি জীয়াই থকা হ'লে, তেওঁৰ সেই বিশ্বাস পৰিবৰ্তন হ'লহেঁতেন। কাৰণ আজি পৃথিৱীত এই তিনিওটা বস্তুৱেই সবাতোকৈ অধিক প্ৰদূষিত।

গতিকে আহক, আমি সকলোৱে মিলি-জুলি প্ৰতিবছৰে জুন মাহৰ ৫ তাৰিখটো বিশ্ব পৰিৱেশ দিৱস ৰূপে পালন কৰোঁ। দিনে দিনে নিম্নগামী হৈ অহা পৰিৱেশ ৰক্ষাৰ দায়িত্ব মাথোঁ চৰকাৰী বিভাগ আৰু পৰিকল্পনাত জড়িত লোক-সকলৰ ওপৰতে এৰি নিদি প্ৰতিজন পুৰুষ, প্ৰতি-গৰাকী নাৰী, প্ৰতিটি অকণিয়ে সচেতন নাগৰি-কৰ ভূমিকা লৈ পৰিবেশ ৰক্ষাত আগবাঢ়ি আহিব লাগিব। এই দিনটোত পৰিবেশ দিৱস মাথোন এটি উৎসৱ হ'ব নালাগে। আজিৰ সচেতন অকণিহঁতে পৰিবেশ সম্পৰ্কে এটি "সংযমৰ পৰিৱেশ" সৃষ্টিত সৰ্বতো প্ৰকাৰে সহায় কৰাই হ'ব লাগিব এই দিৱসৰ তাৎপৰ্য্য।

শেষত, এই প্ৰবন্ধৰ মুখনিত মই ব্যক্তিগত ভাবেও চৰকাৰ তথা প্ৰত্যেকজন নাগৰিককে এই বৃহৎ সমস্যাৰ প্ৰতি দৃষ্টি নিক্ষেপ কৰি ইয়াৰ আশু সমাধানৰ বাবে কাৰ্য্যপন্থা হাতত লোৱা উচিত। *

*(বিভিন্ন দৈনিক কাকত, বিজ্ঞান সংবাদ আৰু আলোচনী আদিৰ সমিল-মিলত প্ৰবন্ধটি যুগুতোৱা হৈছে।— লেখিকা)

# যতীন্দ্ৰনাথ দুৱৰা আৰু তেওঁৰ কবিতা

চিত্ৰলেখা বৰা
স্নাতক ২য় বাৰ্ষিক (দিবা)

'বনফুল'ৰ কবি যতীন্দ্ৰনাথ দুৱৰা এগৰাকী অসমীয়া সাহিত্যৰ লেখত লবলগীয়া কবি। এই কবিজনাৰ কবিতাৰে অসমীয়া সাহিত্যৰ ভেটিত বিশেষ বৰঙণি যোগাইছে। উচ্চ শিক্ষাৰে শিক্ষিত হৈয়ো কোনো উচ্চ-পদবী নলৈ, দেশী-বিদেশী সাহিত্য চৰ্চাৰে অসমীয়া কাব্য-ফুলনি জাতিষ্কাৰ কৰি গৈছে।

১৮৯২ খৃঃত জন্ম হৈ, উচ্চ বংশজাত হৈয়ো নিজকে এগৰাকী সাম্য কবি হিচাবে কবিতাৰ মাজত নিজকে চিনাকি দিছে। সাহিত্য মানৱ জীৱনৰ অভিব্যক্তি আৰু কবিতা মানৱ জীৱনৰ সমালোচনা। কবি দুৱৰায়ো জীৱনৰ অভিজ্ঞতাক সংসাৰখনৰ পটভূমিত ব্যক্ত কৰিবলৈ বিচাৰিছে। লৰালি কালৰেপৰা তেওঁৰ কবিতা লিখাৰ প্ৰতি হেঁপাহ আছিল। স্কুলীয়া শিক্ষাৰ কালতে "twinkle twinkle little star" অনুবাদ : 'চিক্‌মিক্, চিক্‌মিক্ সৰু তৰাটি', কবিতাৰ মাজত নিজকে চিনাকি দিছে।

১৯১১ চনত ওলোৱা লক্ষ্মীনাথ বেজবৰুৱাৰ 'বাঁহী' আলোচনীখন হৈছে যতীন্দ্ৰ দুৱৰাৰ কাব্যকলাৰ প্ৰথম পটভূমি। বেজবৰুৱা হৈছে কবি দুৱৰাৰ অনুপ্ৰেৰণা দিওঁতা। তেওঁৰ প্ৰথম প্ৰকাশিত কবিতাপুথি "ওমৰ তীৰ্থ" (১৯২৫ চন)। দুৱৰাই মনৰ খামখেয়ালিৰ মাজত তেওঁৰ বহুতো কবিতাৰ জন্ম হোৱাৰ পাছত আকস্মিক মৃত্যু হৈছিল। সেইবাবে তেওঁৰ নিজাকৈ কবিতাৰ সংকলন নাই। গুণমুগ্ধ বহুতো প্ৰকাশকে প্ৰকাশ কৰিছে নিজাকৈ সংৰক্ষণ কৰা কবিতাবদ্বাৰা। গতিকে প্ৰকাশিত পুথিৰ কবিতাসমূহৰ মাজত এটি সংলগ্নতা ৰক্ষিত হোৱা নাই। অৱশ্যে 'মিলনৰ-সুৰ' খনৰ কথা সুকীয়া, কাৰণ সেইখনক এটা দীঘল কবিতা বুলিহে কব পাৰি। অলপ চিন্তা কৰি চালে আটাইকেইখন কবিতাপুথিৰ ('আপোন-সুৰ', 'বনফুল' আৰু 'মিলন-সুৰ') কবিতাবোৰ আৰু 'কথা-কবিতা'ৰ কেবাটাও কবিতাই, কবি জীৱনৰ পৰিচয় আৰু কবিৰ জীৱন-দৰ্শন স্পষ্ট কৰি তোলে। অৰ্থাৎ এইকেইখনক তেওঁৰ আত্মজীৱনী বুলি ক'লেও, ভুল নহ'ব।

দুৱৰাৰ লৰালি কালৰ সুখৰ মাজৰ জন্মভূমিৰ প্ৰাকৃতিক সৌন্দৰ্য্যই কবিৰ মনৰ আনন্দৰ খোৰাক দিছিল। 'ৰংপুৰৰ হাবিবনত' কবিয়ে নিজকে উলাহত পাহৰি পেলাইছিল। প্ৰভাতৰ সূৰুযৰ কিৰণ, নিশাৰ শুভ্ৰ জোনাক, চৰাইৰ সুমধুৰ কাকলিয়ে কবি হৃদয়ত আনন্দৰ ৰেশ সানিছিল। তেতিয়াৰ সুখ আছিল সৰলতাৰ হাঁহি সনা (আপোনসুৰ : পাহৰাসুৰ)।

ইয়াৰ পাছত কবিৰ মাজত লাৱণ্যময়ী সুন্দৰীয়ে জীৱনৰ বসন্তৰ প্ৰথম পুৱাত যৌৱনে দোলা দিলে। যৌৱনৰ প্ৰথম ৰাগীত প্ৰেয়সীৰ বাহিৰে আন একো নালাগে এই জগতত। কিন্তু শিল্পীৰ সাধনাও সফল নহয় — 'কত গধূলি তেওঁ হেৰুৱাহেৰে' গৈ প্ৰতিমাক সাৱটি ধৰে, কিন্তু শিলৰ শীতল স্পৰ্শই তেওঁৰ প্ৰাণত স্পন্দন তুলিব নোৱাৰে। কবিৰো জীৱনৰ অনুৰূপ অৱস্থা। নোপোৱাৰ বেদনাই তেওঁৰ অন্তৰত বিৰহৰ ঢৌ তুলিলে।

দুৱৰাই এনেদৰে 'শিল্পী' 'প্ৰতিমা', ইত্যাদি প্ৰতীকৰ যোগেদি নিজৰ জীৱনৰ কথা কৈছে। ইয়াতে তেওঁৰ কবিতাৰ বৈশিষ্ট্য ফুটি উঠিছে। "ৰূপকৰ চলেৰে কবি দুৱৰাই তেখেতৰ প্ৰহেলিকাময় জীৱনৰ ব্ৰতৰ কথা ঠায়ে ঠায়ে ঠাৰেৰে কৈছে।" (ডঃ বাঃ কাকতি : কথা কবিতাৰ পাতনি) কবি দুৱৰাৰ কবিতাত লগ হেৰুৱাই লোক চক্ষুৰ পৰা আঁতৰি থাকিবলৈ খোজা ভাব পৰিস্ফুত হৈছে। অতীতলৈ উভতি চালেই মনত পৰে প্ৰাণহীন প্ৰতিমাৰ স্মৃতি।

মানুহৰ যাত্ৰাপথ পাহৰণি আৰু সোঁৱৰণীৰ মাজত। অতীতৰ সোঁৱৰণীয়ে কবিৰ জীৱনক নিৰাশাৰে ছানি পেলালে, জীৱন শ্মশানত পৰিণত হ'ল। গতিকে কবিৰ অন্তৰে উপলব্ধি কৰিছে—

"মিছা আশা নেবান্ধিবা ঘৰ
নাই কোনো আপোনজন।" (বনফুল, সপোন কুঁৱৰী)

কবিয়ে তথাপি ভগৱানক বিদ্বেষভাৱ আৰোপ কৰা নাই। বৰঞ্চ, সহজভাৱে ভগবানৰ বিধানক মানি নিয়তিৰ হাতত ভৱিষ্যতক এৰি দিছে। এইখিনিতে তেওঁৰ ওমৰৰ ভাৱৰাজ্যৰ লগত অমিলতা আছে। ওমৰে নিয়তিৰ বিধান সহজভাৱে মানি লোৱা নাই।

দুৱৰাৰ কবিতা অকল মানৱীয় প্ৰেমতে সীমাবদ্ধ নহয়। 'মিলন', 'তোমালৈ' কবিতা আধ্যাত্মিক প্ৰেমৰ উজ্জ্বল স্বাক্ষৰ। মৃত্যুৰ মাজেৰে আত্মাৰ প্ৰকৃত মিলন। জাগতিক মায়া মোহত আবদ্ধ হৈ আমি পাহৰি যাওঁ জীৱনৰ ক্ষণস্থায়িত্বৰ কথা, কিন্তু দৰদী কবি দুৱৰাই ক্ষন্তেকৰ বাবেও সুঁৱৰিছে জীৱনৰ আত্মবিস্মৃত অৱস্থা—

"সোণৰ সজাত যেন বনৰ চৰায়ে,
পাহৰিলে জীৱন গান।"

প্ৰথম প্ৰকাশিত কবিতা পুথি 'ওমৰতীৰ্থ' কবি দুৱৰাই 'পাৰস্যৰ জ্যোতিৰ্বিদ কবি ওমৰ খয়ামৰ ৰুবায়ত" পঢ়ি মুগ্ধ হৈ অনুবাদ কৰি অসমীয়া কবিতা জগতত এক নতুনত্বৰ বং কঢ়িয়ায়। এই পুথিৰ বাবে তেওঁ যথেষ্ট সমালোচনাৰ সন্মুখীণ হৈছিল। ওমৰতীৰ্থৰ কবিতা-

ৰাজি এডাল সূতাৰে গাঁঠি লোৱা এধাৰি মণি। প্ৰতিটো মণি নিজস্ব অৰ্থপ্ৰকাশক। জীৱন এক চলমান পথৰ পথিক। আজিৰ বৰ্তমানক উপভোগ কৰা। কালিলৈ চিন্তা নকৰিবা। কোন মুহূৰ্তত জীৱন শেষ হৈ যাব পাৰে—

"ধৰা প্ৰিয়তম প্ৰাণৰ পিয়লা,
— — ... .— —
অতীতৰ ভবিষ্যত শোক, সুখ, ভয়
আজি ভাৱনা উটাই দিয়া।
আজিয়েই দিয়া কালিলৈ কিয়
কোনে জানে মোৰ কালি কি হব?"

'বনফুল' কবিৰ প্ৰতীক। নিজৰ সুখ-দুখক নিজেই ফহিয়াব বিচাৰে। জীৱন অন্ত হ'ব, কালৰ পছোৱাই চাকিটি নুমুৱাব, তেতিয়া মৃত্যুৰূপী নাৱৰীয়াই নাৱত তুলি মহাসমুদ্ৰলৈ লৈ যাব। পোহৰে 'মহাকালক' কোৱাৰ দৰেঃ "আপুনিয়েই সকলো, আপোনাৰ নিয়মতেই কালৰ চকৰি ঘূৰিছে, নগৰ সাগৰ হৈছে, সাগৰ নগৰ হৈছে।" এইফালৰ পৰা চালে দুৰৰাক নিৰাশাবাদী যেন লাগে। জীৱনলৈ নৈৰাশ্য আহিলেও, এটা জীৱনত সুন্দৰৰ ৰং আহিছিল। পাছৰ জীৱনত পুনৰ সুখৰ আভা দেখিছে ঃ

"দূৰত জিলিকে সউ মধুৰ পোহৰ
— — — নাওখনি নিয়া আগুৱাই।"

দুৰৰাৰ দ্বিতীয় প্ৰকাশিত কবিতা পুথি 'কথা-কবিতা' [১৯৩৩ চন] বিশ্ববিশ্ৰুত ৰুচদেশীয় ঔপন্যাসিক আইভান টুৰ্গেনিভৰ প্ৰভাৱ পৰা এক অমূল্য সৃষ্টি। কবি দুৰৰাৰ কবিতাত ৰহস্যবাদ ফুটি উঠিছে। 'বনফুল' আৰু 'মিলনৰ সুৰ'ৰ কেৱাটি কবিতাত ৰহস্যবাদী ভাব উৰ্দ্ধলৈ গতি কৰিছে। সকলো সৌন্দৰ্য্যৰ যোগান ধৰোঁতা কৰবাত এটা অনন্ত নিজৰা আছে। ইয়াৰ লগত সমন্ধ আছে ইৰাণৰ কবি হাফেজৰ চুফী-তত্ত্ব। চুফী ৰহস্যবাদ আৰু অতীন্দ্ৰিয়বাদৰ সুৰ কবিৰ স্বকীয় বৈশিষ্ট্যৰ সবল প্ৰকাশ। সাতশ বছৰৰ আগেয়ে ইৰাণৰ ক্ষুলনিত অনুৰণিত হোৱা কবি হাফেজৰ প্ৰাণৰ বাণী প্ৰতিধ্বনি প্ৰকাশ হৈছে 'মিলনৰ সুৰ'ত। বিশ্ব মানৱৰ অন্তৰাত্মা কঁপোৱা সুৰ স্পন্দন শুনা যায় কবিৰ বাঁহীৰ প্ৰতিধ্বনি—

"মহা গায়কৰ বাঁহীৰ সুৰত
কৰিব প্ৰাণত কঁপিলে সুৰ
মন্দাকিনীৰ অমিয়া িজৰি
জীৱন শ্ৰান্তি কৰিলে দুৰ।"

দুৰৰাৰ কবিতাৰ ওপৰত যে পশ্চিমীয়া প্ৰভাৱ পৰিছে, সেইকথা নুই কৰিব নোৱাৰি। বেজবৰুৱাই যদিও তেওঁক 'শ্যেলী' বুলি জোকায় তথাপি দুৰৰাৰ কবিতা পঢ়িলে যেনেদৰে শ্যেলীৰ কবিতা পঢ়া নহয়, শ্যেলীৰ কবিতা পঢ়িলে দুৰৰাৰ কবিতা পঢ়া নহয়। দুই-এটা কথাত মিল থাকিলেও, দুয়োৰে আদৰ্শ আৰু লক্ষ্য সম্পূৰ্ণ বিপৰীত। দুৰৰাৰ কবিতাত শেলীতকৈ 'টেনিচন', 'কীট্‌ছ' ৰ প্ৰভাৱ বেছি। 'নাৱৰীয়া' (গ] 'টেনিচন'ৰ 'Crossing the Bar" কবিতাৰ প্ৰভাৱ সুস্পষ্ট! দুৰৰাই ভগবানৰ প্ৰতীক 'নাৱৰীয়া' আৰু টেনিচনৰ প্ৰতীক 'My Pitot'। মিষ্টিক প্ৰেম দুয়োটা কবিতাৰে প্ৰাণকেন্দ্ৰ। সেই দৰে কীট্‌ছৰো 'La Belle-Dame Sans Merehe'ৰ ছাঁ দুৰৰাৰ 'হেৰোৱা সপোনত, সামান্য শুনা যায়। কীট্‌ছৰ দৰে কবি দুৰৰা সামাজিক বা ৰাজনৈতিক সমস্যাৰ প্ৰতি উদাসীন।

দুৰৰাৰ কবিতাত ৰবীন্দ্ৰনাথ ঠাকুৰৰ প্ৰভাৱ আছে। 'এইবাটে নাহিবা দুনাই' কবিতা-টোত ৰবীন্দ্ৰনাথৰ 'পৰশপাথৰ' কবিতাৰ বহতো মিল আছে।

কিন্তু কবি হিচাবে দুৰৰাই নিজ সত্বাক কোনো কবিৰ পদছায়াত বিলীন হ'ব দিয়া নাই। প্ৰমাণ হিচাবে 'নিয়তি', 'কালৰ পুতলা', 'পূৰ্ণাহুতি' আদি শব্দ আৰু আহিছিলো শুদাহাতে, যামো শুদাহাতে, মৰণৰ আন্ধাৰ পাৰত, জীবনৰ মধুৰ সপোন— আদি উক্তিয়ে কবিৰ নিজস্ব চিন্তাৰে নিবিড় সমন্ধ সূচায়।

অসমীয়া জাতীয় জীৱন আৰু প্ৰকৃতিৰ অনুৰূপ প্ৰতিছবিও দুৰৰাৰ ৰচনাত জিলিকি আছে। তেওঁৰ কবিতা ঃ কেতেকীৰ সুৰ, পথাৰৰ লখিমী, দাউনী, নাও, নাৱঁৰীয়া, ৰঠা, সৰাপাত, শৰতৰ-শেৱালি, ৰিহাৰ আচল, চাপৰি, বালিভাত, কলহ ইত্যাদি। তলত এখন মৰিশালী, কিছুমান ভগাকলহ, পোৰা কাঠ, দুডোখৰ এডোখৰ ফটা-কানি মাথোন তাত পৰি আছে, দুটামান ভেকুলীয়ে মনৰ আনন্দৰে ডিঙি মেলি মাতিব ধৰিছে। ওচৰৰ বিৰিণা জোপাবিলাকৰ পৰা কিছুমান ফৰিং আৰু কুমটি ইত্যাদিয়ে সুৰ মিলাই সেই গানতে যোগদান দিছেহি (কথাকবিতা ঃ আনন্দ)—এইবোৰ অসমৰ যাউতিযুগীয়া চিত্ৰ। আৰু প্ৰাকৃতিক জগতখনক মানৱ জীৱনৰ ঘটনাবলীক প্ৰকৃতি জগতৰে তুলনা কৰি আপেক্ষিকভাৱে প্ৰকৃতি জগতৰ অবিনশ্বতাৰ ইঙ্গিত দিয়া হৈছে। মানৱ সমাজে ভোগা দুখ-বেদনাৰ সান্ত্বনাৰ প্ৰতি নীৰৱ দৰ্শক হিচাবে প্ৰকৃতিক চিত্ৰিত কৰিছে আৰু তাৰ প্ৰতি আকৰ্ষণ ভাৱ ফুটি উঠাইছে—

'জৰ জাৰ বাৰিষাই যোগাই সমল,
সেউজীয়া ধৰণী কোলাত
শৰতে গোটাই আনে শুকুলা ডাৱৰ
বসন্তই কুঁহি ফুলপাত।' (আপোন সুৰ)

কবি দুৰৰাক দৰদী কবি বা প্ৰেমৰ কবি বুলি প্ৰকৃত মূলাংকন কৰিব নোৱাৰি। মাতৃভূমিৰ প্ৰতিটো দৃশ্যতে তেওঁৰ দৃষ্টিয়ে আকোঁৱালি লৈ কবিতাৰ মাজেৰে প্ৰকাশ কৰিছে। বীৰ-বীৰাঙ্গনাৰ পৰা এটি বনফুলো তেওঁৰ কবিতাত স্থান পাইছে। দুৰৰৰ মতে জনমভূমিৰ প্ৰতি ধূলিকনাই মানুহৰ প্ৰেৰণাৰ উৎস। তেওঁৰ কবিতা সৰ্বজন সমাহৃত হোৱাৰ অন্যতম কাৰণ ভাষা আৰু ছন্দ। ড° বিৰিঞ্চি বৰুৱাৰ কথাত, "তেওঁৰ কবিতাত ভাষাৰ জটীলতা, শব্দৰ দুৰ্বোধ্যতা আৰু অৰ্থৰ অস্পষ্টতা নাই, তেওঁৰ কাব্যৰ ভাষা শিশুৰ দৰে সৰল, স্বভাব সুন্দৰী ৰমণীৰ দৰে নিৰলঙ্কাৰ।" আৰু বনগীত, বিহুগীতৰ নিচিনা সুৰ তেওঁৰ কবিতাৰ প্ৰধান উপজীব্য। অৱশ্যে বনগীত, বিহুগীতৰ সুৰেই দুৰৰাৰ কাপত বেলেগ ৰূপত অনুৰণিত হৈছে। এনেকৈ দুৰৰাই কবিতাৰ মাজেদি আশা-নিৰাশা, পোৱা-নোপোৱা, হাঁহি-কান্দোন অৰ্থাৎ মানৱ জীৱনৰ সমগ্ৰ ৰূপ ডাঙি ধৰিছে। সংসাৰৰ এজন মানুহ হিচাবে জীৱনৰ প্ৰতিকূল অৱস্থাত মানৱ জীবনৰ কথা

ব্যক্ত কৰিছে। গতিকে মানুহৰ অন্তৰ থাকে মানে দুৰৰা কবিতাই আদৰ পাবই।

১৯৬৪ চনৰ ৫ জুলাইত, চিৰশিশুৰদৰে লাজকুৰীয়া হাঁহিটি দিখৌৰ পাৰত হেৰাই গ'ল। মৰণে কাঢ়ি লৈ গ'ল অভিমানী কবিৰ অন্তৰৰ হাহাঁকাৰ। কবিৰ পুণ্যস্মৃতিত সুঁৱৰি চাইছো কবিৰ "অতীতক যোৱাহে পাহৰি"ৰ আহ্বান। কিন্তু নোৱাৰো। কবিয়ে নিজে পথ বন্ধ কৰিছে। তেওঁৰ ৰচনাক কোনোকালে পাহৰিব নোৱাৰো। চিৰকাল সুঁৱৰিব লাগিব। তেওঁৰ ভাষাত—

"তোমাৰ জীৱনী দেৱ লিখে এনে সাধ্য কাৰ
গোটেই অসম জুৰি বিস্তৃত জীৱনী যাৰ।"

০০০

প্ৰসঙ্গপুথিৰ সহায়ত ঃ "কবি আৰু কবিতা" (হৰিনাৰায়ণ দত্তবৰুৱা) অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত (ড০ সত্যেন্দ্ৰনাথ শৰ্ম্মা)।

## মহৎলোকৰ বাণী

☐ এটি সূৰ্যোদয় জীৱনৰ আৰম্ভণি। প্ৰতিটো সূৰ্য্যাস্ত জীৱনৰ শেষ। এই কম সময়ৰ ভিতৰতে প্ৰতিজন ব্যক্তিয়ে নিজৰ বাবে জ্ঞান আৰু শক্তি আহৰণ কৰাৰ উপৰিও পৰোপকাৰী কামৰ খতিয়ান ৰাখি থব লাগে।

ৰাস্কিন /

☐ আটাইতকৈ অনমনীয় বস্তু হ'ল সত্য ঘটনা, আমি যিয়েই নাভাবো বা ইচ্ছা নকৰো, বা নিবিচাৰো কিয় সত্য ঘটনাৰ স্বাক্ষ্য অপৰিবৰ্তনীয় হৈ থাকে।

জন আডামছ /

☐ অসমীয়াৰ গাত উচ্চ গুণসমূহ নিশ্চয় আছে কিন্তু উপযুক্ত নায়কৰ প্ৰবৃত্তিবোৰে হৃদয় অন্ধকাৰ কৰি থয় আৰু তাৰ পৰা দেশৰ অনিষ্ট সাধন হয়।

সূৰ্য্য কুমাৰ ভূঞা /

☐ ক্ষমতা প্ৰতি লালসা সাহসিকতাৰ পৰিচায়ক নহয়, দুৰ্বলতাৰহে চানেকি।

ই ফ্ৰম /

সংগ্ৰাহিকা ঃ শ্ৰীঅঞ্জনা কটকী
উঃ মাঃ দ্বিতীয় বাৰ্ষিক (দিবা)



# সাম্প্ৰতিক অসমত বিষ্ণুপ্ৰসাদ ৰাভাৰ প্ৰয়োজনীয়তা

**কৰবী ফুকন**
স্নাতক ১ম বাৰ্ষিক

'ব্ৰহ্মাৰ পৰা বেদৰ উৎপত্তি, বেদৰ পৰা যজ্ঞ, যজ্ঞৰ পৰা ধোঁৱা, ধোঁৱাৰ পৰা বৃষ্টি, সেই বৃষ্টিৰ পৰাই সৃষ্টি, শস্য আৰু শস্যৰ পৰাই জীৱন. এয়া কৃষ্টি, সংস্কৃতি আৰু প্ৰগতিৰ চক্ৰ।'

'বিষ্ণুপ্ৰসাদ ৰাভা' এটি মাথো নামেই নহয়— ই এটি বৃহত্তৰ অনুষ্ঠান। সংহতি, সম্প্ৰীতিৰ প্ৰতীক আৰু কিম্বদন্তীৰ উৎস স্বৰূপ যাযাবৰ 'বিষ্টু দা'। এই 'বিষ্টু দা'ই সপোন দেখিছিল স্বাধীনতাৰ — আৰু যুঁজিছিল। মুখত সোণৰ চামুচ লৈ জন্ম গ্ৰহণ কৰি দৰিদ্ৰতাক আঁকোৱালি লোৱা, এটা জাতিক পৰাধীনতাৰ শিকলি ছিঙি স্বাধীনতাৰ দুৱাৰডলিলৈ যোৱাৰ প্ৰচেষ্টা হাতত লোৱা, চিৰ বিদ্ৰোহী এই গৰাকী ব্যক্তি। বড়ো-কছাৰী বংশত জন্ম যদিও উপাধি তেওঁৰ ৰাভা। 'চিফুং' বাঁহীৰ সুৰৰ, সুৰ সমলয়ৰ মাজত লালিত-পালিত যদিও শংকৰী কলাকৃষ্টিৰ প্ৰতি আজন্ম আসক্ত। অসমৰ থলুৱা গীত-মাতে তেখেতক ৰিঙিয়াই মতাৰ দৰে ভাৰতীয় মাৰ্গীয় নৃত্য গীতেও তেখেতক ৰিঙিয়াই মাতে। জন-সাধাৰণৰ মাজত সোমাই তেওঁলোকৰ দুখ-দুৰ্দশাক হিয়াৰ আঁহে আঁহে উপলব্ধি কৰি মুক্তিৰ বাবে বিপ্লৱী সত্বা জগাই তোলোতা তেওঁ শিল্পী সৈনিক। ককাঁলত লোহাৰ শিকলি পিন্ধি অন্ধকাৰ কাৰাগাৰত সুন্দৰৰ এচেৰেঙা 'ধৰণীত মুক্তিময়ীৰ জ্যোতিঁৰ সন্ধান কৰোঁতা জনতাৰ হিয়াৰ আমঠু কলিজাৰ এফাল বিষ্ণুৰাভা। অসমৰ নিষ্পেষিতৰ শুভ-কামনা কৰি সুৰ দেউলৰ ৰূপৰ শিকলি ছিঙি সোণালী দুৱাৰ মুক্ত কৰি শংখ, ঘণ্টা বজাই আৰতিৰে সুন্দৰক যাঁচিলে এপাহি ভক্তি পুষ্পাঞ্জলি—

সুৰৰে দেউলৰে ৰূপৰে শিকলি
ভাঙি দিলি খুলি
দুৱাৰ সোণোৱালী
পূজৰী অ' সুন্দৰ পূজাৰী অ' — — —

বিষ্ণুৰাভা নৱজাগৰণৰ আলোক সন্ধানী। নতুন যুগৰ সুচনা তেওঁৰ বৈপ্লৱিক কামনা। যুগ যুগ ধৰি বিশ্বৰ সাধাৰণ মানৱৰ ওপৰত চলা পুঁজিপতি, সাম্ৰাজ্যবাদী, ক্ষমতালোভীৰ বৰ্বৰ নিপীড়ণ মষিমূৰ কৰাই তেখেতৰ

জীৱনৰ একমাত্ৰ ব্ৰত আছিল। বিপ্লৱৰ পথকে জীৱনৰ পথ বুলি ভবা বিষ্ণুৰাভা কৰ্কট ৰোগত আক্ৰান্ত হয় আৰু লগে লগে সেই বিপ্লৱৰ পথতো কৰ্কট ৰোগ আৰম্ভ হয়। বিষ্ণুৰাভা কমিউনিষ্ট সাম্যবাদী। বিভিন্ন জাতি জনজাতিৰে পৰিবেষ্টিত এই মিলন ভূমিত সাম্যবাদ প্ৰতিষ্ঠা কৰাৰ অনন্য এক সত্বা থকা পথক আজি বিশ্লেষণ কৰাৰ বাবে সিচঁৰিত হৈ থকা যুক্তিৰ অগ্নিশিখাত জলন্ত স্ফুলিংগ ৰাজ্যখনৰ বৰ্তমান পৰিবেশত বিচাৰি পোৱা নাযায়।

জনতা হ'ল অফুৰন্ত ক'লা শিল্পৰ ভঁৰাল। এই জনতাৰ মাজতেই বিষ্ণুৰাভাই শিল্প সৰস্বতীক লাভ কৰিছিল। এইজন সব্যসাচী নিভাঁজ অসমীয়া আৰু হাড়ে-হিমজুৱে ভাৰতীয় মহান ব্যক্তিৰ ১৯০৯ চনৰ ৩১ জানুৱাৰীত অসমত আবিৰ্ভাৱ ঘটিছিল। ৰাভা আছিল অসমৰ খিলঞ্জীয়া সমাজ জীৱনত সৰ্বতোপ্ৰকাৰে, সৰ্বদিশতে প্ৰৱাহিত কৰিব বিচৰা আন্দোলনৰ অন্যতম প্ৰধান সক্ৰিয় অংশীদাৰ। ১৯২৮ চনৰ পৰা ১৯৬৯ চন'লকে অসমৰ সাহিত্য, সংগীত, নৃত্যকলা, চিত্ৰকলা ৰঙ্গমঞ্চ, বোলছবি, খেলপথাৰ আৰু ৰাজনৈতিক আন্দোলনত খলক লগাই জনমানসত এক জীৱন্ত কিংবদন্তিৰ সাধুকথাৰ নায়ক হৈ পৰিছিল বিষ্ণুৰাভা। সমাজ সচেতনতা আৰু গণ-জীৱন গণ-চেতনাৰে সংগঠিত কৰিব পৰা ক্ষমতা ৰাভাৰ আছিল অভূতপূৰ্ব। এইজন বিদ্ৰোহীৰে মূৰৰ মূল্য হৈছিল দহ হেজাৰ টকা। ইয়াৰ উপৰিও তেওঁ বহুতবাৰ জেললৈও যাব লগা হৈছিল। ১৯৬৭ চনত ৰাভা বিধান সভালৈ নিৰ্বাচিত হৈছিল। আৰু ১৯৬৯ চনত সেই অমঙ্গলীয়া ২০ জুনৰ তাৰিখটোতেই কল্যাণ খৰমান বাগত, লহৰত আৰু তালত ৰাভা-জীৱনৰ প্ৰস্থান ঘটিছিল।

আজিৰ অসমত সমন্বয়ৰ ভিত্তিত গঢ়ি উঠা বৃহৎ অসমীয়া সমাজখনৰ পৰিবেশ যিদৰে দূষিত হৈছে, তাত বিষ্ণুৰাভাৰ উদ্দেশ্য বিপন্ন হৈ পৰিছে। বৰ্তমান অসমৰ সৰু বৰ প্ৰতিটো জনগোষ্ঠীৰ লোকৰেই অসন্তুষ্টিৰ অন্যতম প্ৰধান কাৰণ হ'ল, নিজ দায়িত্ব আৰু কৰ্তব্য পালনৰ সলনি কেৱল দাবী আদায়ৰ ক্ষেত্ৰত সৰ্বাধিক গুৰুত্ব দিয়াটো। অসমৰেই নহয়, সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰ সমস্যাসমূহৰ অন্তৰালত ভাষাৰ প্ৰশ্নটোৱে বিশেষ ভূমিকা লৈ আহিছে। প্ৰকৃততে ভাষা বিনিময়ৰ সমন্বয়ৰ মাধ্যম। গাৰ জোৰেৰে ভাষা প্ৰয়োগ কৰিবলৈ বিচৰাৰ প্ৰতিক্ৰিয়া বিভাজনমুখী আৰু বিষময় হৈ পৰে। বৰ্তমান অসমত এনে হৈছে যে, অসমৰ প্ৰতিটো জাতিয়েই নিজৰ নিজৰ মাজত সত্তাৰ হেৰুৱাই ৰাজনৈতিক ভাৱে কাজিয়া পেচাল কৰি নোপোৱাৰ বেদনা খুজিবলৈ আৰম্ভ কৰিছে।

আজিৰ সাম্প্ৰতিক কালত এনে হৈছে যে এটা গোষ্ঠীয়ে আন এটা গোষ্ঠীৰ সংস্কৃতি খাই পেলাব, নিঃশেষ কৰি পেলাব, আমাৰ অস্তিত্ব থাকিব ক'ত, কেনেকৈ, গতিকে আমি প্ৰতি গোষ্ঠীয়ে অকলে অকলে একোটি কৃষ্টিৰ দ্বীপ সাজি থাকোঁ আহঁা বুলি আৰ্তনাদ কৰা দেখা গৈছে। তাতে সুযোগ বুজি ৰক্ষণশীল শোষকেও ৰাজনীতিৰ চাবুকৰে প্ৰত্যেক গোষ্ঠীকে বেলেগে বেলেগে



বান্ধি পেলাবলৈ নানা বিভাজনৰ ফন্দি উলিয়াইছে। অসমৰ কেতবোৰ লোকে বিভাজন ঘটাবলৈ আন্দোলনৰ বিভিন্ন কাৰ্যসূচীত ব্ৰতী হোৱা দেখা গৈছে। বিশেষকৈ বড়োসকলৰ কেতবোৰ যুৱকে "বড়োলেণ্ড আমাৰ জন্ম স্বত্ব' বুলি ঘোষণা কৰিছে আৰু যিকোনো ত্যাগৰ বিনিময়ত ইয়াক আদায় কৰিবলৈ প্ৰতিজ্ঞাবদ্ধ হৈছে। এই দৃঢ়তাৰ বিপৰীতে চৰকাৰে অসম খণ্ডিত নহ'ব বুলি দৃঢ়মত দি আহিছে। আনকি এই বড়োসকলৰেই বহুতে এনে খণ্ডিতকৰণৰ দাবীৰ বিৰোধিতা কৰিছে। টাই-আহোম ছাত্ৰ সন্থা আৰু আকছাই অসমৰ খণ্ডিতকৰণ বিচাৰিছে আৰু ইয়াৰ উপৰিও আৰ্মকাই যুক্তৰাষ্ট্ৰীয় গাঁথনিৰে অসমৰ পুনৰগঠন দাবী কৰিছে।

উজনি অসম ৰাজ্য, বড়োলেণ্ড, মিচিংলেণ্ড, কাৰ্বিলেণ্ড ইত্যাদি দাবীয়ে সামগ্ৰিক ভাৱে যে, অসমৰেই প্ৰভূত ক্ষতি সাধন কৰিছে তেনে নহয়, নিজ নিজ সম্প্ৰদায়ৰো কিমান ক্ষতি কৰিছে সেই কথা সময়েহে প্ৰমাণ কৰিব। আনহাতে অসমৰ এচামলোকে বিচ্ছিন্ন মানসিকতাৰ ৰোগত ভুগি উজনি অসম ৰাজ্য পৰিষদ গঠনৰ দাবী তুলিছিল।

আজিৰ অসমৰ প্ৰতিটো জনগোষ্ঠীৰ লোকে সকলো দিশতে স্বাধীনতা লাভ কৰিছে। তথাপি এনে দাবীৰ অন্তৰালত থকা কাৰণটো হ'ল—সুকীয়া ৰাজ্য গঠনত এই অঞ্চলটো সংখ্যাগৰিষ্ঠ জনগোষ্ঠীৰ লোকসকল অৰ্থনৈতিক ভাৱে উপকৃত হ'ব। এই লোকসকলে অলপো চিন্তা কৰি চোৱা নাই যে ভৌগোলিক দিশত অসমৰ পৰিসৰ তেনেই ক্ষুদ্ৰ। তাতে যদিহে খণ্ডিতকৰণেৰে সৰু সৰু ৰাজ্যগঠন কৰা হয় তেন্তে সমস্যাবোৰ ক্ৰমে জটিলৰ পৰা জটিলতৰ হৈ পৰিব। আনহাতে অসমখন উদ্যোগত ইমানেই পিছপৰা যে, প্ৰতিখন ৰাজ্যতে কেইটা উদ্যোগ আৰু কৃষিৰ উপযোগী মাটি পৰিব সেয়াও নিশ্চয় বিচাৰ্য্যৰ বিষয়েই হৈ পৰিব।

এনে কিছুমান ধাৰণা বৰ্তমান অসমৰ পাৰ্বত্য অঞ্চলবোৰৰ উপৰিও কিছু অঞ্চলত দেখা দিছে যে, অসমীয়া মানেই জনজাতীয় বিদ্বেষী। আনহাতে যুক্তিৰ অবিহনেই আন্দোলনৰ ভাবুকিৰে দাবী আদায় কৰিবলৈ লোৱা দেখা গৈছে। এনে কাৰ্য্যাৱলীয়ে যুৱ সমাজৰ কৰ্মঠ তথা বহল দৃষ্টিভঙ্গীৰ পৰিচয় দিছে বুলি ক'ব নোৱাৰি।

বৰ্তমান এনে পৰিস্থিতিত বিষ্ণুৰাভাৰ দৰে এজন ব্যক্তিৰ আৱশ্যক হৈ পৰিছে। নতুন পুৰুষ, এতিয়াৰ আছু, আবছু, কাৰ্বি ডেকাসকলে মণিপুৰ, নাগালেণ্ডৰ ডেকাসকলে এই পূৰ্ব ভাৰতৰ একে উন্নতিৰ বাবে ভাবিব লাগিব। যিদৰে বিষ্ণুৰাভাই ভাবিছিল। অকল ভৱাই নহয় হাতে কামেও লাগিছিল। যিসকল নতুন পুৰুষে নতুন সমাজ গঢ়িব খুজিছে, সেই ডেকাসকল, জানিব লাগিব যে, বিষ্ণুৰাভাই কোৱাৰ দৰে অসমত থকা সকলো উপাদান লৈহে লুইতখনো হৈছে। তেখেতে কৈছিল উপনদী, নিজৰাবিলাক ব্ৰহ্মপুত্ৰলৈ আহিবই। ব্ৰহ্মপুত্ৰ যদি জঞ্জালত বাম হৈ যায় তেতিয়া ব্ৰহ্মপুত্ৰক ক'ব লাগিব যে, ব্ৰহ্মপুত্ৰলৈ উপনদীবোৰ নাহে, তাত জেং-জাবৰ বহুত গোট খাইছে। এইবোৰ পৰিষ্কাৰ কৰি

ললেহে পানীৰ সোঁত ব্ৰহ্মপুত্ৰলৈ আহিব।

কিন্তু আজি ৰাভাই কোৱাৰ দৰেই ব্ৰহ্মপুত্ৰ বাম হৈ গৈছে। বৰ্ণ, গোষ্ঠী আৰু জনজাতিৰ দাবী আৰু আন্দোলনৰ মাজত সংহতি সাধনৰ বাবে তৎপৰতা ক্ৰমাৎ বৃদ্ধি পোৱা দেখা গৈছে।

ব্যক্তিক আৰু জাতীয় ৰাজনীতিৰ অভিন্ন দৃষ্টিভংগীৰ অবিহনে জনজাতীয় আন্দোলনৰ মাজত স্থায়ী ঐক্য প্ৰতিষ্ঠা সম্ভৱ নহয়। বৰ্ণ, গোষ্ঠী অথবা জনজাতিৰ আন্দোলন নিজা সংকীৰ্ণ গণ্ডী অতিক্ৰম কৰিব নোৱাৰিলে তাৰ লক্ষ্যচ্যুতি যে অনিবাৰ্য্য হৈ উঠে। কোকৰাঝাৰ অঞ্চলৰ ব্যাপক সন্ত্ৰাসবাদী তৎপৰতা তাৰ প্ৰমাণ। গণতান্ত্ৰিক মূল্যবোধৰ প্ৰতি অঙ্গীকাৰ এই ধৰণৰ বিচ্যুতিৰ বিৰুদ্ধে ৰক্ষাকৱচ। আন্দোলনৰ মাজত দৃষ্টিভঙ্গীগত পাৰ্থক্য আৰু ঠায়ে ঠায়ে আত্মঘাতী সংঘৰ্ষৰ বিৰুদ্ধে প্ৰকৃত জনজাতীয় সংহতি গঢ়ি তুলিবলৈ হ'লে বৃহত্তৰ গণতান্ত্ৰিক আন্দোলনৰ সতে সম্পৰ্ক কৰাৰ বাহিৰে উপায় নাই। সকলো সমস্যাৰ সমাধান লাগিবই।

এইজনেই আছিল বিষ্ণুৰাভা যিজনে গোটেই পৃথিৱীৰ কথা জানে। তেওঁ সংকীৰ্ণ বড়ো বা সংকীৰ্ণ তেজপুৰীয়া বা সংকীৰ্ণ অসমীয়া হৈ থকা নাছিল। তেওঁ মাৰ্ক্সীজীম লৈছিল। কিন্তু মাৰ্কচিষ্ট হলে যে, ঈশ্বৰ মানিব নালাগে এই আদৰ্শ তেওঁৰ নাছিল। মাৰ্ক্সীয় দৰ্শনৰ মতে সাম্যবাদী সমাজত মানুহে স্বেচ্ছাই জাতিগত বিদ্বেষ পৰিহাৰ কৰিব। আজিৰ অসমত জাতিগোষ্ঠীক লৈয়েই মূল সমস্যাৰ উদ্ভৱ হৈছে। ইয়ালৈ চাই অসমত এজন বিষ্ণুৰাভাৰ অতি প্ৰয়োজন হৈ পৰিছে। অসমীয়াসকলৰ মাজত জাতীয় চেতনা যিমানেই বৃদ্ধি পাইছে, সিমানেই অসমীয়া সমাজৰ লগত সমন্বয় সাধন কৰিবলৈ বিচৰা কেতবোৰ গোষ্ঠীৰ লোক ক্ষুব্ধ হৈ পৰিছে আৰু সমাজৰ অগ্ৰগতি ব্যাহত হৈ পৰিছে। এই ক্ষেত্ৰত এনে কিছুমান বিষ্ণুৰাভাৰ দৰে নেতাৰ প্ৰয়োজন হৈছে। তেওঁলোকে গঠনমূলক কৰ্ম আৰু চিন্তাৰ পৰিৱেশ গঢ়িবলৈ চেষ্টা কৰিব লাগিব যাতে সামাজিক অগ্ৰগতি ব্যাহত নহৈ বিকাশ হোৱাৰ পথ মুকলি হয়। অসমৰ সকলো সংস্কৃতি মিলাই এক সংস্কৃতি গঢ়ি তুলিবলৈ এজন বিষ্ণুৰাভাৰ প্ৰয়োজন হৈ পৰিছে।

বিষ্ণুৰাভাক সুঁৱৰি কব পাৰি ৰাজনীতিত সাদৃশ্য নাথাকিলেও সংস্কৃতিত মানুহ একে হ'ব পাৰে। বৰ্তমান এজন বিষ্ণুৰূপী শিকাচোৰ প্ৰয়োজন হৈছে। বিষ্ণুৰাভাই যিদৰে সমগ্ৰ ভাৰতকে নিজৰ বুলি লৈছিল আজি সকলোৰে এই ভাব ল'বলৈ হ'ল—কিয়নো আজিৰ মানুহবোৰ এক ঠেকগণ্ডীৰ মাজত সোমাই পৰিছে আৰু তাৰ পৰা ওলাই বিশ্ব দৰবাৰক নিজৰ বুলি আদৰি লবৰ হ'ল। আজি অসমত এনে হৈছে বড়োৱে বড়ো বুলি, কাৰ্বিয়ে কাৰ্বি বুলি কৰলৈ লাজ কৰে। তেনেকুৱা এখন সমাজ বিষ্ণুৰাভাই বিচৰা নাছিল। ৰাভাই বিচাৰিছিল এখন সাহিত্য-সংস্কৃতিৰে ভৰা একতাৰ এখন সুন্দৰ সমাজ। আজি দুৰ্দশাগ্ৰস্ত অসমৰ বাবে প্ৰয়োজন হৈ পৰিছে এজন বিষ্ণুপ্ৰসাদ ৰাভাৰ, এজন সাম্যবাদীৰ।*

(* বিভিন্ন গ্ৰন্থ-প্ৰবন্ধৰ সহায় লৈ লিখা।)



# গীতিকাৰ ভূপেন হাজৰিকা

বৰ্ণালী শইকীয়া
স্নাতক ২য় বাৰ্ষিক [দিবা]

অসম ভূমিৰ এক উজ্জ্বল জোতিষ্ক—অসমৰ আকাশে বতাহে বিয়পি থকা এটি মিঠা নাম — ডক্টৰ ভূপেন হাজৰিকা। "ডক্টৰ হাজৰিকা এতিয়া এটা নাম নহয়। এটি গীত নহয়। এটি অনুষ্ঠান, এটি আন্দোলন। নামেই যাৰ পৰিচয়, পৰিচয়ে যাৰ বক্তব্য, বক্তব্যই যাৰ জীৱন দৰ্শন—সেইজন ব্যক্তি বহুমুখী প্ৰতিভাসম্পন্ন।"

ডক্টৰ ভূপেন হাজৰিকাৰ জন্ম হয় ১৯২৬ চনত শদিয়াত — এক শিক্ষিত আৰু সম্ভ্ৰান্ত পৰিয়ালত। জন্মতে অনাগত প্ৰভিভাৰ আগলি বতৰা কঢ়িয়াই আনি আজি আমাৰ সন্মুখত থিয় হ'ল বিশ্বৰ ভিতৰতে বৰেণ্য ব্যক্তি ৰূপত। ডক্টৰ হাজৰিকাৰ মতে : "মই ক'ত জন্ম ললোঁ, কেতিয়া জন্ম ললোঁ—সেয়া বিশেষ ডাঙৰ কথা নহয়। কিন্তু দৰকাৰী কথা হ'ল……মই জন্মৰে পৰা এনে এটা পৰিৱেশ পালোঁ যি পৰিৱেশে মোক এনেদৰে হ'বলৈ শিকালে। আমাৰ সংগীতমুখৰ ঘৰখনত দেউতা, মা আৰু মোৰ স্বৰ্গগত মামা মোৰ সাধনাৰ প্ৰথম উৎস আৰু প্ৰেৰণা আছিল। দেউতাই গীত লেখে, আমাক গাবলৈ দিয়ে, আমি গাওঁ। এবাৰ মোক দেউতাই গুৱাহাটী কটন কলেজিয়েট স্কুলত ধুতি-পাঞ্জাবী পিন্ধাই এখন মেজৰ ওপৰত তুলি দিলে। মই তেতিয়া এটা গীত গালোঁ—সভাত উপস্থিত থকা এজন গুণী ব্যক্তিয়ে মোৰ গালত চুমা খাই আৰ্শীবাদ দি ক'লে : বৰ ডাঙৰ শিল্পী হ'ব। ডাঙৰ শিল্পী হ'বলৈ আশীৰ্বাদ কৰা এই ব্যক্তিজনেই আছিল সাহিত্যৰথী বেজবৰুৱা।"

শিশুকালতে কপালত আঁকি দিয়া সাহিত্যৰথী বেজবৰুৱাৰ চুমাটি — তেখেতৰ ৰচনাৰ প্ৰথম আৰ্শীবাদ বুলি আকোৱালি লৈ সুৰৰ জগতলৈ, গীতৰ জগতলৈ ওলাই আহিল। এই যে গীতৰ সভালৈ ওলাই আহিল 'যিমানেই বিলাই দিবা সিমানেই মহান হবা' বুলি অসমৰ সংস্কৃতিৰ ধ্বজা উৰুৱাই এইজন গীতিকাৰ, সুৰকাৰ, গায়ক—পিছলৈ উভতি নোচোৱাকৈ মাথো আগুৱাইছে। জীৱনৰ বাটত কত যে আঘাত, সংঘাত — তথাপি ক্লান্তি

নাই—সমূহ আঘাতকে আৰ্শীবাদ ৰূপে বুটলি লৈছে। লক্ষ্যক ধিয়াই আগুৱাই গৈ আছে। অসাধাৰণ প্ৰতিভাৰে গীত, সাহিত্য আৰু কথাছবিৰ সৃষ্টি কৰি অসমীয়া সমাজত অভিনৱ যুগ চেতনাৰ অৱতাৰণা কৰিছে। সাহিত্য-ৰথী বেজবৰুৱাই দিয়া স্নেহ চুম্বনে হাজৰিকাৰ প্ৰাণত হেন্দোলনি তুলি গ'ল। অসমীয়া ভাষাৰে সুৰ মাধুৰী সৃষ্টি কৰিবৰ কাৰণে তেওঁ আকুল হ'ল। সেয়েহে তেওঁ অতি কম বয়সৰে পৰা নানা মনোমোহা গীত সৃষ্টি কৰিবলৈ ধৰিলে। তেখেতৰ প্ৰথম গীতটি হ'ল—

কুসুম্বৰ পুত্ৰ শ্ৰীশঙ্কৰ গুৰুৱে ধৰিছিল
নামৰে তান,
নামৰে সুৰতে আনন্দত নাচিছিল পৱিত্ৰ
বৰদোৱা থান
মোৰ গুৰু ঐ পৱিত্ৰ বৰদোৱা থান ॥

— এই গীতটো তেওঁ স্কুলীয়া ছাত্ৰ হৈ থা.কোঁতেই ৰচা। হাজৰিকাদেৱে প্ৰথম যিটো গীত সুৰ দিছিল সেই গীতটিৰ ৰচনা আছিল তেখেতৰ পিতৃ ৺নীলকান্ত হাজৰিকাৰ। গীতটিৰ ৰচনা কাল ১৯৩৪ চন—

'অ' মইনা কেতিয়া আহিলি তই
অহাৰে লগতে বননিৰ মাজতে
ফুলে বৰণীয়া জাঁই ॥

বৃটিছ শোষণকাৰীৰ অত্যাচাৰ আদি কুমলীয়া বয়সতে দেখিবলৈ পাই তেওঁৰ মানৱাত্মা জাগি উঠে পৰাধীন দেশৰ নাগৰিকসকলে ভুগিব-লগীয়া হোৱা শাৰীৰিক আৰু মানসিক নিৰ্য্যাতন বিলাকৰ প্ৰতি। স্বদেশ অনুৰাগৰ অগনিৰে ভূপেন হাজৰিকাই ষোল্ল বছৰ বয়সতে ৰচনা কৰে তেওঁৰ দ্বিতীয় গীত, "অগ্নি যুগৰ ফিৰিঙতি মই"। স্কুলীয়া ছাত্ৰ হিচাপে তেওঁ দুবছৰমান ধুবুৰীত, দুবছৰমান গুৱাহাটীত আৰু শেষৰ চাৰিবছৰমান তেজপুৰত পঢ়েগৈ। তেজপুৰৰ পৰাই তেওঁ ১৯৪০ চনত মেট্ৰিক পাছ কৰে। কটন কলেজৰ পৰা ইণ্টাৰমেডিয়েট পৰীক্ষা পাছ কৰে ১৯৪২ চনত। স্নাতক পৰীক্ষা পাছ কৰে ১৯৪৪ চনত বেনাৰচ হিন্দু বিশ্ববিদ্যালয়ৰ পৰা। বেনাৰচ হিন্দু বিশ্ববিদ্যালয়ৰ পৰাই ৰাজনীতি বিজ্ঞানত এম, এ, পাছ কৰে ১৯৪৬ চনত। আমেৰিকাৰ কলম্বিয়া বিশ্ববিদ্যালয়ৰ পৰা শিক্ষা বিজ্ঞানত এম, এ পাছ কৰে ১৯৫০ চনত। নিউইয়ৰ্ক কলম্বিয়া বিশ্ববিদ্যালয়ৰ পৰা "Role of mass communication in India's Adult Education"ত পি-এইচ,ডি উপাধি লাভ কৰে ১৯৫২ চনত।

ভূপেন হাজৰিকাই তেওঁৰ গীতত নিজৰ সৌন্দৰ্য পিয়াসী মনৰ পৰিচয় দিছে। ভূপেন হাজৰিকাৰ সৌন্দৰ্য্যবোধৰ ঘাই লক্ষণ হৈছে ইন্দ্ৰিয়াসক্তি। "বিমূৰ্ত্ত মোৰ নিশাটি যেন মৌনতাৰ সূতাৰে বোৱা এখনি নীলা চাদৰ," "গুপুতে গুপুতে কিমান খেলিম আলিঙ্গনৰ এই খেলা" আদিৰ দৰে ইন্দ্ৰিয়াসক্তিৰ পৈণত প্ৰকাশে তেওঁৰ গীতবিলাকক বিশেষ ৰূপ দিছে। হাজৰি-কাৰ ইন্দ্ৰিয়াসক্তি কিছু পৰিমাণে স্বাদ আসক্তি আৰু বহু পৰিমাণে স্পৰ্শৰ আসক্তি। তেওঁৰ কাৰণে নীলা চাদৰৰ ভাঁজটোত মিঠা, সুগন্ধি সনা আবেশত মিঠা, তেওঁৰ প্ৰেয়সীও তেওঁৰ কাৰণে যৌৱনৰ এক তৃষা, শ্বিলঙৰ মনালিচাৰ লগতো তেওঁ লগ পাবলৈ বিচাৰে—'অদূৰ মধুৰ কোনোবা ৰাতিপুৱা'। স্পৰ্শৰ সহায়ত তেওঁ ইন্দ্ৰিয়াসক্তিৰ অনুভূতি নিটোলভাৱে প্ৰকাশ কৰিব পাৰিছে। "দেহৰ ৰন্ধ্ৰে ৰন্ধ্ৰে তুলিলে শিহৰণ তোমাৰ ওঁঠৰ পৰশে," "কম্পিত বুকুতে আকলুৱা দুটি বাহু মৰম বলিয়া," "শেৱালি কোমল হাঁহি" আদি স্পৰ্শ অনুভূতিৰে সৌন্দৰ্যক স্পৰ্শ কৰাৰ আকুল হেঁপাহ তেওঁৰ গীতত সততে বিদ্যমান।

ডক্টৰ ভূপেন হাজৰিকা এজন প্ৰেমিক মানুহ। তেওঁ বাৰ নে তেৰ বছৰ বয়সতে যি প্ৰেম-সাগৰত বুৰ মাৰিছিল, সেই সাগৰৰ নীলা-খিনিত তেওঁ এতিয়াও সাঁতুৰি আছে অথচ তাক সাঁতুৰি পাৰ হব'ও পৰা নাই—তাৰ প্ৰচণ্ড ঢৌত ডুব যোৱা নাই। তেওঁ কেৱল প্ৰেমৰ সাগৰত দিক্‌বিহীনভাৱে উটি ফুৰিছে। তেওঁ এনে এগৰাকী নাৰীৰ সান্নিধ্য বিচাৰিছিল যাৰ মৰমৰ মাতে নিষ্ঠুৰ জীৱনৰ সংঘাতত অৱসন্ন হোৱা মনটোক আনন্দেৰে ভৰপূৰ কৰিব। সেয়ে তেওঁ লিখিছে—

আকাশী গঙ্গা বিচৰা নাই
নাই বিচৰা স্বৰ্ণ অলঙ্কাৰ
নিষ্ঠুৰ জীৱনৰ সংগ্ৰামত
বিচাৰো মৰমৰ মাত এষাৰ।

ভূপেন হাজৰিকাৰ আশাৰ পাল সমাজৰ সংকীৰ্ণ বিচাৰ-বুদ্ধিৰ বৰদৈচিলাই বিচুৰ্ণ কৰিলে। "সুৰ নগৰীৰ সুৰৰ কুমাৰে সপোন সনা ৰাম-ধনুৰ ৰহণ হেৰুৱাৰ" দৰে হাজৰিকাদেৱে তেওঁৰ প্ৰেয়সীক হেৰুৱালে। তাৰ পিছত তেওঁ বৈবাহিক জীৱন আৰম্ভ কৰিলে ১৯৫০ চনত। "মই যেতিয়া এই জীৱনৰ মায়া এৰি গুচি যাম আশাকৰোঁ মোৰ চিতাৰ কাষত তোমাৰ সহাৰি পাম"—যাৰ সৈতে একেটি পাত্ৰতে মদিৰা পূৰ্ণ হৈছিল সেই গৰাকী জীৱন সংগিনী হ'ল প্ৰিয়ম হাজৰিকা। দুৰ্ভাগ্যবশতঃ তেওঁৰ বৈবাহিক জীৱন সুখৰ নহ'ল—আশাৰ তৰী যেন নিৰাশাৰ বালিত লাগি গ'ল। অকলশৰীয়া পথেদি তেওঁৰ মৰমে মৰম বিচাৰি গ'ল—'মোৰ মৰমে মৰম বিচাৰি যায়।"

মাতৃপ্ৰিয় ভূপেন হাজৰিকাই তেওঁৰ জন্মভূমি অসমকো মাতৃৰ ৰূপতে দেখিছিল। অসম মাতৃৰ প্ৰতি থকা তেওঁৰ প্ৰেম নানা ৰূপত নানা গীতত প্ৰকাশ পাইছে। তেওঁৰ গীতে প্ৰত্যেক অসমীয়াৰ হৃদয়তে অসমৰ ছবিখন বিশেষভাৱে সজীৱ কৰি ৰাখে। তেওঁৰ অসম ভাৰতৰ পূৰ্ব্ব দিশৰ 'সূৰ্য্য উঠা দেশ", "ওখৰা-মোখৰা সেউজীয়া লহৰ পতা" সেই অমৰাপুৰী অসম। অসমৰ মানুহবিলাকৰ জীৱনৰ সৰু-সুৰা কাহিনীবোৰেও তেওঁৰ মন প্ৰাণ আকৰ্ষণ কৰে; অসমৰ প্ৰতি অনুৰাগে তেওঁক আত্ম-হাৰা কৰি পেলায়। অসম আৰু অসমীয়াৰ বাবে মৰমৰ গীত গাই ভূপেন হাজৰিকা আত্মহাৰা।

'বুকু হম হম কৰে' গীতটো তেওঁ ১৯৬২ চনৰ চীনৰ আক্ৰমণৰ সময়ত ৰচা। চীনা সৈন্য আহি তেজপুৰৰ কাষ পোৱাত অসমত সন্ত্ৰাসৰ সৃষ্টি হ'ল। সেই সময়ত হাজৰিকাৰ মাতৃ অসুস্থ হৈ তেজপুৰত আছিল

আৰু তেওঁ নিজে কলিকতাত আৱদ্ধ হ'ব লগীয়াত পৰিছিল। এপিনে নিজৰ মাতৃৰ দুৰৱস্থাৰ আৰু আনপিনে দেশমাতৃৰ দুৰ্গতিৰ ভয়ত তেওঁৰ বুকু হম্ হম্ কৰিবলৈ ধৰিলে। সেই দুৰ্যোগৰ পটভূমিত ৰচা এই গীতটোত অসমী আইৰ প্ৰতি আন্তৰিক প্ৰেমৰ চৰম অভিব্যক্তি প্ৰকাশ কৰিছে।

ডক্টৰ ভূপেন হাজৰিকাই গীতৰ মাজেৰেই নিজকে ব্যাপকভাৱে প্ৰকাশ কৰিছে। তেওঁ গীতিকাৰ—সুৰকাৰ। গীতৰ সাগৰত নিজকে উটুৱাই লৈ গৈছে বিৰামহীন ভাৱে। জীৱনৰ আবেগ, কল্পনা, সপোন আৰু কবি-প্ৰাণৰ উচ্ছ্বাস তেওঁৰ গীতবিলাকত সদায় মুখৰিত। তেওঁ নিজকে কেতিয়াবা যাযাবৰ দেখিছে, কেতিয়াবা নিজকে—'অগ্নিযুগৰ ফিৰিঙতি' বুলি কৈছে, কেতিয়াবা নিজকে সুউচ্চ পাহাৰলৈ উঠা "প্ৰেমিক অশ্বাৰোহী" বুলি ভাবিছে।

কটন কলেজৰ নৱাগত ছাত্ৰৰ আদৰণি উৎসৱৰ উপলক্ষে ৰচা "স্নেহেই আমাৰ শ্ৰাৱণত ধাৰাসাৰ বৃষ্টিৰ প্লাৱন আনে" গীতটোৱে সমূহ অসমীয়া ছাত্ৰৰ মনত মৰম চেনেহৰ আৰু বিদ্যা সাধনৰ বাবে নতুন পুলক সদায়ে জগাব। চীন-ভাৰতৰ যুদ্ধৰ সময়ত "কত জোৱানৰ মৃত্যু হ'ল"—গীতটোৰ দ্বাৰা তেওঁ সকলোৰে হৃদয়ত মৃত জোৱানসকলৰ প্ৰতি কৰুণাৰ অশ্ৰু বোৱাবলৈ সক্ষম হৈছিল। সেইদৰে 'ৰণক্লান্ত নহওঁ, ৰণক্লান্ত নহও' গীতটোৱে সকলোকে দেশৰ হকে যুঁজিবলৈ অনুপ্ৰাণিত কৰিছিল।

১৯৬৮ চনৰ মাৰ্চ মাহত মাজুলীত বংগীগোপাল নাট্য মন্দিৰত এক আড়ম্বৰপূৰ্ণ অনুষ্ঠানত ডক্টৰ ভূপেন হাজৰিকাক সেই সময়ৰ অসম সাহিত্য সভাৰ সভাপতি অতুল চন্দ্ৰ বৰুৱাই 'সুধাকণ্ঠ' উপাধিৰে বিভূষিত কৰি সন্মানৰ শৰাই আগবঢ়ায়। ১৯৬৩ চনত শিৱসাগৰ জিলাৰ নাজিৰাত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ ত্ৰিংশ বাৰ্ষিক অধি-বেশনত সাংস্কৃতিক সন্মিলনৰ সভাপতি ৰূপে ডক্টৰ হাজৰিকা আমন্ত্ৰিত হৈছিল। সেই সন্মিলনীত সভাপতিৰ অভিভাষণ পাঠ কৰাৰ লগতে পোন প্ৰথমবাৰ এটি গীতি-কবিতা, আবৃত্তি কৰে। গীতি কবিতাটি হ'ল—'প্ৰশ্ন ধুমুহাই প্ৰশ্ন কৰিলে মোক তোমাৰ প্ৰাপ্য কি কোৱা।'

জীৱনৰ পোহৰ বিচাৰি বিকাশৰ পথত পদক্ষেপ দি ন-দিগন্তলৈ সাহসী নাৱিকৰ দৰে লক্ষ্যৰ পানচৈ উৰুৱাই ডক্টৰ হাজৰিকা আগবাঢ়ি গৈ আছে। "সময়ৰ পখী ঘোঁৰাত উঠি" তেওঁ মাথো আগুৱাইছে আৰু তাৰ লগতে অসমীয়া জাতিক তেওঁৰ কৃত্বিতৰে ধন্য কৰিছে। অগ্নিযুগৰ ফিৰিঙতি হৈ সৰ্বহাৰাৰ সৰ্বস্ব ফিৰাই নতুন ভাৰত গঢ়াৰ প্ৰচেষ্টাৰে অসমক মহান কৰি তোলাৰ প্ৰয়াস কৰিছে। অসুন্দৰক আঁতৰাই সুন্দৰক আহ্বান জনোৱাই ডক্টৰ হাজৰিকাই জীৱনৰ স্বপ্ন। "সাঁচিপাতে ভাষা দিব, টিক্‌ছে আশা দিব—ৰংঘৰে মেলিব দুৱাৰ"— সেই ভাষাই, সেই আশাই আমাৰ লুইতৰ পাৰ জিলিকাই তুলিব। অসমৰ আকাশে বতাহে সুৰৰ ধ্বনি বিয়পাই গোটেই দেশ মুখৰিত কৰিছে। 'জনতাৰ জীৱনক' আপোন কৰি লৈ জনজীৱনৰ বুকুৰ সুৰ আৰু উম বিচাৰি 'বিস্তীৰ্ণ পাৰৰে বুঢ়া লুইত', 'পদ্মা-গঙ্গা আমাৰ মা'ক আশ্ৰয় কৰি সিন্ধু হৈ ভল্গা, ৰাইন আৰু টেমচ আৰু মিচিচিপিয়েদি ঘূৰি সাগৰ সঙ্গমত সাঁতুৰিছে অবিৰাম। তেখেত অকল অসমৰে নহয় সমগ্ৰ বিশ্বৰে গৌৰৱ—"গীত গাই কঁপাম দিগন্ত"—বুলি হেজাৰ হেজাৰ শ্ৰোতাৰ মন মন্দিৰত প্ৰৱেশ কৰি শ্ৰোতা ৰাইজক অমৃত-সুধা পান কৰাবলৈ সক্ষম হৈছে। সেইজনেই আমাৰ বৰেণ্য ডক্টৰ ভূপেন হাজৰিকা যিজনে শ্ৰোতা ৰাইজক তেওঁৰ গীতৰ প্ৰধান অলঙ্কাৰ বুলি কৈছে—

"মোৰ গীতৰ হেজাৰ শ্ৰোতা
তোমাক নমস্কাৰ
গীতৰ সভাত তুমিয়েতো
প্ৰধান অলঙ্কাৰ ॥" *

---

* বিভিন্ন গ্ৰন্থ, প্ৰবন্ধৰ সহায়ত যুগুত কৰা হৈছে।

# অম্বিকাগিৰী ৰায়চৌধুৰীৰ ব্যক্তিত্ব আৰু প্ৰতিভা

সান্ত্বনা কটকী
স্নাতক ২য় বাৰ্ষিক [দিবা]

প্ৰকৃতিৰ লীলাভূমি আই অসমীৰ সেউজীয়া অনুপম সৌন্দৰ্য্যত লোহিত সলিলাই কেতিয়াবা ধীৰ স্থিৰ আৰু কেতিয়াবা উত্তাল তৰংগেৰে প্ৰৱাহিত হৈ আছে। একালৰ পুণ্যভূমি মৰতৰ স্বৰ্গস্বৰূপা, গৰিমামণ্ডিত, ঘঁাহনিৰ শ্যামলিমা, বিহংগৰ কূজন, ভোমোৰাৰ গুঞ্জনেৰে গুঞ্জৰিত প্ৰকৃতিৰ ৰাণীস্বৰূপা অসমভূমিৰ বৰপেটা নামৰ ঠাইত কৃষ্ণৰাম ৰায়চৌধুৰীৰ ঔৰসত আৰু দেৱকী দেৱীৰ গৰ্ভত ১৮৮৫ খৃষ্টাব্দৰ ডিচেম্বৰ মাহত অম্বিকাগিৰী ৰায়চৌধুৰীৰ জন্ম হয়। বংশৰ প্ৰদীপ-স্বৰূপ, সৎপুত্ৰ হিচাপে অম্বিকাগিৰী ৰায়চৌধুৰী সৰুৰে পৰাই আছিল কৰ্ম আৰু চিন্তাত অসাধাৰণ, সৎস্বভাৱসম্পন্ন, কোমল অন্তৰৰ, সাহসী আৰু মেধাৱী। শাৰীৰিক আৰু মানসিক ভাৱে তেওঁ আছিল আদৰ্শবান। কিন্তু অম্বিকাগিৰী নিচেই বাল্যকালতে ভাগ্যৰ দাস হ'বলগীয়া হয় তেওঁৰ পিতৃৰ অকাল বিয়োগৰ বাবে। মাতৃ দেৱকী দেৱীয়ে স্বামী বিয়োগত কাতৰ হৈ উঠিছিল যদিও পিতৃ গৃহৰ সহায়ে ধৈৰ্য্য আৰু সাহস যোগোৱাৰ লগতে মাউৰা ল'ৰা-ছোৱালীকেইটিক মানুহ কৰাৰ চেষ্টা চলাই গ'ল। অম্বিকাই অতি শিশু অৱস্থাৰ পৰাই খেল-ধেমালি, স্ফূৰ্তি-তামাচাৰ মাজেদি নিজৰ কৰ্তব্যৰ প্ৰতিও সচেষ্ট আছিল আৰু পাঠশালাত মেধা ছাত্ৰ হিচাপে স্বীকৃতি লভিছিল। কিন্তু পিতৃহীন সন্তানে পাব লগা কষ্টৰ পৰা অব্যাহতি নোপোৱাৰ বাবে পাছত তেওঁ পেহীয়েকৰ ল'ৰা হৰমোহন চৌধুৰীৰ তত্বাৱধানত গুৱাহাটীত পুনৰ শিক্ষা লাভৰ বাবে ১৮৯৯ চনত বৰপেটাৰ পৰা গুৱাহাটীলৈ যাত্ৰা কৰে। ইয়াৰ পিছত গুৱাহাটীত সোনাৰাম হাইস্কুলৰ ছাত্ৰ হিচাপে ভৰ্ত্তি হয় যদিও অসমীয়াৰ ওপৰত কৰা অত্যাচাৰৰ প্ৰতিবাদ, সোৰোপা অসমীয়াক বহিঃশত্ৰুৱে গ্ৰাস কৰাৰ চেষ্টা কৰোঁতেই তেওঁৰ এইবোৰৰ বাবে বহুতৰ পৰা সহায় বিচাৰি কোনো ধৰণৰ সঁহাৰি নোপোৱাৰ বাবে 'জাতি অবিহনে জীৱন ব্যৰ্থ' বুলি প্ৰতিজ্ঞাবদ্ধ হয়, আৰু ১৫/১৬ বছৰ বয়সতে চুটি-চাপৰ দেহটোত সাহস গোটাই অসম জাতীয় স্বাৰ্থ ৰক্ষাৰ বাবে উঠি পৰি লগাৰ বাবে অষ্টমমান শ্ৰেণীতে বিদ্যা শেষ কৰিব লগা হয়।

ৰায়চৌধুৰীয়ে ৰাজনীতিৰ আণ্টেনীৰ মাজত সোমাই পৰাৰ পাছত সমসাময়িক ৰাজনৈতিক উতলা বতাহে তেওঁক স্কুল ত্যাগ কৰিবলৈ বাধ্য কৰায় আৰু সম্পূৰ্ণভাৱে ৰাজনীতিৰ মেৰপাকত সোমাই পৰে। স্বাধীনতা সংগ্ৰামৰ উদ্বিগ্নতাৰ বাবে সমগ্ৰ দেশ তথা ডেকাশক্তি সন্ত্ৰস্ত হৈ পৰাৰ বাবে "সন্ত্ৰাসবাদ"ৰ মাধ্যমেৰে বিদেশী শাসনৰ পৰা ভাৰতমাতৃৰ শৃংখল চিঙাৰ প্ৰস্তুতি চলালে। বংগ-ভংগ আন্দোলনে ভাৰতবৰ্ষই অতদিনে উমাই থকা অসন্তুষ্টিৰ তুঁহ-জুইকুৰা দপ্‌দপ্‌কৈ জ্বলাই তুলিলে। ১৯০৫ চনৰ বংগ-ভংগ আন্দোলনৰ লগে লগে বিদেশী বৰ্জন আৰু স্বদেশী গ্ৰহণ কাৰ্য্যক্ৰমণিকা, ১৯২৯-৩০ লৈ অসহযোগ আন্দোলন তথা ১৯৪২ ৰ জুলাই মাহত "ভাৰত ত্যাগ প্ৰস্তাব" আদি সকলো কাৰ্যাসূচীতে অংশ গ্ৰহণ কৰি জীৱনৰ শেষ সন্ধিয়ালৈকে অসমীয়াৰ হ'কে যুঁজি গ'ল।

গীতিকাৰ আৰু সুৰকাৰ হিচাপে স্বীকৃত ৰায়চৌধুৰী এজন সুগায়কো আছিল। তেওঁ ১৯২৬ চনত পাণ্ডুত বহা ভাৰতীয় কংগ্ৰেছৰ ৪৬তম্ অধিবেশনত উদ্বোধনী গীত হিচাপে গোৱা তেওঁৰ দ্বাৰা ৰচিত "আজি বন্দো কি ছন্দেৰে" গীতটিয়ে বিশ্ববিয়পা খ্যাতি অৰ্জন কৰিবলৈ সক্ষম হয়। তাৰ উপৰি অসম ছাত্ৰ সন্মিলনী, বংগ সাহিত্য পৰিষদ আৰু বিভিন্ন অনুষ্ঠান আদিত গীত পৰিবেশন কৰি সুখ্যাতি অৰ্জন কৰিছিল। সেয়েহে অতুলচন্দ্ৰ হাজৰিকাৰ ভাষাৰে : "প্ৰাচীন অসমীয়া গীত-মাত আৰু থলুৱা গীত-মাতৰ প্ৰচলন কৰোঁতাসকলৰ ভিতৰত অম্বিকাগিৰী ৰায়চৌধুৰী অন্যতম শীৰ্ষস্থানীয় ব্যক্তি।"

এইবোৰৰ উপৰিও অম্বিকাগিৰীয়ে প্ৰতিক্ষণতে জীৱন-সত্যক উপলব্ধি কৰাৰ লগতে সকলো অসমীয়া ডেকা-গাভৰুকে শাৰীৰিক আৰু মানসিক শক্তিত কায়মনোবাক্যে একমুখী হৈ কঠোৰ সাধনাৰ দ্বাৰা সমগ্ৰ মানৱ জগতত সাম্য, শান্তি স্থাপনৰ আদৰ্শ আগত ৰাখি নিজৰ স্থিতিক প্ৰস্তুত কৰিবলৈ নিশ্চিন্তভাৱে সকলোকে আগুৱাই যাবলৈ অনুৰোধ কৰিছিল। "শঙ্কৰদেৱ চাৰ্কাচ পাৰ্টি" নামৰ এটি অনুষ্ঠান গঠন কৰি যুৱক-যুৱতীসকলক শাৰীৰিক ব্যায়ামৰ প্ৰতি ধাউতি বঢ়াবলৈ চেষ্টা কৰাৰ উপৰিও ফুটবল খেলা, ব্ৰহ্মপুত্ৰত সাঁতোৰা আদি কাৰ্য্যও তেওঁ হাতত লৈছিল। তেওঁ কৰ্মবিমুখ এলেহুৱা সোপা-সেৰেলুৱা হোৱাৰ পৰিবৰ্তে দেশৰ মৰ্য্যাদা ৰক্ষাৰ বাবে কাম-কাজ, কথা-বতৰাত পৰিস্ফুট হৈ পৰিছিল। তেওঁৰ সাহসী হিয়া, উচ্চ অভিলাস আৰু অন্যায়ৰ বিপৰীতে দৃঢ় প্ৰতিজ্ঞ। তেওঁ ৰচনা কৰা "ভাৰত বন্দিনী" নাটৰ অভিনয়ে আৰু বিশেষকৈ এন'কিষ্ট দলৰ কামত বেচিকৈ মনোনিবেশ কৰাৰ বাবেই তেওঁ বৃটিছ চৰকাৰৰ পৰিপন্থী যেন সন্দেহ হৈ পৰে আৰু শেষত ১৯০৫ খৃষ্টাব্দৰ পাছত তেওঁক নজৰবন্দী অৱস্থাত ৰাখে যদিও তেওঁৰ জীৱনৰ কেকুঁৰি অন্যফালে ঢাল খালে।

কোম্পানী শাসনৰ কুফল হিচাপে সমসাময়িক সমাজৰ অসমীয়া ভাষা-সাহিত্য এলাগীৰ দৰে চকুপানী টুকি কোনোমতে জীয়াই থকাৰ উপক্ৰম হোৱাত নজৰবন্দী অৱস্থাতে ৰায়চৌধুৰীয়ে ভাষা-সাহিত্যৰ অস্তিত্ব সংগ্ৰামত আত্মনিয়োগ কৰি অমিতাক্ষৰ ছন্দত নিজে ৰচনা কৰি নাটৰ মাজতে কীৰ্তনৰ পদ আদিৰ সমন্বয়ত নানা ধৰণৰ গীত-মাতেৰে পৌৰাণিক কাহিনীৰ মাজত অসমীয়া লোক জীৱনত অসমীয়া নাট্য-সাহিত্যক পুষ্ট কৰিবলৈ অহোপুৰুষাৰ্থ কৰিছিল। ইয়াৰ পৰৱৰ্তী কালছোৱাত আগ্ৰহী কলামোদী-সকলক লৈ ৰায়চৌধুৰীয়ে "সনাতন সংগীত সমাজ" নামৰ অনুষ্ঠান এটি গঠন কৰে আৰু এই অনুষ্ঠানটিৰ সৌজন্যত "জয়দ্ৰথ বধ" নাটকখন মঞ্চাভিনয় কৰি বঙলা ভাষাৰ নাট্যাভিনয়ৰ প্ৰচলন নিপাত কৰি সাংস্কৃতিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক দিশত অসমীয়াৰ ন্যায্য দাবী প্ৰতিষ্ঠা কৰিবলৈ তেওঁ সক্ষম হয়। তাৰ উপৰি 'কল্যাণময়ী' নাটখন 'আৱাহন'ত ছোৱা ছোৱাকৈ প্ৰকাশ কৰাৰ লগতে, নিজকে সান্ত্বনা দিবৰ নিমিত্তে হাৰমনিয়াম, বেহেলা, তবলা আদি শিকি 'বৰগীত' ঘোষা, দেহবিচাৰৰ গীতাদিৰ সানমিহলি সুৰেৰে অসমীয়া সুৰত পৰিচয় দিব পৰাকৈ গীতবোৰ ৰচনা কৰিলে, শেষত এই নজৰবন্দী অৱস্থাই ৰায়চৌধুৰীৰ জীৱনলৈ আনি দিলে নতুন প্ৰাচুৰ্য্য, আত্মভৰা বিশ্বাস আৰু প্ৰত্যয়।

বিংশ শতাব্দীৰ প্ৰাৰম্ভৰে পৰা অসমৰ জাতীয় জীৱনৰ হ'কে অৱিহণা যোগাওঁতা সকলৰ ভিতৰত ৰায়চৌধুৰী আছিল অন্যতম। কিন্তু সেই বুলি তেওঁক দেশভক্ত, লোকপ্ৰিয়, ত্যাগবীৰ আৰু সাহিত্য চৰ্চাৰ বাবে পাবলগীয়া সন্মান; নাট্য-সংগীত কলা-কৃষ্টিৰ ক্ষেত্ৰত পাব পৰা প্ৰশংসাসূচক সন্মানৰ বিপৰীতে তেওঁ পাইছে কি? অথচ তেওঁ আছিল একেৰাহে মুক্তি যুঁজাৰু, সাহিত্যিক, গীতিকাৰ, আৰু সাংবাদিক। তেওঁৰ জীৱন আৰু কবিতাৰ মাজতো ৰায়চৌধুৰীৰ স্বাধীনতা সংগ্ৰামত ভূমিকাৰ বিষয়ে স্পষ্টভাৱে ধৰা দিছে। বংগ-ভংগ আন্দোলনৰ সময়তে আবিৰ্ভাৱ হৈ ৰায়চৌধুৰীয়ে দেশাত্মবোধ আৰু সন্ত্ৰাসবাদকে আহিলা হিচাপে লৈ বিদ্ৰোহৰ জুইকুৰা প্ৰজ্বলিত কৰাত প্ৰায় সাতবছৰ কাল নজৰ-বন্দী হিচাপে কাল কটাবলগীয়া হয়। তেওঁৰ দ্বাৰা ৰচিত 'শতধাৰ' অশান্ত মনৰ উজ্জ্বল প্ৰতিচ্ছবি।

বিংশ শতিকাৰ তৃতীয় দশকত তেওঁৰ দৰ্শনৰ সাল-সলনি হোৱা ৰায়চৌধুৰীৰ ৰাজনৈতিক জীৱন বিশ্লেষণত পৰিদৃষ্ট হয় আৰু সমসাময়িক সমাজত হোৱা অসমীয়া ভাষা-সাহিত্যৰ সংকটৰ বাবেই অসমৰ ন্যায্য দাবী পূৰণ —বিশেষকৈ চাকৰিত অসমীয়া ডেকাৰ নিযুক্তিৰ ক্ষেত্ৰত গুৰুত্ব দি 'অসম সংৰক্ষিণী সভা', 'অসম জাতীয় মহাসভা' নামৰ সংগঠন গঢ়ি তুলিছিল। তাৰ উপৰি তেওঁ 'অসম অসমীয়াৰ' আদি আন্দোলনো কৰিছিল। মুঠতে ৰায়চৌধুৰীৰ অসমীয়াৰ স্বাৰ্থৰ প্ৰতি থকা প্ৰবল দৰ্শনৰ বাবেই সমগ্ৰ অসমবাসীয়ে তেওঁক "অসম কেশৰী" বুলি জানিলে আৰু কোনো কোনোৱে তেওঁক অসমৰ "হিটলাৰ"ও বুলিছিল। অম্বিকাগিৰীয়ে আশ্বাসৰ বাণীৰে আত্ম-বিস্মৃত জাতিটোক



অসমীয়া গীত-মাত, নাটক আৰু কবিতাৰ মাজেৰে তেওঁলোকৰ আশা-আকাংক্ষা সম্বন্ধে সচেতন কৰি তোলে।

বহুমুখী কবি প্ৰতিভাৰ গৰাকী অম্বিকাগিৰীয়ে সৰ্বপ্ৰথমে স্বীকৃতি লাভ কৰিছিল বিপ্লৱী কবি হিচাপে। তেওঁৰ কবিতাৰ পংক্তিয়ে বৈ আনিছিল উত্তপ্ত ৰক্ত কণিকা—

'ই যে শত অপমান লাঞ্ছনা হানি উজৰা অসীম তাপ
ইয়ে ৰুদ্ধ আত্ম-শকতি নিজৰি ওলোৱা অনল ভাপ'।

স্বদেশানুৰাগ তেওঁ জীৱনৰ সৰ্বোৎকৃষ্ট পৰিচয়। তেওঁ দেশক কল্পনা কৰিছিল পৰম আৰাধ্য ভগৱানৰ লগত—

"দেশ—দেশ—দেশ
দেশেই মোৰ ধ্যান জ্ঞান
দেশেই মোৰ ভগৱান
সাধ্য আৰাধ্য পৰমেশ।"

ৰায়চৌধুৰীয়ে অন্যায়ৰ বিৰুদ্ধে প্ৰতিবাদ কৰাৰ উপৰিও—দাৰিদ্ৰ তেওঁৰ চিৰলগৰী আছিল যদিও তেওঁ কাৰো ওচৰত নতি স্বীকাৰ কৰা নাছিল। কিন্তু অসহায় জনৰ লগত তেওঁ যে হিয়া বিলাই দিছিল সেইটো ধৰা পৰে "তত্ত্বভেদ" নামৰ কবিতাত। তেওঁৰ বিচিত্ৰ জীৱনৰ বিচিত্ৰ অভিজ্ঞতা তথা কবি জীৱনৰ মানসিকতাৰ প্ৰকাশ কবিতাত ফুটি উঠিলেও অলৌকিকতাৰ স্থান নাই। গতিকেই তেওঁৰ জীৱনৰ লগত কবিতা একেধাৰ মালাতে গাঁথা দুটি মণি সদৃশ। তেওঁৰ 'গঢ়া কৰি মোক ঝাড়ুদাৰ' নামৰ কবিতাত স্বয়ং সৃষ্টিকৰ্তাক প্ৰত্যাহ্বান জনাই কৈছিল—

"হেৰা বিশ্ব কৰ্মকাৰ
তোমাৰ ৰুদ্ৰ ৰোষ হাতুৰীৰে
পিটি পিটি মোক ভাঙি তুপিতিৰে
গঢ়ি তোলা কৰি বিশ্বৰ ঝাড়ুদাৰ।"

"মানৱায়তনো" এনে ভাৱেৰেই পুষ্ট কবিতা।

তেওঁৰ সাংসাৰিক জীৱন সংঘাতপূৰ্ণ, সংগ্ৰামী। তথাপিতো আৰ্থিক অনাটনক আওকাণ কৰি জীৱন ৰণাংগণত তেওঁ নতি স্বীকাৰ কৰা নাছিল। অন্যায় অবিচাৰৰ বিপৰীতে সংঘৰ্ষত লিপ্ত হবলৈ অসমীয়া লোকক তেওঁ উদাত্ত আহ্বান জনাইছে এইদৰে—

"জাগ ডেকাতেজ ব্ৰজমুঠিত
ভাঙি পুনু গঢ়া হাতুৰী লৈ
স্বদেশ সেৱাৰ ভড়ামিবোৰ
ভাঙি উৰি যঁক চুৰ্ণ হৈ।"

তেওঁৰ কবিতাত কেতিয়াবা পীড়িতজনৰ সংগ্ৰাম, হৃদয়াবেগৰ জোৱাৰ, বিপ্লৱী আৰু তাণ্ডৱী ৰূপ, প্ৰসন্ন প্ৰশান্তি, অনুশোচনাৰ চিত্ৰও স্পষ্টভাৱে ফুটি উঠা দেখা যায়। দেশৰ দুৰৱস্থাত তেওঁ অন্তৰৰ ক্ষোভ প্ৰকাশিছে এইদৰে—

"আজি যায়, যায়, যায়, সকলোখিনি
দেখোঁ যায়, যায়।
বহুখিনি গৈ যিখিনি বাকী ৰ'ল,
সিওখিনি দেখো যায়, যায়—
তথাপি কিয় তোৰ চেতনা নাই?"

তেওঁ আছিল উদাৰ আৰু কৰ্মমুখী। জীৱন, সত্য, ন্যায়ৰ লগত ফেৰ মাৰিয়ে পাৰ কৰিছে তেওঁৰ জীৱন। অভিজ্ঞতা বহুল জীৱনৰ ঘাত-প্ৰতিঘাতবোৰ ত্যাগৰ জৰিয়তে নিৰ্মল কৰিব

বিচাৰিছে। প্ৰেমিক ৰায়চৌধুৰীয়ে ডেকা বয়সত শ্যেলী, বায়ৰণ আদি পাশ্চাত্য ৰোমাণ্টিক কবি-সকলৰ দৰে বহবাৰ প্ৰেমত পৰিছে, ওপঙিছে আৰু সাঁতুৰি পাৰ হৈছে । তথাপিতো নাৰীৰ অস্তিত্বক জীয়াই ৰাখিবৰ বাবেই তেওঁ নিজৰ কণ্টৰ প্ৰতি আওকাণ কৰি বাও হাতৰ কেঞা আঙুলিটোৰ এপাব কাটি তেওঁৰ প্ৰেমিকাক উপহাৰ দিবলৈও কুণ্ঠবোধ কৰা নাছিল। তেওঁ এইবুলিহে মন্তব্য কৰিছিল যে—"তুমি মোৰ দেশ সেৱাৰ কামত মোক অনুপ্ৰাণিত কৰি, চিৰ-কাল মোৰ হাতত বন্ধ হৈ থাকি মোৰ লগে লগে থাকিবা।" লগতে তেওঁ এইবুলি কবলৈ সক্ষম হৈছিল যে "প্ৰেম প্ৰেমেই । তাত কামনা নাথাকে। গতিকে তাৰ পৰিণাম নাথাকে। আত্মানন্দৰ নিবিড় শান্তিয়েই প্ৰেমৰ পৰিণাম নিৰানন্দৰ অশান্তিত ভৰি উঠে । এয়ে হ'ল সংঘাতপূৰ্ণ ৰায়চৌধুৰীৰ জীৱন। এপাব নোহোৱা আঙুলি সোঁৱৰাই দিয়া স্মৃতিৰ সোঁত আৰু দেশপ্ৰেমৰ প্ৰবল ধাৰে তেওঁৰ মনৰ ভাৱ-সাগৰত তোলা জোঁৱাৰেই হ'ল 'তুমি' আৰু 'বীণা' কাব্যৰ প্ৰেৰণা ।

কবি হিচাপে অম্বিকাগিৰী ৰায়চৌধুৰী আছিল অনন্য । বাল্যৱস্থাতে তেওঁ ভাগ্যৰ সৈতে হোৱা মুখামুখি, নিয়তিৰ নিষ্ঠুৰ পৰিহাস আদিৰ বাবেই তেওঁ কৈশোৰতে ১৯০৭ত ৰাজৰোষত পৰিবলগীয়া হয় আৰু ৰাজনৈতিক কাৰ্য্যকলাপ বন্ধ কৰি নজৰ-বন্দী হৈ দিন কটাবলগীয়া হয় ।

ৰায়চৌধুৰীৰ জীৱনত দুটা পৃথক ধাৰা প্ৰবাহিত হৈছিল আৰু তাৰে প্ৰথমটো হৈছে কাব্য আৰু দ্বিতীয়টো ৰাজনীতি। তাৰ উপৰি জীৱন বিপৰ্য্যয় বা কৰ্ম-সংঘাতৰ বাবেই তেওঁৰ কাব্য-কাননত স্তৰ বিন্যাসৰ সৃষ্টি হোৱাৰ বাবেই বিশৃংখল গতিত প্ৰবাহতি জীৱনৰ প্ৰথম উদ্‌ভ্ৰান্ত প্ৰেমৰ চানেকি 'তুমি' আৰু 'বীণা'ত অতি স্পষ্টভাৱে ফুটি উঠিছে । অৱশ্যে শ্যেলী, বায়ৰণৰ দৰে তেওঁৰ প্ৰেম কামজ প্ৰেমৰ গণ্ডীৰ ভিতৰত আৱদ্ধ নাথাকি ইন্দ্ৰিয়গ্ৰাহ্য সম্ভোগৰ ভিত্তিত ইন্দ্ৰিয়াতীত অনুভূতিত পৰিণত হৈছে। কাৰোবাৰ হাঁহিভৰা উজ্জ্বল মুখ-চন্দ্ৰমাৰ সান্নিধ্যলৈ অহাৰ বাবেই এপিনে দেশপ্ৰেম আৰু আনপিনে মানবপ্ৰেম—দুয়োটাকে সমান্তৰাল গতিত প্ৰবাহিত কৰিবৰ বাবেই, লগতে প্ৰেমিকাৰ অস্তিত্ব মহিমাময়ী কৰি তুলিবৰ বাবেই দেশ স্বাধীন কৰাৰ সেৱাব্ৰত। তেওঁৰ সুগভীৰ প্ৰেমেই তেওঁৰ বিশাল কৰ্ম-প্ৰেৰণা ।

দেশপ্ৰেমৰ লগতে "গাভৰুৰ গোলাপী গালত লাজৰ ৰাঙলী আভা'ত অপূৰ্ব সৌন্দৰ্য্যৰ সমাবেশে তেওঁৰ জীৱনত ৰেখাপাত কৰিছিল। সেয়েহে তেওঁৰ কবিতাৰ দুয়োটা বৈশিষ্ট্যৰ প্ৰতি লক্ষ্য কৰি ড° বাণীকান্ত কাকতিয়ে ৰায়-চৌধুৰীক "দুতৰপীয়া পুৰুষ" আখ্যা দিছে। চৌধুৰীৰ জীৱনত প্ৰেমৰ প্ৰভাৱে পৰৱৰ্তী কালত দেশপ্ৰেমলৈ ৰূপান্তৰিত হোৱাত তেওঁৰ প্ৰেম পাৰ্থিব জগততে আৱদ্ধ নাথাকি চিৰ সুন্দৰৰ লগত মিলিত হ'বলৈ সক্ষম হ'ল। প্লেটোৰ মতেও "মানবীয় প্ৰেমেই স্বৰ্গীয় প্ৰেম লাভৰ সপোন-স্বৰূপ। ৰহস্যবাদী কবি হিচাপে 'বীণা' আৰু 'তুমি' কাব্য দুখনতো যৌবনসুলভ প্ৰেম-সৌন্দৰ্য্যৰ অনুভূতিৰ মাজতো বাস্তৱ জগতৰ সীমা অতিক্ৰম কৰি বলিষ্ঠ মন আৰু সুস্থ সাহসিকতাৰ পৰি-স্ফুৰণ ঘটা দেখা গৈছে। এই কাব্য দুখনৰ প্ৰেম সমুদ্ৰগামী নদীৰ দৰে। তেওঁৰ কাব্যবোৰত দৈহিক আৰু পাৰ্থিব প্ৰেম সৌন্দৰ্য্যৰ ইন্দ্ৰিয়ানু-ভূতিৰ জৰিয়তে কবিৰ ভগবৎ উপলব্ধিৰ প্ৰয়াস প্ৰকাশিত হৈছে এইদৰে—

"সকলো তুমিয়েই নাথ
জগতত দেখিছো যিমান
লোৱা এই অশ্ৰুটুপি
ভেদি অহা মুগুধ পৰাণ।"

এইদৰেই কবি হৃদয়ত অনন্ত প্ৰেমৰ বৰ্ষণ প্ৰসংগত কবিৰ নিজা মন্তব্য এটি বিশ্লেষণ কৰি ল তেওঁৰ জীৱনৰ প্ৰথম ভাগৰ উদভ্ৰান্ত প্ৰেমেই শেষত অনন্ত বা ভগৱৎ প্ৰেমত পৰিণত হৈছিল, সেইটো স্পষ্টভাৱে ধৰা পৰিছে।

মুঠতে ৰহস্যবাদী কবি হিচাবে শিল্পী-মনৰ সৃজনী ক্ষমতাই তুমি কাব্যখনক আস্বাদনীয় কৰি তোলাৰ লগতে তেওঁৰ ৰচনাত মৌলিকতাই ধৰা দিছে এইবাবেই যে— বেদ-উপনিষদ, কালিদাস, ৰবীন্দ্ৰনাথ, ছেক্‌ছপীয়ৰ, মিল্টন, বা শ্যেলী, কীটচ্‌ৰ কাব্যৰ সংস্পৰ্শ আৰু প্ৰভাৱৰ আঁতৰত থাকি নিজভাৱে কাব্যক্ষেত্ৰত খিয় দি 'নিজ গীত অকলেই গাই' যাব পাৰিছিল। সেয়েহে অসমীয়া কবিসকলৰ ভিতৰত তেৱেঁই আটাইতকৈ মৌলিক। কিন্তু প্ৰকৃততে মৌলিক শব্দটো 'অনুভূতি' কাব্যৰ মহান সুৰ-সংযোগ, সহজ ভংগী আৰু উদ্দেশ্যৰ সৰলতাৰ বাবেহে ব্যৱহৃত হৈছে ।

ৰায়চৌধুৰীয়ে এৰ্ণাকিষ্ট আখ্যাৰ পৰা নিষ্কৃতি লোৱাৰ পাছত আৰ্থিক অভাৱৰ বাবে ১৯১৪ চনত ডিব্ৰুগড়ত উপস্থিত হৈ তেতিয়াৰ বিখ্যাত পুথি বেচোঁতা বা প্ৰকাশ কৰোঁতা শিৱনাথ ভট্টাচাৰ্য্যক মাত্ৰ ৪০ টকাৰ বিনিময়ত 'তুমি' কাব্যখনৰ স্বত্ব কিনিবলৈ অনুৰোধ কৰি-ছিল যদিও বন্ধুবৰ কীৰ্ত্তিনাথ শৰ্মা আৰু ডাঃ উমেশচন্দ্ৰ দাসৰ কথামতে 'তুমি'ৰ পাণ্ডুলিপিটো ভট্টাচাৰ্য্য ডাঙৰীয়াৰ পৰা ঘূৰাই আনি বন্ধু দুজনৰ সাহায্য আৰু ৰায়চৌধুৰীয়ে শিক্ষকতা কৰি পোৱা টকা আৰু গান গাই উপাৰ্জন কৰা টকা কেইটামানেৰে ১৯১৬ চনত ডিব্ৰুগড়ৰ বেলৰে প্ৰেছত ১০০০ কপি ছপা কৰি উলিয়ায় আৰু এইখনেই তেওঁৰ প্ৰথম প্ৰকাশিত কাব্য-পুথি। লব্ধপ্ৰতিষ্ঠ সাহিত্যিক, কবি, গৱেষক ডিম্বেশ্বৰ নেওগে 'তুমি' কাব্যক প্ৰসংশা কৰি কয় যে "তুমিয়ে অসমীয়া কাব্য সাহিত্য জগতত নতুন ধাৰা বোৱালে।" সমালোচক ড° বাণী কান্ত কাকতিয়ে 'তুমি' ক আধ্যাত্মিকতাৰ উজ্জ্বল চানেকি বুলি মন্তব্য কৰিছে।

ৰায়চৌধুৰীৰ 'তুমি' ৰ লক্ষ্যস্থান হ'ল ভগবৎ প্ৰেম।

'তুমি' ৰ সাতোটি তৰংগৰ ক্ৰমে প্ৰথমটিত তেওঁৰ 'বিশৃংখল গতিত বৈ থকা জীৱনৰ প্ৰথম ভাগৰ উদ্‌ভ্ৰান্ত প্ৰেমটো' দ্বিতীয়টিত 'সমজাতীয় সহানুভূতি' তৃতীয়টিত 'প্ৰকৃতিৰ বিশ্বভৰা উদাৰ সৌন্দৰ্য্য', 'চতুৰ্থটি, পঞ্চম আৰু ষষ্ঠটিত বিৰহ, অভিমান আদি নানা অৱস্থাৰ মাজেদি সকলো

আসক্তিৰ পৰা হাত এৰাই", শেষ তৰংগটিত কবিয়ে নিজ সাধনা সিদ্ধিৰ আত্মপ্ৰকাশ বা অনন্তৰ লগত সানমিহলি হৈ পৰিবৰ প্ৰয়াস কৰিছে।

ৰায়চৌধুৰীৰ সাহিত্যৰ দিশলৈ লক্ষ্য কৰিলে দেখা যায় যে সাহিত্য সেৱাতকৈ দেশ সেৱাতহে তেওঁৰ ভূমিকা মন কৰিবলগীয়া। অৱশ্যে তেওঁৰ সাহিত্য-সাধনা জীৱনযোৰা নহয় যদিও তেওঁৰ জীৱন দৰ্শন কিছু পৰিমাণে সাহিত্যৰ মাজেদি প্ৰকাশ নোপোৱাকৈ থকা নাই! জাতীয় জীৱনক কেন্দ্ৰ কৰি ৰচনা কৰা তেওঁৰ সাহিত্য-সম্ভাৰ প্ৰধানকৈ ১। নাট্য সাহিত্য ২। গদ্য সাহিত্য আৰু ৩। কাব্য সাহিত্য—এই ৩ ভাগত বিভক্ত।

নাটাকাৰ হিচাপে তেওঁৰ তিনিখন পূৰ্ণাংগ নাটক হৈছে 'জয়দ্ৰথ বধ' (১৯১১), 'কল্যাণময়ী' (১৯১৩-১৪), 'ভক্ত গৌৰৱ' ১৯১২) ১৯০৮-১৪ লৈ নজৰ বন্দী হিচাপে থকা অৱস্থাতে নাটকেইখন ৰচনা কৰে বুলি জনা যায়। অৱশ্যে স্বদেশ প্ৰেমৰ ভিত্তিত ৰচিত 'বন্দিনী ভাৰত' নাটকখন ৰচনা কৰিছিল যদিও পাণ্ডুলিপিতে বিলুপ্ত ঘটে। ঠিক তেনেকৈ 'শিখিধ্বজৰ দান পৰীক্ষা' নাটখন অতুলচন্দ্ৰ বৰুৱাৰ ভাষাত চেচুকৰ ডেমডেউকা হৈয়ে ৰ'ল হেনো।

ইয়াৰ উপৰি ৰায়চৌধুৰীয়ে উদ্ভাৱন কৰা কাহিনীৰ অৱলম্বন হিচাপে লৈ ৰচনা কৰা নাটকেইখন হ'ল—'বিপ্লৱৰ শেষ', 'শ্ৰীৰামচন্দ্ৰ আৰু ভোৰা', 'ধুনপেচ' 'একেত্তি' আদিয়েই প্ৰধান।



অসমীয়া জাতি-ভাষা-সংস্কৃতিৰ প্ৰতিষ্ঠা আৰু সংৰক্ষণৰ হ'কে জীৱন জুৰি সংগ্ৰাম চলাই যোৱা ৰায়চৌধুৰী কাব্য সাহিত্যৰ এজন বিশিষ্ট আৰু মৌলিক বা বহুতো পৰিমাণে স্বকীয় বৈশিষ্ট্যৰে অকলশৰীয়া কবি। তেওঁৰ কবিতা জীৱনবিমুখী বা সত্যক ফাঁকি দিয়া বিধৰ নহয়। এটা বাক্যতে তেওঁ 'বীণা'ৰ পাতনি মেলাৰ লগতে সামৰণিও মাৰিছে এইদৰে—"চাৰিওফালৰ পৰা চেপি ধৰা এই ডাঙৰ জগতখনৰ খুন্দা খাই মোৰ অন্তৰ ফালি ভাব সাগৰৰ যি দুই চাৰি জোলোকা জৰি পৰিছে, তাত বাজে অইন একো ইয়াত ঠাই পোৱা নাই।" ৰায়চৌধুৰীৰ কবিতাপুথি কেইখন হ'ল ক্ৰমে 'তুমি', 'বীণা', 'অনুভূতি', 'স্থাপন কৰ স্থাপন কৰ' আৰু 'বেদনাৰ উল্কা'। ইয়াৰ 'তুমি' আৰু 'বীণা'-ত পাৰ্থিৱ প্ৰেম আধ্যাত্মিকতালৈ উত্তীৰ্ণ হোৱাৰ বাবেই তেওঁ ৰহস্যবাদী কবি হিচাবে স্বীকৃত। বাকী তিনিখন কবিতাপুথিৰ ঘাই উপজীৱ্য দেশপ্ৰেম আৰু তাৰ প্ৰতিটো কবিতাই হৃদয় আগ্নেয়গিৰিৰ প্ৰচণ্ড বিস্ফোৰণৰ দৰে অদম্য উচ্ছ্বাসৰ জ্যোতিষ্মান প্ৰকাশ মাথোন। 'বেদনাৰ উল্কা' নামৰ কাব্যখনৰ বাবে তেওঁ সাহিত্য একাডেমীৰ (১৯৬৪) বঁটা বিজয়ী সন্মান লাভ কৰিছিল।

গদ্য সম্ভাৰৰ ক্ষেত্ৰত তেওঁৰ অৱদান অতি তাকৰ যদিও তাৰ বলিষ্ঠ ৰচনা ভংগীয়ে তেওঁৰ সাহিত্যৰ ওপৰত থকা দক্ষতা প্ৰকাশ কৰিছে। তেওঁৰ গদ্যসম্ভাৰৰ ভিতৰত বিশেষকৈ 'আহুতি, 'শতধাৰ,' ডেকা-ডেকেৰীৰ বেদ', 'ভাৰতীয় স্বৰাজ আৰু অসমীয়া স্বৰাজ', 'সাহিত্য মঞ্জৰী,' 'মোৰ জীৱন ধুমুহাৰ এচাটিয়ে প্ৰধান। তাৰ উপৰিও 'ডেকা অসম', 'চেতনা', 'ৰামধেনু' আৰু 'আৱাহন' আদি কাকতৰ জৰিয়তেও নানা প্ৰবন্ধাদি প্ৰকাশ কৰিছিল। তেওঁৰ গদ্যৰ গাঁথনি কাব্যৰ দৰে উঠা-নমা আৰু শৃংখলমুক্ত। সেয়েহে তেওঁৰ গদ্যই পাঠকক মন আকৰ্ষণ কৰাত বাধা জন্মালেও লেখকৰ জাগ্ৰত স্বদেশপ্ৰেম আৰু ৰাজহুৱা জীৱনৰ সংৰক্ষণী দৰ্শনে তেওঁৰ লেখনীৰ ওপৰত এনে প্ৰভাৱৰ পৰা মুক্ত কৰিবলৈ সক্ষম হৈছে। ইংৰাজ চৰকাৰে ভাৰতীয়ৰ ওপৰত চলোৱা কঠোৰ দমননীতিৰ বাবেই জনগণৰ প্ৰাণত বিদ্ৰোহৰ বহ্নিশিখা জ্বলাই তুলিবৰ বাবে ৰচনা কৰা 'শতধা'ই প্ৰতিবাদী মনৰ পৰিচয় দিয়ে। 'শতধা'ই ইংৰাজৰ ৰাজকোপত পৰি বাজেয়াপ্ত হয় আৰু এইখনেই বাজেয়াপ্ত হোৱা প্ৰথম অসমীয়া পুথি।

ৰায়চৌধুৰীৰ বহুমুখী ব্যক্তিত্বক বুজিবলৈ তেখেতৰ নিজৰ বিষয়ে নিজে কোৱা কথা খিনিয়েই সহায় কৰিছে— "মই কবি নহওঁ, মই কবিতা লিখিব নোখোজোঁ, কিন্তু মই যেতিয়া কোনো বস্তু দেখোঁ, তেতিয়াই লিখিবলৈ এটি তীব্ৰ ইচ্ছা হয়।"

কবিতাত তেওঁৰ ভাষা সৰল, চুটি আৰু তেজোদ্দীপক। তেওঁৰ ভাষা প্ৰাণৱ। ৰচনাৰ সময়ত যি শব্দকে তেওঁ চিন্তাৰ আঁকুতিৰে টানি আনিব পাৰে তাকে ব্যৱহাৰ কৰাটো তেওঁৰ স্বভাব। সেয়েহে হয়তো সাহিত্য ক্ষেত্ৰত ভাষাৰ ওজা হ'ব নোৱাৰিলেও ভাষা ব্যৱহাৰৰ ক্ষেত্ৰত তেখেতৰ স্পষ্টবাদিতাৰ আদৰ্শ পৰিলক্ষিত হয়! এই ক্ষেত্ৰত ডঃ সত্যেন্দ্ৰনাথ শৰ্মাদেৱৰ মন্তব্যটি প্ৰণিধানযোগ্য যে—"সাহিত্য ৰচনা ৰায়চৌধুৰীৰ আংশিক জীৱনাভিব্যক্তি মাথোন, ই তেওঁৰ জীৱনৰ কৰ্ম-ব্যাকুলতাৰ আংশিক মানসিক অভিব্যক্তি।"

তেওঁ জীৱনত সাহিত্য চৰ্চাৰ উপৰিও বিভিন্ন সময়ত প্ৰত্যক্ষ বা পৰোক্ষ ভাৱে জড়িত থকা অনুষ্ঠানসমূহ হ'ল—সেৱা-সংঘ, সনাতন সংগীত সমাজ, অসম ছাত্ৰ সন্মিলন, অসম এছোচিয়েচন, গুৱাহাটী নগৰ কংগ্ৰেছ কমিটি, সংৰক্ষিণী সভা, হিন্দু সভা, জাতীয় মহাসভা, কামৰূপ সংগীত বিদ্যালয়, অসম সংস্কৃতি সংগম, ভাৰতীয় সংস্কৃতি সংগম আৰু অসম সাহিত্য সভাই প্ৰধান। ইয়াৰ উপৰি তেওঁৰ দ্বাৰা সম্পাদিত 'চেতনা'ৰ বিলুপ্তিৰ পিছত 'মায়াবিনী কেমিকেল ৱৰ্কচ' স্থাপন কৰি স্বাধীন ব্যৱসায় কৰাৰ মানসেৰেই 'চেনেহী চিয়াহী' 'জয়মতী স্নো', জিলিগুনি (জোতাৰ ৰং) আৰু মায়াবিনী তেলৰ ব্যৱসায় কৰিছিল। ৰায়চৌধুৰীয়ে পাৰ্য্যমানে নিজৰ ধন ভাঙি হ'লেও অসমীয়া ডেকাশক্তিক বিভিন্ন ধৰণে সহায়-সহযোগ আগবঢ়াইছিল।

ৰায়চৌধুৰীয়ে অসম সাহিত্য সভাৰ দৰে এটি বৃহৎ অনুষ্ঠানৰ সভাপতিৰ আসনখনি অলংকৃত কৰিবলৈও সক্ষম হৈছিল। ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ পিছত পৰ্বত-ভৈয়াম জুৰি বিস্তৃত সম্প্ৰীতিৰ এনাজৰীডাল ছিঙাৰ উপক্ৰম হওঁতেই সাহিত্য সভাই পুনৰ সকলোকে এক-

প্ৰিত কৰি সম্প্ৰীতিৰ এনাজৰিডাল কটকটীয়া কৰি তোলাৰ প্ৰয়াসেৰে জাতি-প্ৰেমিক ৰায়-চৌধুৰীক ১৯৫০ চনৰ ১১/১২ মাৰ্চত মাৰ্ঘেৰিটাত বহা অসম সাহিত্য সভাৰ একবিংশ অধিবেশনৰ সভাপতিৰ আসন অলংকৃত কৰিবলৈ সাদৰেৰে নিমন্ত্ৰণ জনায়।

অধিবেশনত সাহিত্য সভাৰ উদ্দেশ্য, ব্যাখ্যা, মহান সাহিত্য সৃষ্টি আৰু মানৱীয় সাহিত্য সৃষ্টি, অসমীয়াক আত্মৰক্ষাৰ মন্ত্ৰেৰে দীক্ষা দিয়া, সমসাময়িক সমাজৰ স্পৰ্শকাতৰ সমস্যাৰ দৃষ্টি আকৰ্ষণ তথা অসমীয়াৰ ভৱিষ্যত সাহিত্য সম্বন্ধে দিয়া ভাষণে সকলোৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিল।

ৰায়চৌধুৰীয়ে নিজ ছপাশাল 'অৰুণা' আৰু নিজ সম্পাদনাত প্ৰকাশিত 'চেতনা' কাকতৰ যোগেদি যি সংবাদসেৱাত মনোনিৱেশ কৰিছিল সেই সংবাদসেৱা আধুনিকতাৰ মাপকাঠিৰে বিচাৰ কৰিলে তেওঁ হয়তো সাংবাদিক হিচাবেই পৰি-গণিত নহব। কিন্তু 'চেতনা'ৰ সম্পাদকীয় আৰু তাত প্ৰকাশিত প্ৰবন্ধাদিত দেশপ্ৰেমমূলক মনোভাৱে অগ্ৰাধিকাৰ পোৱা বাবেই 'চেতনা' বন্ধ হয় যদিও ৰায়চৌধুৰীয়ে পুনৰ নিজা প্ৰেছ অৰুণাতে 'ডেকা অসম' কাকতখনি উলিয়ায়। এই কাকতখন 'ইয়ং ইণ্ডিয়া'ৰ সমপৰ্য্যায়কৈ প্ৰকাশৰ প্ৰচেষ্টা কৰিছিল যদিও জাননী আদি প্ৰকাশ কৰি ধন ঘটাৰ প্ৰয়াস ৰায়চৌধুৰীৰ নাছিল। সৰ্বভাৰতীয় মঞ্চত অসমীয়াক নিটোল ৰূপ দিয়াৰ সফল চেষ্টা 'চেতনা' আৰু 'ডেকা অসম'ত দেখা যায়।

সুকোমল ভাবৰ কবিক দেশপ্ৰেমে উদ্বুদ্ধ কৰি তোলাত তেওঁৰ ভাষা অতি স্পষ্ট, তেজাল আৰু ওজস্বী হৈ পৰিছে। তেওঁৰ ভাষা বিশ্লেষণ কৰিলে দেখা যায় যে—সংযুক্ত শব্দৰ প্ৰাচুৰ্য্য, তৎসম শব্দ, অৰ্দ্ধতৎসম, পুৰণি অসমীয়া শব্দ, থলুৱা কামৰূপী শব্দ, ইংৰাজী, আৰবী, পাৰ্চী আৰু আন আন ভাষাৰ শব্দ, নিজস্ব প্ৰকাশ ভংগী আৰু সংস্কৃত শব্দৰ সন্ধিপ্ৰৱণতা আদিয়ে অসমীয়া ভাষা-সাহিত্যৰ ওপৰত ৰায়চৌধুৰীৰ অৱদান সম্পৰ্কে এটি নিখুঁত চিত্ৰ আমাৰ আগত দাঙি ধৰিবলৈ সক্ষম হৈছে।

ৰায়চৌধুৰীদেৱৰ বহুমুখী প্ৰতিভা আৰু ব্যক্তিত্ব সম্পৰ্কে সংক্ষেপ আলোচনা যুগুতোৱা হ'ল। তেখেতৰ অমৰ আদৰ্শৰে উত্তৰপুৰুষ অনুপ্ৰাণিত হওঁক। □

*প্ৰবন্ধটি যুগুত কৰোতে নিম্নলিখিত গ্ৰন্থকেইখনৰ সহায় লোৱা হৈছে—*

★ *অসমকেশৰী অম্বিকাগিৰী— প্ৰসন্নৰাম দাস*

★ *অম্বিকাগিৰী ৰায়চৌধুৰী— অসম প্ৰকাশন পৰিষদ।*

★ *অম্বিকাগিৰীৰ ব্যক্তিত্বৰ আভাস— উপেন্দ্ৰ বৰকটকী।*

★ *মোৰ জীৱন ধুমুহাৰ এছাটি— অম্বিকাগিৰী ৰায়চৌধুৰী।*



# মোৰ শৈশৱৰ টুকুৰা ছবি : ইয়াৰ প্ৰাসংগিকতা

**দিব্যজ্যোতি মহন্ত**
প্ৰৱক্তা, গণিত বিভাগ

সন্ধিয়া পৰত অকলে অকলে যেতিয়া বহি থাকোঁ, বাহিৰখনত চকু পৰিলেই ভাবি ভাবি উভতি যাওঁ এৰি অহা শৈশৱৰ সোণালী দিনবোৰলৈ। নগৰত হৈ থকা নগৰীয়াই একান্ত মনে দুয়োপাৰৰ প্ৰাকৃতিক দৃশ্যৰাজিৰ তুলনামূলক আভাস এটা গঢ়াৰ দৰে ময়ো সেই সময়ত বহি বহি মোৰ ল'ৰালি কালৰ পৰিৱেশ আৰু এতিয়া দেখা ভাই-ভনীহঁতৰ যুগৰ পৰিৱেশৰ মাজত কিবা-কিবিবোৰ বিচাৰি খেপিয়াই ফুৰোঁ। কি হৈছিল, এতিয়া কি কি হ'ব ধৰিছে ইত্যাদি বাৰেকুৰি কথা পাগুলি পাগুলি বহি থাকোঁ। কেতিয়াবা বৰ হতাশ হৈ পৰোঁ। কাৰোবাক কবলৈ মন যায়। কম কিবা এটা ভাবি, হব কিবা এটা। মই ক'লেইনো বাৰু শুনিব কোনে? মোৰ কোৱাৰ অধিকাৰেই বা আছে নে নাই, কবলৈনো মোৰ উপযুক্ততাই কিমান? তথাপি কবলৈ বৰ মন যায়।

পঢ়ি থকা দিনত আন বহুতৰ দৰে ময়ো খেলা-ধূলা কৰিছিলোঁ। ফুটবলৰ দিনত ফুটবল, বেড্‌মিণ্টনৰ সময়ত বেড্‌মিণ্টন আদি অৱশ্যে master of none." তেতিয়া কিন্তু সদায় সাজ লগাৰ আগতেই ঘৰ সোমাব লাগিছিল। ময়েই নহয়, মোৰ লগৰ প্ৰায়বোৰেই খেল সামৰি সোনকালেই ঘৰমুৱা হৈছিলোঁ। সেইবোৰ দিনতে ঘটনা এটা ঘটিছিল, তাকেহে কবলৈ ওলাইছো।

দেউতা এবাৰ গুৱাহাটীলৈ গৈছিল। ঘৰৰ পৰা গুৱাহাটীলৈ যাব বুলিয়েই ওলাই গৈছিল। আমিও সময় মতে স্কুললৈ গ'লোঁ। আবেলি খাই-বৈ খেলিবলৈ গ'লোঁ। খেলি আহোঁতে সেইদিনা কিছু পলম হ'ল। তথাপি বৰ ভয় লগা নাছিল। ভাবিছিলোঁ দেউতা চাগৈ আহি পোৱাই নাই। এদিনহে পলম হৈছে বুলি মাইও চাগৈ বেছি গালি-গালাজ নকৰিব। সেইবোৰকে ভাবি ঘৰ সোমালোঁ। পিছে মই ভবা কথা সিদ্ধি নহ'ল। দেউতা গুৱাহাটীলৈ নগ'ল। সেয়ে নগাঁৱৰ পৰাই ঘৰলৈ ঘূৰি গৈছিল। দেউতাৰ মাত শুনিয়েই ভয় ভয় লাগিল। মই অহা বুলি জানি দেউতাই কাষলৈ মাতিলে। শাস্তি দিবলৈ নহয়, কিয়নো সেইদিনা পলম হ'ল তাকে সুধিবলৈ। মায়ে মোক পিচফালে হাত

ভৰি ধুই থাকোঁতে কৈ গ'ল। দেউতা থকা কোঠালি লৈ সোমাই গ'লো। ভয়ে ভয়ে যোৱাৰ কাৰণেই হবলা দুৱাৰ দলিত উজুটি মাৰি কৰ্ফাল খাই পৰিলোঁ। চালনীৰাৰ খুটাত থকা হালপতাত (আঠুৰা তৰাৰ বাবে ষ্টেণ্ড লগোৱাৰ সুবিধাৰ্থে বিচনাৰ খুৰাত লোহাৰ চেপেটা পাত লগোৱা থাকে) কপালখন পৰিল। লগে লগে তেজ ওলাই গোটেইখন ৰাঙলী হ'ল। মোক ধৰি মেলি ওচৰতে থকা ডাক্তৰখানালৈ নিলে। মোৰ চেলাউৰিৰ মাজত আজিও সেই ডাগটো আছে। অলপ পলম হোৱাৰ বাবেই ভগৱানে সেইদিনা মোক শাস্তি বিহিলে। এতিয়া সেইকথা ভাবিলে বৰ ভাল লাগে। সেইবিলাক দিনত ভগৱান, অভিভাৱক সকলোৰ প্ৰতি আমাৰ ভক্তি মিহলি ভয় এটা আছিল। ভগৱানো বোধহয় শাস্তি দিয়লৈ সজাগ হৈ আছিল।

আজি কালিহে চকু মুদি থাকে হবলা। নহলেনো কিছু সংখ্যকৰ থাকিবে বাকীবিলাক অভিভাৱকে হা-হুমুনিয়াহ কাঢ়িব লগাৰ দৰে গতি হয়নে? আজি কালি দেখোন ৰাতি এপৰলৈ বাটে-ঘাটে পঢ়াশালিৰ ৰেজীষ্টাৰ বহীত নাম থকা সকলৰ হাহিৰ খিলখিলনি শুনি। ফুটপাথত, দোকানৰ মুখত ধোৱাৰ কুণ্ডলীবোৰে পাক খাই খুন্দিয়া-খুন্দি কৰি ফুৰে। মাজে মাজে একো একোটা উল্লাসৰ অট্টহাঁহিয়ে এলাপেচা পথিকৰ বুকুত ডবা কোবোৱাৰ উপক্ৰম কৰে।

পঢ়ি থকা দিনৰে আৰু এটা ঘটনাৰ কথা কওঁ। আমাৰ ইংৰাজী পঢ়োৱা শিক্ষক এজনক বৰ ভাল পাইছিলোঁ আৰু ভয়ো কৰিছিলোঁ। সেইবুলি আনসকলক যে ভাল নেপাইছিলো তেনে নহয়। কিন্তু সেই চাৰজনে কেতিয়াবা বেত দিলেও ভালহে লাগিছিল। আমি সচৰাচৰ আগ বেঞ্চতেই বহিছিলোঁ। সেই চাৰজনে শ্ৰেণী কোঠাত সোমায়েই আমাক ভালকৈ নিৰীক্ষণ কৰিছিল। তেওঁ প্ৰায়েই আমাৰ নখ, চুলি চাইছিল আৰু কেতিয়াবা আনকি গেঞ্জীটো পৰিষ্কাৰ হয়নে নহয় তাকো চাইছিল। আমি চুলি চুটি চুটিকৈ কাটিছিলোঁ। কিন্তু তথাপি মাজে মাজে বৰ আমোদ লগা ঘটনাৰ সৃষ্টি হৈছিল। ধৰি লওঁক, কোনোবা ৰবিবাৰে চুলি কাটি পিচদিনা সোমবাৰে ক্লাচ কৰিছোঁ। তেওঁ আহি মোৰ চুলিখিনি চাই চাব। হাতেৰে যদি খামুচি ধৰিব পৰাকৈ থাকে তেনেহলে তেওঁ ধৰি লৈ মুৰটো লৰাই থাকে। মুখেৰে একোকে নকয়। তেতিয়া ৰবিবাৰে যে চুলি কাটিছোঁ তেওঁক কওঁ। তথাপি তেওঁ এৰি নিদিয়ে। তেনে অৱস্থাত সেইদিনা স্কুলৰ পৰা গৈয়েই মই আকৌ চুটিকৈ চুলি কাটিম বুলি ক'লেহে তেওঁ এৰি দিয়ে। আমিও তেওঁৰ অবাধ্য কেতিয়াও হোৱা নাছিলোঁ। তেওঁলোকৰ আশীৰ্বাদত দিনবোৰ বৰ সুকলমে পাৰ কৰি আহিলোঁ। তেওঁলোকে যিদৰে আমাক শাসন কৰিছিল, আমিও তেওঁলোকক শ্ৰদ্ধা কৰিছিলোঁ। সেইদিনবোৰৰ কথা মনলৈ আহিলে কিবা এটা পুলক অনুভৱ হয়। আজি কালিও সেইধৰণৰ পৰিবেশ আছে নে নাই জানিবলৈ মন যায়। ছাত্ৰ হৈ শ্ৰেণী কোঠাত বহি থাকি কথাবোৰ অনুভৱ কৰিবলৈ হেঁপাহ লাগে। পিচে মই যে এতিয়া নিজেই এজন শিক্ষক। সেইধৰণৰ পৰিবেশ এতিয়া আছে নেকি বুলি মোৰ নিজকে সুধি চাবলৈয়ো দেখোন ভয় ভয় লাগে। কব নোৱাৰো, এয়া হয়তো মোৰ ভ্ৰান্ত ধাৰণা হ'ব পাৰে। □



---

# শ্ৰাশ্ৰত

সংগ্ৰাহিকা— *ৰীতা মণি হাজৰিকা*

১। তুমি বৰফৰ নিচিনা শুভ্ৰ নিষ্কলঙ্ক হ'লেও কেতিয়াও নিন্দাৰ হাত সাৰিব নোৱাৰা।
*—চেক্সপীয়েৰ*

২। কলমেৰে লিখা অসত্য বোৰেৰে তেজেৰে লিখা সত্যক ঢাকিব নোৱাৰি। তেজৰ ঋণ তেজেৰেই পৰিশোধ কৰিব লাগিব। নহ'লে যিমানেই পলম হ'ব সিমানেই সুদৰ পৰিমাণ বাঢ়ি যাব!
*—লুচন*

৩। যি সকলে অতীতক মনত পেলাব নোৱাৰে, তেওঁলোকে একে ভুলকেই কৰি থাকে।
*—জৰ্জ সনটানা*

৪। যৌৱনৰ মুক্ত আকাশত তুমি নিজ হাতে কলা ডাৱৰ সানিবলৈ যত্ন নকৰিবা। জীৱনত আগবাঢ়ি যাওঁতে কেতিয়াবা হয়তো ভুলকে ফুল বুলি বুটলি লৈছা। পিছত আক্ষেপ কৰিছা। আকৌ কেতিয়াবা হয়তো ফুলকো ভুল বুলি দলিয়াই দিছা। সকলোবোৰ জিলিকা বস্তুৱেই সোণ নহয়, সেই কথা জানিছাই দেখোন।
*— ডঃ ভূপেন হাজৰিকা*

৫। তোমাৰ মুখখন সূৰ্য্যৰ ৰশ্মিৰ ফালে ৰাখিলে কেতিয়াও ছাঁ দেখিবলৈ নেপাবা।
*— হেলেন কেয়াৰ।*

## ।। কবিতা ঃ আধুনিক কবিতা ।।

"আধুনিক কবিতা
এনে কোনো পদাৰ্থ নহয় যে
কোনো এটা চিনৰ দ্বাৰা তাক
অবিকল চিনাক্ত কৰিব পৰা যায় ।
ইয়াক বিদ্রোহ, প্রতিবাদৰ, সংশয়ৰ, ক্লান্তিৰ, সন্ধানৰ
কবিতা বুলিব পাৰি ।
ইয়াৰ মাজতে প্ৰকাশ পাইছে
বিস্ময়ৰ, জাগৰণৰ, জীৱনৰ আনন্দ, বিশ্ববিধানত আস্থাবান
চিত্তবৃত্ত, আশা, নৈৰাশ্য, অন্তর্মুখিতা বা বহির্মুখিতা,
সামাজিক জীৱনৰ সংগ্রাম আৰু আত্মিক জীৱনৰ তৃষ্ণা ।
এই সকলোবোৰ ধাৰাই বিচাৰি পোৱা যাব
বিভিন্ন কবিৰ মাজতেই নহয়—
কেতিয়াবা কেতিয়াবা হয়তো
একেই কবিৰ বিভিন্ন সময়ৰ ৰচনাত ।"

।। বুদ্ধদেৱ বসু ।।

## আমি এনেকৈয়ে আগুৱাইছো

দুবৰি গোস্বামী
স্নাতক ২য় বাৰ্ষিক

আমি এনেকৈয়ে আগুৱাইছোঁ ।
একাবেঁকা এক ভৱিষ্যতৰ দুৱাৰদলিলৈ
আমাৰ লগত লৈ গৈছোঁ
শংকা, ভয় আৰু জীয়াই থকাৰ তৃষ্ণা ।
স্মৃতিৰ কফিন খান্দি
    বিচাৰিছোঁ বিক্রমাদিত্যক
    বিচাৰিছোঁ শঙ্কৰ-মাধৱক
    হাবাথুৰি খাইছোঁ মহাত্মাক বিচাৰি ।

আমাক লৈ গৈছে এক অদৃশ্য শক্তিয়ে
নীহাৰিকাবিহীন এক আকাশৰ তললৈ ।

হাহাকাৰ মনে
সূৰ্য্যোদয় বিচাৰি
হুমনিয়াহ কাঢ়ে—
এৰি অহা সোণোৱালী
অতীতক সুঁৱৰি
ইতিহাসে উচুপে ।
এতিয়া ইতিহাসৰ পাত
চকা চমকা
অনাগত দিনৰ ভয়াবহতালৈ যেন
সকলোৱে অপেক্ষা ! ০০০

## সেইজাক মানুহৰ

কাশ্মিৰী শইকীয়া
স্নাতক ১ম বাৰ্ষিক

সেইজাক মানুহৰ,
নহয় সেইজাক নৰকংকালৰ
কলিজাৰ শব্দ
শুনিছানে কেতিয়াবা তুমি ?
যি শব্দত নিহিত আছে
ক্ষুধা, তৃষ্ণা, আকাংখ্যা
আৰু জীয়াই থকাৰ প্ৰচেষ্টা ।

সেইজাক মানুহৰ,
নহয় সেইজাক জীয়া শ'ৰ
তেজৰ প্ৰবাহ
শুনিছানে কেতিয়াবা তুমি ?
যি তেজত প্ৰবাহিত হয়
বিপ্লৱৰ ধাৰা,
মানুহৰ দৰে জীয়াই থকাৰ
সংগ্ৰামৰ ধাৰা ।

সেইজাক মানুহৰ,
নহয় সেইজাক মুমূৰ্ষুৰ
হৃদয়ৰ কথা
শুনিছানে কেতিয়াবা তুমি ?
যি হৃদয়ে বিচাৰে
অলপ মৰম এমুখ হাঁহি
আৰু জীয়াই থকাৰ প্ৰতিশ্ৰুতি । ০০০

## প্ৰতীক্ষা

উষা শইকীয়া
স্নাতক ৩য় বাৰ্ষিক

সাগৰৰ দুচামুচ নীলা
তুমি দেখিছা মোৰ দুচকুত !
কিন্তু তুমিতো নাজানা
সেয়া মোৰ বাবে
মৃত্যু মলিন ধূসৰতা সনা
জীৱন বাসনা
তুমি কেছা মই জীয়াই আছোঁ,
সঁচাকৈয়ে জানো ?
মৃত্যুৰ শীতল পৰশ
নাপালেই জানো ?
পচাঁ শৰীৰটি পঞ্চভূতত
বিলীন নহলেই জানো
মানুহ জীয়াই থকা বুলিব পাৰি !

সুপ্ত চেতনাৰে মই এটি কঙ্কাল
জীৱন্মোখী নে মৃত্যুমুখী
সন্তকাই কোৱা টান ।

কিয়নো,
তাক জীয়াই ৰখা
অথবা
লুপ্ত কৰি দিয়াত
এজনাৰ হাত আছে।

সেয়েহে—
মই প্ৰতি দিনে
তেওঁৰ হাত আৰু মুখলৈ
বহু আশাৰে বাট চাই ৰওঁ
কিজানি পাওঁৱেই
জীয়াই থকাৰ এটি আশ্বাস । ০০০

# মোৰ কবিতাৰ মাজত : তুমি

**মালা ৰাণী বড়া**
স্নাতক ৩য় বাৰ্ষিক

দুহাতত দুগছ
প্ৰজ্বলিত বন্তি লৈ
তুমি গৈ আছা ··
সিহঁতৰ লগে লগে,

মৃত্যুক পণ কৰি
সততাক
সাহসক
সুন্দৰক ধিয়াই।
তুমি আগ বাঢ়ি গৈ আছা
সিহঁতৰ খোজত খোজ মিলাই,
অশ্লীলতাক মষিমূৰ কৰি
বৰ্ব্বৰতাক চূৰ্ণ কৰি
পশুত্বক জয় কৰি
জনতাৰ আশীস্ মৰম বুটলি
তুমি
বহু আগবাঢ়িলা।

তোমাৰ প্ৰতি টোপাল তেজত উদ্দীপ্ত হ'ল
হাজাৰটা দেৱশিশু
একে পণ লৈ ।
কিন্তু ! তুমি পাহৰি গ'লা
তোমাৰ দুহাতলৈ চাবলৈ।
তোমাৰ দুহাতত নিঃশব্দে জ্বলা
বন্তি দুগছৰ তলত
বহুখিনি ঠাই
এতিয়াও
আন্ধাৰেৰে পৰিবেষ্টিত ।। ০০০

# জীৱন সংগ্ৰাম

**মৌচুমী দেৱী**
স্নাতক ২য় বাৰ্ষিক

মই এনেদৰেই জীয়াই থাকোঁ
প্ৰাকৃতিক দুৰ্যোগৰ মাজত,
জলন্ত অগ্নিৰ মাজত,
নিৰ্বিকাৰ নিশ্চুপ হৈ ।
আচলতে··· ··· —
মই কাহানিবাই শেষ হৈ গ'লোঁ
ধূপৰ দৰে উমি উমি জ্বলি জ্বলি।
পাহৰিলোঁ— — —
ক'ত জানো হেৰুৱালোঁ
জীৱন বৃন্দাবনৰ সেই সুমধুৰ সুৰ ।
ক'ত জানো এৰিলোঁ
জীৱনৰ সেই সোণালী দিনবোৰ ।
এতিয়াটো ··· ··· ···
আৰু নাই উন্মাদনা
আৰুতো নাই ব্যাকুলতা,
জীয়াই আছো কেৱল
অন্তৰত লৈ
এমুঠি তপত বেদনা । ০০০

# মকৰাজাল

**উপমা বৰুৱা**
স্নাতক ২য় বাৰ্ষিক

ক্ষয়িষ্ণু সমাজৰ প্ৰতিটো
চুকে কাণে জাপ জাপ মকৰাৰ জাল ।
যেৰপাক, ছিন্ন ভিন্ন বহু হৃদয় ।
আগ নাই গুৰি নাই
আছে মাথো হুমুনিয়াহ ।
কোকোৰাঝাৰৰ, কাৰ্বি আংলং
গহপুৰ, নলবাৰী
চিগি পৰা বৰাগী বীণৰ
একোডাল তাঁৰ ।
সকলোতে জাপ জাপ মকৰাৰ জাল ।
চট্‌ফট্ চট্‌ফট্ একোটা
বন্দী উঁইচিৰিঙা ।
অৰুণাচল, মেঘালয়, নগালেণ্ড
ব্ৰহ্মদেশ, বাংলাদেশ
অস্থিৰ সীমান্তৰ ন ন
ৰঙচুৱা ইহাত সিহাত ।
ইয়াতো সমস্যা ব্যাপী
একোজাপ মকৰাৰ জাল । ০০

## ৰঙালী বিহুৰ প্ৰেৰণাৰে

*লিমা ৰবা*
উঃ মাঃ ২য় বাৰ্ষিক

পালেহি চ'তৰে মাহ ঐ বহাগী
পালেহি চ'তৰে মাহ;
বিহু মাৰিবলৈ ওলায়ে আহিছোঁ
বিহুৱতী গাভৰুৰ বাহ।

বসন্ত আহিলে, কুলিয়ে বিনালে
গছে বনে সলালে পাত ;
মুগাৰ সাজে পিন্ধি বিহুলৈ আহিছোঁ
বিহু বিহু লাগিছে গাত।

বিহুটি আপোন ঐ বাপটি সাহোন ঐ
অনা নাই বিদেশীৰ ধাৰত ;
জাতিৰে মৰমৰ বিহুৰে কঠীয়া
আপুনি গজিছে প্ৰাণত।

ঢোলটি বজালোঁ পেপাটি বজালোঁ
বিহুৰ তলিলৈ যাম ;
বিহুগীত এফাকি গাবলৈ নাপালোঁ
ঘূৰিবাৰ বহাগত গাম। ০০০

## জীৱন

কবৰী ফুকন
স্নাতক ১ম বাৰ্ষিক

শান্তভাৱে বৈ থকা নদীখনত
হঠাতে ধুমুহা আহিল।
নদীৰ দুয়োপাৰ মাথো অন্ধকাৰ
বতাহৰ সোঁ-সোৱনি
বিজুলী চেৰেকনিৰে
আকাশৰ পানী গছা উঠিছে ;
নদীৰ মাজ বুকুত থকা
নাওখন—
তুলুং-ভুটুংকৈ নাচিব লাগিছে,
যেন বনজুই দেখি নাচি উঠা
ফেঁচু চৰাই ।
পানীবোৰ নাওখনতকৈ বহু ··
বহু ওপৰলৈ উঠি গৈছে ।
নাৱৰ পৰা দেখা গ'ল— মাথো,
পাৰত জ্বলি থকা
অপেক্ষাৰত··· ···
শান্তিৰ এটি
ধিমিক-ধামাক চাকি। ০০০

## ।। প্ৰত্যাহ্বান ।।

কস্মী লস্কৰ
প্ৰাক্তন ছাত্ৰী

ফাগুন
তই ৰঙাইছনে, জ্বলিছ ?
নে ভিন ভিন লোকৰ মাজত
তোৰ পলাশ শিমলুৰ ৰঙেৰে ৰঙাই
তোৰ মহত্ব জনাইছ ?
কাৰোবাৰ ৰং, কাৰোবাৰ হাঁহি,
কাৰোবাৰ দুচকুত শুকাই যোৱা পানী,
আৰু— — ??
কাৰোবাৰ বুকুৰ জুইৰ আঙনি ।
জ্বল জ্বল, তই বিক্ষোভত জ্বল ।
পুৰি পুৰি ছাঁই কৰিছে
ভণ্ডৰ ভণ্ডামি, স্বাৰ্থলোভীৰ অসভ্যালিক
তই জাগ —
কেচাইখাতী, চামুণ্ডাৰূপীনী হৈ
নাশ নাশ
অপাৰিচ্ছন্ন মানৱৰ বেশ ।
কি চাই হাঁহিছ ?
শিমলু, মদাৰ, পলাশৰ ৰঙেৰে ৰাঙলী
হ'লেই সুন্দৰ বহাগৰ জানো
বাতৰি অনা হয় ?
তই জ্বলিব লাগিব, তই নাশিব লাগিব
তোৰ পচোৱাত আনিব লাগিব
সোণ সপোনৰ বীজ ।
তই সাজিব লাগিব
দয়া মমতাৰ নীড় ।
ওঠ চেলেকি জিভা মেলি মেলি আহ.
যৌৱন উন্মত্ত দেহত জগাই দে
প্ৰতিশোধৰ জুই
তই জানো নাজান
প্ৰকৃতি আজি ফাকুৰ ৰঙেৰে
ৰাঙলী নহয় ?
ই যে উদভ্ৰান্ত, বিশৃংখল ভণ্ডামিৰ বেশ ।
তই জানিব লাগিব. জানি জাগিব লাগিব,
জাগি জ্বলিব লাগিব,
জ্বলি জ্বলি. জ্বলাই জ্বলাই
তোৰ পচোৱাত নে উৰুৱাই ··
এই ক্ৰীবতা, নীচতা, হিংসা-হিংসী দ্বেষ
তই স্থাপন কৰিবি
তোৰ বুকুতেই
বহাগীৰ জাতিষ্কাৰ বেশ
তই জ্বলিবি ৰঙাবি
তই স্থাপন কৰিবি
সোণ সুৰীয়া দেশ ।
০০০

# উঁপলব্ধি

নীলাক্ষী কাকতি
স্নাতক প্ৰথম বাৰ্ষিক

মইতো,
এটা কবিতা নহওঁ
যে,
শব্দৰ দুৰ্বোধ্যতা
সজাই তুলিম !
মইতো,
এপাহ ফুল নহওঁ
যে,
সুগন্ধি ঘ্ৰাণ
বিলাই ফুৰিম !
মইতো,
এডাল কাঁইট নহওঁ
যে,
আনৰ জীৱনত
আঘাত হানিম ।
মই,
এটা অৰ্থহীন জীৱ.
য'ত
প্ৰেম, ভালপোৱা, হিংসা, দ্বেষ
একো নাই,
আছে,
কেৱল
তিক্ততা আৰু শূন্যতা । ০০০

# সম্যক দৃষ্টি লাগে

সাৰদা বৰা
স্নাতক ১ম বাৰ্ষিক

মই
গণতন্ত্ৰত অলীক
হিল্লোলৰ স'ন্টালনি
বিচৰা নাই।
বিচাৰিছোঁ—
তোমাৰ দৃষ্টিত
বিস্তীৰ্ণ প্লাৱন
আৰু
প্ৰবল ধুমুহা ।
প্লাৱনৰ উত্তাল তৰঙ্গত
উটি যাওঁক
অশান্তিৰ, অপ্ৰীতিৰ
বিষাক্ত বীজ ।
ধুমুহাই উৰুৱাই নিয়ক
দুৰ্নীতি, ব্যাভিচাৰ
আৰু
মিছা অহংকাৰ
জনতাৰ দীনতা
শাসকৰ চেকা লগা প্ৰশাসন
আৰু
শোষকৰ তক্ষক দংশন ।
বৰ্ত্তি ৰওক বসুন্ধৰাত
সমতা
মমতা
একতা। ০০০

# চিত্ৰাংকন

দীপামণি মহন্ত
উঃ মাঃ ২য় বাৰ্ষিক

*এক*

পুৱাৰ উত্তপ্ত বেলিটো দেখি বুজিলো গ্ৰীষ্ম আহিল
পুৱাৰ ঘোলা আকাশখন দেখি জানিলো বৰ্ষা আহিব
পুৱাৰ কোমল ৰ'দ দেখি বুজিলো শৰৎ-হেমন্ত-শীতৰ আগমন
বাবে বৰণীয়া ফুলে জনাইছিল বসন্ত আহিল
—এই বতৰাবোৰ কোনোবাই কাৰোবাক জানো চিঞৰি জনাব ???

*দুই*

নিশাৰ আন্ধাৰ দেখিলেই মই ভয় খাই উঠোঁ,
হেজাৰ মহাশূণ্যৰ অন্ধকাৰে
পৃথিবীক গ্ৰাস কৰি পেলালে —
যি গ্ৰাসত
অসংখ্য জনগণ অন্ধ ... ... ...

*তিনি*

আজি বিশ শতিকাৰ শেষ দশকলৈকে
কোনে কিমান শিকিলা, লিখিলা, আৱিষ্কাৰ কৰিলা
নে আহৰি নাপালা ?
নৱ এক বিংশ শতিকাৰ আগমনৰ বতৰা ।।। ০০০

# তিনিটা কবিতা

সান্ত্বনা কটকী
স্নাতক ২য় বাৰ্ষিক

(১)

মোৰ মৃত্যু সমাগত
কিন্তু তাৰ বাবে তুমি
দুখ নকৰিবা
উচুপি উচুপি অশ্ৰুৰ সাগৰ বোৱাই
মোৰ এই আত্মাক
তুমি অশান্তি নিদিবা।
বিস্মৃতিৰ গৰ্ভত
একাকাৰ হৈ পৰা
তোমাৰ আৰু মোৰ
ৰঙীন কল্পনাবোৰ
অন্তৰংগতাৰে স্বীকাৰ কৰা।
মোৰ এই আত্মাক
তুমি অশান্তি নিদিবা।

(২)

নতুন আশাৰ বেঙনিত
মামৰে ধৰিলে
ৰুদ্ৰবোষ হাতুৰীৰ কোবত
এই মামৰ জানো এৰাব ?
মোৰ এই অশান্ত মনটোক
তুমি জানো বুজাব পাৰিবা ?
নোৱাৰা,
কাৰণ মই,
নিঃশেষ হৈ যাব খুজিছোঁ
মাত্ৰ এটা ধূপ-কাঠিৰ দৰে।

(৩)

আশাবোৰ নিৰাশা হ'ল
অতীত কল্পনাও আজি
ভাঙি চূৰমাৰ হ'ল।
শৈশৱৰ সেই স্বপ্নবোৰ
প্ৰতাৰকৰ দৰে আহি
অশ্লীলতাৰ হাঁহি মাৰি
মোক বাস্তৱলৈ ঘূৰাই আনিলে ॥ ০০০

## ॥ গল্প : চুটি গল্প ॥

"ক্ষমতাৰ অপব্যৱহাৰৰ অন্তত বৈ আছে
এক নেদেখা শক্তিৰ শাস্তিৰ বিধান,
ধন-দৌলতৰ প্ৰাচুৰ্য্যৰ মাজতো আছে
শত শত অশান্তিৰ বৃশ্চিক দংশন
আৰু নিষ্ঠা আৰু আদৰ্শবাদী ব্যক্তিৰ
আদৰ্শৰ বাটতো আছে
শত্ৰুৰ কাঁইটৰ খোঁচ।
আনৰ জীৱনৰ ঘাত প্ৰতিঘাত পৰ্য্যবেক্ষণ কৰি
যি জ্ঞান লাভ হয় সেই জ্ঞানো প্ৰত্যক্ষ।
কিন্তু এনে জ্ঞানৰ ওপৰত ভিত্তি স্থাপন কৰি
যেতিয়া আমি কোনো এটি সূত্ৰত উপনীত হওঁ
তেতিয়া সেই জ্ঞান হয় অনুমান প্ৰমাণ-সিদ্ধ।
নিজৰ বা আনৰ অভিজ্ঞতাৰ ওপৰত নিৰ্ভৰ কৰি মানুহে
কিছুমান মূল সত্যৰ ওপৰত সচৰাচৰ বিশ্বাস ৰাখে।
এনে বিশ্বাসৰ ওপৰতে গঢ়ি উঠে
জীৱনৰ মান বা আদৰ্শ।
জীৱনৰ এই আদৰ্শৰ মাজেদি
ভালেমান গল্প গঢ় দিবলৈ
চেষ্টা কৰা হয়।"

॥ ত্ৰৈলোক্যনাথ গোস্বামী ॥

# শৃংখল চিঙাৰ প্ৰস্তুতি

*দীপ্তি বৰা*
স্নাতক ২য় বাৰ্ষিক (দিবা)

ঃ পশ্চি মদিগন্তত সূৰ্য্যটো প্ৰায় ডুবো ডুবো। ৰান্ধনি বেলিৰ শেষ জাক কিৰণে পোহৰাই তুলিছে সমগ্ৰ চহৰখন। ধৰালৈ আন্ধাৰ নামি অহাৰ আগে আগে কাচাৰীৰ পৰা ঘৰ বুলি খোজ দিছে অপূৰ্বই মুখ মণ্ডলত দিন-টোৰ কৰ্ম ক্লান্তিৰ স্পষ্ট চাপ। মনৰ মণি-কোঠাত হাজাৰ প্ৰশ্নৰ কোলাহল। অপূৰ্বৰ অন্তৰ আজি অবুজ বেদনাৰে ভাৰাক্ৰান্ত। নীতা আৰু অপূৰ্বৰ যুগ্ম জীৱন নিতান্তয়ে সুখৰ আৰু মধুৰ হ'ব লাগিছিল। অপূৰ্বই এখন সুখৰ সংসাৰ গঢ়াৰ সপোন দেখিছিল। কিন্তু অপূৰ্বৰ সেই সুখৰ সংসাৰ গঢ়াৰ সপোন আজি ভাঙি চিঙি থানবান হৈ যোৱাৰ পথত। নীতা-অপূৰ্বৰ যুগ্ম জীৱনলৈ প্ৰাণ আহিল। কিন্তু প্ৰাণক পায়ো যেন নীতা সুখী হ'ব পৰা নাই। কিয় ? কিয় ? অপূৰ্ব অস্থিৰ হৈ পৰে। নীতাই আজিও অপূৰ্বক বুজিব নোৱাৰিলে। বুজিব নোৱাৰিলে অপূৰ্বৰ অবুজ বেদনা।

নানা ভাবনা চিন্তাৰ মাজেৰে নিঃশব্দে আহি কেতিয়া অপূৰ্ব বাটচ'ৰাৰ সন্মুখ পালেহি নিজেই নাজানে। বাটচ'ৰাৰ মুখতে থমকি ৰ'ল অপূৰ্ব। সন্মুখলৈ দৃষ্টি নিক্ষেপ কৰিলে। বীৰদৰ্পে মূৰ তুলি আছে অপূৰ্বৰ দেউতাকৰ স্মৃতি বিৰজিত দুচল্লিয়া ৰঙাটিনৰ বৃটিছৰ দিনৰ অল্ড পেটাৰ্ণৰ প্ৰকাণ্ড হাউলিটো। বাটচ'ৰাৰ দুকাষে দুজোপা নাহৰ। নাহৰ দুজোপাৰ মোহনীয় ৰূপ দেখি অবুজ আনন্দত নাচি উঠিল অপূৰ্বৰ মন। ওপৰলৈ বাঢ়ি প্ৰকাণ্ড চুড়া সদৃশ হোৱা নাহৰৰ চিকুণ আগ দুটা সঁচাই মোহনীয়। ৰঙা বগা নাম নজনা বহু সুগন্ধি ফুলৰ শৃংখলাবদ্ধ শাৰী দুটা বাট চ'ৰাৰ মুখৰ পৰা দুকাষে সমান্তৰাল ভাৱে বাঢ়ি গৈ প্ৰকাণ্ড হাউলিটোৰ পকী দেবাল স্পৰ্শ কৰিছেগৈ। এক সুন্দৰ-শান্ত, অথচ গহীন গহীন লগা সেই পৰিবেশ। সেই মুক, অথচ সুন্দৰ পৰিবেশটোৱে অপূৰ্বৰ মন আচ্ছন্ন কৰি ৰাখিলে কিছু সময়।

এখোজ দুখোজকৈ অপূৰ্ব ভিতৰলৈ সোমাই গ'ল। অপূৰ্বই দেখিলে এটাও কোঠাত বিজুলী চাকি জ্বলা নাই। গোটেই হাউলিটো আন্ধাৰেৰে প্ৰায় আচ্ছন্ন কৰি ৰাখিছে।

নীতা ! নীতা ! —নাই কোনো প্ৰত্যুত্তৰ নাই। অপূৰ্ব কেইবাটাও কোঠা অতিক্ৰম কৰি শোৱনী কোঠা পালে।

নীতা !—নাই শোৱনী কোঠাতো নাই। ক'লৈ বা গ'ল এই নীতাজনী ? এস্ এই প্ৰাণ-টোনো ক'লৈ গ'ল। প্ৰাণ ! অ প্ৰাণ ! ক'লৈ গলা তোমালোক। দেখা নাই আন্ধাৰ হ'ল•• ··· অপূৰ্বৰ কথা শেষ হোৱাৰ আগতেই কোঠাত কাৰোবাৰ উচুপনি শুনিবলৈ পোৱা গ'ল। অবাক বিস্ময় হৈ অপূৰ্ব খন্তেক স্তব্ধ হৈ ৰ'ল। তাৰ পৰা আগবাঢ়ি গ'ল য'ৰ পৰা ভাঁহি আহিছে কৰুণ শোকৰ চেপা উচুপনি। অপূৰ্বই গাত হাত দিয়াৰ লগে লগে অগ্নিত ঘৃতাহুতি দিয়াৰ দৰে প্ৰচণ্ড ভাবে কান্দি উঠিল প্ৰাণে। সেই কান্দোনৰ অন্ত নাই। যেন শেষ নহ'ব তাৰ উচুপনি। প্ৰবোধ দিবলৈ বৃথা চেষ্টা কৰে অপূৰ্বই।

প্ৰাণ ! কি হৈছে তোমাৰ ? মাৰা ক'লৈ গ'ল ? এই নীতাজনীৰ দেখিছো অকণো কাণ্ড-জ্ঞান নাই। আন্ধাৰ হ'ল, অথচ এই ফুকলীয়া ল'ৰাটো অকলে এৰি ক'লৈ গৈছে জানো ? চাওঁ উঠাচোন মোৰ সোণটো। দুহাতেৰে অপূৰ্বই প্ৰাণক বুকুৰ মাজলৈ টানি আনে। দেউতা ··· কৰুণ আৰ্তনাদ কৰি অপূৰ্বৰ বুকুৰ মাজত কান্দি উঠে প্ৰাণে।

হঠাৎ কোঠাটোৰ বিজুলী চাকিবোৰ জ্বলি উঠে। বিজুলী সৰবৰাহ বিজুতিৰ কাৰণে ই'ত সময়ে কোঠাতো আন্ধাৰে আৱৰি ৰাখি-ছিল। আন্ধাৰ আঁতৰি যোৱাত অপূৰ্বই দেখি-বলৈ পালে দুভৰিৰ আঠুত মূৰ গুজি বহি আছে কোঠাটোৰ এচুকত স্বয়ং নীতা।

এইবাৰ অপূৰ্ব অধিক বিস্মিত হৈ পৰিল। এই নীতা ! নীতা— কি হৈছে তোমাৰ ? প্ৰাণক এৰি এইবাৰ অপূৰ্ব নীতাৰ ফালে আগ-বাঢ়ি যায়। আলফুলে নীতাৰ মূৰত হাত বুলাই বাৰে বাৰে প্ৰশ্ন কৰে, ঘৰখনৰ এনে আকস্মিক পৰিবৰ্ত্তনৰ হেতু কি ? কিন্তু নীতাৰ উত্তৰ নাই। নীতাৰ পৰিবৰ্ত্তে কোঠাটোৰ আনটো মূৰৰ পৰা ভাঁহি আহে প্ৰাণৰ ঠোকাঠোকি মাত।

দেউতা, দেউতা ! মায়ে আজি মোক খুব মাৰিলে। জানা দেউতা, মাজনীৰ যে কি হ'ল-আজি কালি মোক মৰম নকৰেই।

নীতা—অপূৰ্বই আলফুলে নীতাৰ হাত এখনত ধৰি এটা চুমা খালে। কিন্তু নীতা অলৰ-অচৰ। তাই আজি অপূৰ্বৰ মৰমক সহাৰি জনাই আলফুলে অপূৰ্বক সাবটি ধৰিব পৰা নাই। নীতাৰ অভিমানী মনটোৱে বাৰে বাৰে তাইক সেই কাৰ্য্যৰ পৰা বিৰত ৰাখিলে।

অপূৰ্বৰ মতাদৰ্শৰ লগত নীতাৰ মতাদৰ্শৰ মিল নাই। অপূৰ্বই কৰ্ট-কাছাৰীআৰু লিখা-পঢ়া তথা নিজা আইদিয়'লজিক লৈয়ে ব্যস্ত থাকে। ঘূৰি-পকি অযথা সময় নষ্ট কৰাটো অপূৰ্বই নিবিচাৰে। কিন্তু নীতা হ'ল আজিৰ যুগৰ এজনী লেখত লব লগীয়া আধুনিকা নাৰী। নীতাই বিচাৰে এটা মুক্ত জীৱন। চিনেমা, থিয়েটাৰ, ক্লাব, পাৰ্টি আদিৰ মাজেৰেই তাই জীৱনটি অতি বাহিত কৰিব বিচাৰে। তাইৰ মতে গল্প, কবিতা তথা উপন্যাস লিখি আজিৰ সমাজৰ লগত খোজ মিলাবলৈ হ'লে বল ধনৰ আৱশ্যক।

সেয়ে সৎ কিম্বা অসৎ যি কোনো উপায়েৰে ধন ঘটি জীৱনটো আমোদ-প্ৰমোদেৰে ভৰাই তুলিব লাগে । নীতাৰ আক্ষেপ—তাই গৌৰী, বৰ্যাহঁত দৰে বান্ধবীৰ প্ৰাচুৰ্য্যৰে ভৰা সংসাৰৰ লগত সমানে খোজ মিলাব পৰা নাই । নীতাৰ আক্ষেপ বাঢ়ি যায় । তাই ভাবিবলৈ বাধ্য হয় যে গৌৰী, বৰ্যাহঁতৰ লগত সমানে ফেব মাৰিব নোৱাৰাৰ বাবে দোষী অপূৰ্ব আৰু অপূৰ্বৰ আদৰ্শ । অপূৰ্বই তেওঁৰ আদৰ্শ আৰু মনুষ্যত্ব বিসৰ্জন দি ধন ঘটিব খোজা হ'লে তায়ো হয়তো দুমহলীয়া ঘৰ আৰু ফিয়েট দৌৰাব পাৰিলেহেঁতেন ।

নীতা আৰু অপূৰ্বৰ প্ৰণয় কলেজীয়া কালৰে । অপুৰ্ব যেতিয়া স্নাতকৰ তৃতীয় বাৰ্ষিকত, তেতিয়া নীতাই সেই কলেজতে উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিকত নাম ভৰ্ত্তি কৰে । গতানুগতিক জীৱনত ঘটাৰ দৰে অপূৰ্ব-নীতাৰ মাজত প্ৰণয় আৰম্ভ হয় । তেতিয়াৰে পৰা মধুৰ ভালপোৱাৰ মাজত সিহঁত ডুব গৈছিল ।

কি হ'ল নীতা ? একেবাৰে মৌনব্ৰত অবলম্বন কৰিলা দেখোন, চাওঁ উঠা । অপূৰ্বই নীতাৰ দুবাহুত ধৰি উঠাব খোজে ।

এৰি দিয়া, এৰি দিয়া মোক । —বাঘিনীৰ দৰে গৰজি উঠিল নীতা । আৰু অপূৰ্বৰ কাষৰ পৰা উঠি প্ৰায় দৌৰি আহি বিচনাত পৰে। বুকুৰ মাজত গাৰু এটা সজোৰে হেঁচি ধৰে । বুকু ভাঙি ওলাব খোজা কান্দোন চেপি ৰাখিব খুজিও ব্যথিত হ'ল । সজোৰে উচুপি উঠিল নীতা ।

নীতাৰ এনে আকস্মিক পৰিবৰ্ত্তন দেখি ক্ষুণ্ণ হ'ল অপূৰ্ব । তথাপি অপূৰ্বই তেনে ভাব প্ৰকাশ নকৰি নীতাক আৱেগিক ভাৱে সাবটি ধৰি সোধে — কোৱা নীতা, তোমাৰ অন্তৰত কি এনে বেদনাৰ বোজা আছে, মোক কোৱা । মোক বুজিবলৈ চেষ্টা কৰা আৰু তোমাক বুজিবলৈকো সুবিধা দিয়া ··· ··· ।

আঁতৰি যোৱা, আঁতৰি যোৱা নিৰ্দয়, পাষাণ ! ইমান দিনৰ পৰা তোমাৰ প্ৰতি থকা মোৰ গভীৰ ভালপোৱাৰ প্ৰতিদান এয়ে নেকি ? আৰু কিমান দিন ভুৱা দি ৰাখিবা মোক ? আৰু কিমান ·· ·· ··· । দুগুণ জোৰেৰে কান্দি উঠিল নীতা ।

নীতাক সান্ত্বনা দিয়াৰ ভাষা অপুৰ্বই বিচাৰি নাপায় । মাথো শিল পৰা কপৌৰ দৰে স্তব্ধ হৈ ৰয় । নীতাৰ দীঘল চুলিটাৰিৰ মাজত আঙুলি বুলাই অপূৰ্বই বুজাবৰ চেষ্টা কৰে : চোৱা নীতা, একমাত্ৰ তোমাৰ আৰু প্ৰাণৰ বাবে, বিশেষকৈ প্ৰাণে যাতে ভৱিষ্যতে সমাজত মূৰ তুলি খোজ দিব পাৰে তাৰ বাবে মই কৰ্ত্তব্য কৰি আহিছোঁ । তোমাক সুখী কৰিবলৈ তোমাৰ অন্তৰৰ দুখ দূৰ কৰিবলৈ মই ৰাজি আছো । তুমি মোৰ জীৱনৰ, মোৰ যৌৱনৰ সৰ্বস্ব ··· ··· ।

হু সৰ্বস্ব । নীতাই অপূৰ্বৰ মুখৰ পৰা কথা কাঢ়ি লৈ বলকিবলৈ ধৰে : তেনেদৰে কবলৈ তোমাৰ লাজ লগা নাই ? মই তোমাৰ জীৱনৰ সৰ্বস্ব, তেনেহলে তুমি মোৰ প্ৰতিটো কথাই দলিয়াই পেলোৱাৰ অৰ্থ কি ?

অস্‌ নীতা । তোমাৰ কোনটো কথা মই ৰখা নাই । মোৰ সাধ্যানুসাৰে সকলো ৰাখিছোঁ । তথাপিও··· ·· ।

বন্ধ কৰা, বন্ধ কৰা । সকলো কৰিছা তুমি । সকলো দেখিও চকু মুদি থাকা তুমি । আমাৰ ল'ৰাই আনৰ গাড়ীত স্কুল যাব লাগে, আনৰ ঘৰত টি, ভি চাব লাগে । গৌৰী, বৰ্যাহঁতৰ সমালোচনা দেখি তোমাৰ লাজ নালাগিব পাৰে, কিন্তু মোৰ লাজ লাগে, অন্তত: তোমাৰ জীৱিত অৱস্থাত । নীতাই তাচ্ছিল্য কৰে অপুৰ্বক ।

গৌৰীৰ মিষ্টাৰ বৰুৱাই কি কৰা নাই জীৱনত ? আৰু তুমি কি কৰিব পাৰিলা জীৱনত ? অথচ তোমাৰ দৰমহাতকৈ তেওঁৰ দৰমহা অধিক নহয় । মাত্ৰ তুমি মোক ভূৱা দি আদৰ্শৰ, মানৱতাৰ কথা কোৱা । তুমি ভাবা নেকি ··· ··· ।

বন্ধ কৰা, বহুত হৈছে আৰু নকবা । —নীতাৰ কথা শেষ হ'বলৈ নিদি গৰজিউঠে অপূৰ্ব ।

বৰুৱাৰ লগত মোক তুলনা নকৰিবা । মোৰ নিজৰ বিচাৰ-বিবেক আছে, আছে এক নিজস্ব সত্বা । অন্তত : মোক সেইসকলৰ লগত তুলনা নকৰিবা প্লিজ ! অপূৰ্ব কাতৰ হৈ পৰে ।

অপূৰ্বৰ সহকৰ্মী বৰুৱা ; চৌধুৰীহঁতে যি দৰে টকা ঘটে অপূৰ্বই সেইদৰে নোৱাৰে । দালাল, ঘোঁচখোৰ চামৰ প্ৰতি অপূৰ্বৰ ঘৃণা উপজে । ক'লা বজাৰৰ অন্ধকাৰত সোমাই মনুষ্যত্ব বিসৰ্জন দিয়া কাৰ্য্য দেখি অপূৰ্বই কেতিয়াবা আদালত ত্যাগ কৰিব খোজে । কিন্তু নোৱাৰে তিনিটা পেটৰ চিন্তাই অপূৰ্বক কোঙা কৰি ৰাখে ।

নীতা ! তুমি মই আদৰ্শ বিসৰ্জন দিয়াটোকে কামনা কৰা নেকি ? নীতা নিমাত । অপূৰ্বই আপোনমনে কৈ যায় ।

তুমি নুবুজিবা,হয়তো উপলব্ধি কৰিবও নোৱাৰিবা । যেতিয়া এজন দুখীয়া খেতিয়কৰ আশা ভৰসাৰ স্থল এবিঘা মাটি মহাজনে অসৎ উপায়েৰে আত্মসাৎ কৰে, তেতিয়া কিমান আশাৰে আদালতৰ কাষ চাপে; হয়তো তুমি কল্পনাও কৰিব নোৱাৰিবা । পত্নীৰ হাতৰ কাণৰ বিক্ৰী কৰি তুলি ধৰে উকীলৰ হাতত । উকীলৰ ধনৰ দাবী সেই ধনেৰে পূৰণ নহ'লে কি কৰে জানা ? হয়তো হালোৱা গৰু হাল, নহলে খীৰতি গাইজনী, কিম্বা আমাৰ প্ৰাণৰ দৰে আলাসৰ লাৰু হেন পুত্ৰক আনৰ ঘৰত চাকৰ থব লগাও হয়গৈ । সকলো উচ্ছেদ কৰিও অৱশেষত প্ৰকৃত গৰাকীজনে তেওঁৰ মাটি বিঘা হেৰুৱাব লগা হয় । আদালতৰ ৰঙা ফিটাৰ মেৰপাক সকলো জানি বুজিও বৰুৱাৰ দৰে হাকিম-উকীলে প্ৰশ্ৰয় দিয়ে ধনী মহাজনক । দুখীয়া খেতিয়কজনৰ অৱস্থাৰ কথা ভবাৰ অবকাশ তেওঁলোকৰ নাথাকে !

ময়ো বহুত কিবাকিবি কৰিব পাৰিলোঁহেঁতেন । কিন্তু কৰা নাই । কৰাৰ ইচ্ছাও মোৰ নাই । অতীতৰ সোঁৱৰণ মোৰ কাৰণে অতি মধুৰ । পুৰণি দিনৰ স্মৃতি বিৰজিত সোণালী দিনবোৰৰ কথা মোৰ মনৰ পৰা হেৰাই

যোৱা নাই। তুমি পাহৰি গৈছা, মই পাহৰা নাই। মোৰ কাৰণে ৰিণি ৰিণি বাজি আছে সেই মিঠা সুৰ। আমাৰ দুয়োৰে কৈশোৰৰ কথাবোৰ মনত পেলোৱাচোন! কি মধুৰ তাৰ সোঁৱৰণী! কি মোহনীয় ছবি! সপোন সপোন লগা যৌৱনৰ মোহনীয় দিনবোৰৰ কথা, হৃদয়ৰ পোৱা-নোপোৱা, ব্যথা-বেদনাৰ মাজেৰে অতিবাহিত হৈ গ'ল। তেতিয়াতো আমাৰ মাজত বিপৰীতমুখী আদৰ্শক লৈ সংঘাতৰ সৃষ্টি হোৱা নাছিল। মই বুজিব পৰা নাই তোমাৰ ইমান পৰিবৰ্তন হ'বলৈ পালে কিয়? তুমিয়েতো মোক কৈছিলা ধন-সম্পত্তি, ঐশ্বৰ্য্য-প্ৰাচুৰ্য্যতকৈ মানৱতা বহু উৰ্দ্ধত। তুমিয়েতো নতুন সমাজ গঢ়াৰ সপোন দেখিছিলা। যাৰ বাবে উত্তৰপুৰুষক এক নতুন মানসিকতাৰে গঢ় দিয়াৰ প্ৰয়াস কৰিছিলা। নীতা! আদৰ্শৰ কথা কোৱাটো যিমান সহজ, তাক কাৰ্য্যত পৰিণত কৰাটো সিমান সহজ নহয়। আজি তোমাৰ মলিয়ন মুখ দেখিব লগা হ'ব বুলি ভবা নাছিলোঁ।

অৱশ্যে তোমাৰ পৰিবৰ্তন হোৱাটো একো অস্বাভাবিক কথা নহয়। হয়তো ছাত্ৰ অৱস্থাত মনৰ গহন-কক্ষত একো একোটা মহৎ আদৰ্শক সহজে পুহি ৰাখে। প্ৰশাসনৰ বিভিন্ন ক্ষেত্ৰত নিয়োজিত হোৱাৰ যোগ্যতা অৰ্জনৰ প্ৰগাঢ় প্ৰচেষ্টাত নিজকে জৰিত ৰখাৰ লগতে বুকুৰ উম দি জীয়াই ৰাখে নিজা নিজা আদৰ্শক। আৰু... ... ...

অপূৰ্ব — সজোৰে চিঞৰি উঠে নীতাই।

প্লিজ নীতা, মোক কবলৈ দিয়া। অ' নিজকে দুৰ্নীতিৰ বিপক্ষে শাণিত অস্ত্ৰ হিচাপে তৈয়াৰ কৰিবলৈ হৃদয়ৰ কমাৰশালাত লৌহ আদৰ্শক গলায় দেহৰ উত্তপ্ত উষ্ণতাৰে। শেষত যোগ্যতাৰ প্ৰাপ্ত হৈ, একোটা বিভাগত মকৰল হৈ কোনোৰে দুৰ্নীতি দমন, কোনোৰে ভেজালকাৰী ৰোধ, কোনোৰে মাদক দ্ৰব্য নিবাৰণ, কোনোৰে নিয়োগৰ সম-বিতৰণ; কোনোৰে দালাল, ঘোঁচখোৰৰ নিৰ্মূল, আন কোনোৰে ৰাজনৈতিক সমতা স্থাপনত চোকা দৃষ্টি ৰাখে। ধানটোৰে প্ৰতি কণটো মানুহটোৰে প্ৰতি মনটো হোৱা বাবে জীৱনৰ লক্ষ্য, আদৰ্শ পৃথক পৃথক। প্ৰথম অৱস্থাত তেওঁলোকৰ নিজা আদৰ্শ আগত ৰাখিয়েই কৰ্মক্ষেত্ৰত অগ্ৰসৰ হয়। কিন্তু কিমানেই-বা সেই সোণালী ছাত্ৰ অৱস্থাৰ আদৰ্শক বজাই ৰাখিব পাৰে। নোৱাৰে। কিয় নোৱাৰে? একমুখী কোৱাল বতাহে যেনেকৈ বিপৰীত-মুখী প্ৰতিৰোধ অনায়াসে অতিক্ৰম কৰি যায়, তদ্ৰূপ এইখন দেশৰ বিপৰীতমুখী প্ৰতিৰোধৰ ব্যৱস্থা কাহিল হৈ পৰে। শেষত মিলি যাব লগা হয় সেইচাম ব্যক্তিৰ লগত। মিলি যাবলৈ বাধ্য কৰে আৰ্থিক সংকটে। আদৰ্শক বিসৰ্জন নিদিলে হয়তো তেওঁৰ সংসাৰ নচলে। যিজনে প্ৰথম অৱস্থাত দুৰ্নীতি দমন কৰাত হাতে কামে লাগে শেষত তেৱেঁই দুৰ্নীতিৰ আশ্ৰয় লব লগা হয়। আৰু যাৰ দালাল-ঘোঁচখোৰ শ্ৰেণীৰ প্ৰতি আজন্ম আক্ৰোশ, তেওঁ হৈ পৰে নামী ঘোঁচ-খোৰ। এইয়া মোৰ জীৱনৰ বিগত দহটা বছৰৰ তিক্ত অভিজ্ঞতা। অৱশ্যে এইখন দেশত আদৰ্শ-



বান ব্যক্তি দুই এক নথকা নহয়। আছে। ব্যক্তিগত স্বাৰ্থক প্ৰাধান্য নিদি বহুতে সামুহিক স্বাৰ্থক প্ৰাধান্য দিয়া উদাহৰণ নথকা নহয়।

আজিৰ প্ৰতিযোগিতাৰ যুগত মধ্যবৃত্ত শ্ৰেণীৰ আৰ্থিক অৱস্থা শোচনীয় হৈ পৰে। ধনীক শ্ৰেণীৰ লগত প্ৰতিযোগিতাত অৱতীৰ্ণ হৈ সংসাৰৰ স্থিৰতা হেৰুৱায়। ফলত সৃষ্টি হয় পাৰিবাৰিক কন্দল। ভুল বুজা বুজি হয় পতি পত্নীৰ মাজত। যি আজি তোমাৰ মোৰ মাজত হৈছে।

অপূৰ্ব খন্তেক মৌন হৈ ৰয়। হয়তো একেবাৰে বহু কথা কোৱাত ভাগৰ লাগিছিল।

প্ৰাণে পাহৰি গৈছিল কান্দিবলৈ! দেউতা-কৰ কথাবোৰ নিষ্ঠাৰে শুনিছিল! ৰিচনাত নিশ্চুপ হৈ বহি থকা মা'কলৈ এবাৰ চাই, আকৌ একে-থৰে চাই থাকে অপূৰ্বৰ গহীন মুখখনলৈ। অপূৰ্বৰ চকুৰ চকুৰে পৰাত তললৈ চকু নমাই তললৈ চাই ৰয়।

অপূৰ্বই একাপ চাহৰ প্ৰয়োজন অনুভৱ কৰিছিল। কিন্তু নীতাক কোৱাৰ সাহস গোটাব নোৱাৰিলে! নিঃশব্দে বহু সময় পাৰ হৈ গ'ল। সেই নীৰৱতা সময় খিনিয়ে অপূৰ্বক হুলে বিন্ধা দি ৰিন্ধিছিল। আকৌ নীতাক বুজনি দিয়াৰ মান-সেৰে আৰম্ভ কৰে।

নীতা, ছিঃ কি যে কৰা তুমি। তুমি মোক, মই তোমাক বুজিবলৈ চেষ্টা নকৰিলে কেনেকৈ হ'ব। প্ৰাণৰ কথা — তাৰ ভৱিষ্যতৰ কথ এবাৰ ভাবা। এতিয়াৰে পৰা তাক শুদ্ধ পথেৰে চালিত নকৰালে তাৰ জীৱনত ভুল হোৱাৰে সম্ভৱনা বেছি। আমাৰ জীৱিত অৱস্থাত আমাৰেই ঔৰসজাত সন্তানক ভুল পথেৰে চালিত হ'বলৈ এৰি দিব পাৰি জানো? নীতা! প্ৰাণক মোৰ আদৰ্শৰে গঢ়িবলৈ চেষ্টা কৰিছোঁ। নাজানো তাৰ পিতৃৰে যি কাম সামাধা কৰিব নোৱাৰিলে সি তাক পুৰণ কৰিব পাৰেনে নোৱাৰে। মোৰ আশা-আকাংখ্যা মই তাৰ জৰিয়তে পূৰণ হোৱাটো বিচাৰোঁ। তাৰ পৰা জানো মোক তুমি বিৰত কৰিবা? প্ৰত্যেক ব্যক্তিৰে এক স্বকীয় জীৱন-দৰ্শন আছে। কিন্তু সেই সকলোকে দাৰ্শনিক নোবোলে। প্ৰত্যেক ব্যক্তিৰে নিজা এক মন আছে বুলিয়েইটো সকলোৰে মনস্তত্ত্ব-বিদ হ'ব নোৱাৰে। মোৰ অন্তৰত উমি উমি জ্বলি থকা ভাৱৰাশিক বুজিব কোনে? শেষলৈ অপূৰ্বৰ মাত ঠোকাঠুকি হ'বলৈ ধৰে!

নীতা! এক দীৰ্ঘ শ্বাস কাঢ়ি আকৌ আৰম্ভ কৰে অপূৰ্বই। প্ৰাণে আনৰ ঘৰত টি, ভি, চোৱাতো তুমি প্ৰচণ্ড নকৰা, বন্ধ কৰি দিয়া তাক। টি, ভি, নাচালেওটো মোৰ ল'ৰা মূৰ্খ হৈ নাযায়। আনৰ গাড়ীত তাক স্কুললৈ পঠিওৱা কিয়? মইতো তাক ৰিক্সাত পঠাবলৈ সদায় কওঁ তোমাক। মই তুমি বিচৰা মাৰুতী কাৰ, টি, ভি, ঘটি দিব পৰা নাই। মোৰ চৰিত্ৰত কলংক সানি-বলৈ তোমাক উচটাব পাৰে সেইসকলে—, গৌৰী, বৰ্যাহ'তৰ কথাতে তুমি মোক ভুল বুজিব নালাগিছিল নীতা। উস্ মই বৰ অসহায়, ভগৱান! আনকি মোৰ ধৰ্ম-পত্নীয়েও মোক সন্দেহ কৰে, আনে নকৰিব কিয়? অপূৰ্ব ভাঙি পৰে। কথা কোৱাৰ ইচ্ছা আৰু নাছিল অপূৰ্বৰ।

অপূৰ্বৰ দুভৰিত সাবটি ধৰে নীতাই।

সজোৰে উচুপি উঠে। হঠাৎ কি হ'ল অপূৰ্বই বুজিবকে নোৱাৰিলে। নীতাই তপ্ত চকুলোৰে দুভৰি তিয়াই দিলে অপূৰ্বৰ।

মোক ক্ষমা কৰা অপূৰ্ব, মই তোমাক ভূল বুজিছিলোঁ। মোক ক্ষমা কৰিবানে?

চাওঁ উঠা। উঠাচোন মোৰ সোণজনী। মই জানো, তুমি মোক বুজি পাবাই। তুমি নুবুজিলে মোক বুজিব কোনে? অপূৰ্বই নীতাক বাহুত ধৰি উঠাই দিয়ে। ক্ষমা কৰিব লগা একো ভূল কৰা নাই তুমি। মানুহৰ অন্তৰৰ এইয়া চিৰন্তন ভাৱনা। মানুহে মানুহক ভূল বুজাতো নিতান্ত প্ৰকৃতিগত। নীতা··· —। আজি মোৰ ফুলশয্যাৰ জোনালী নিশাটিৰ কথা মনত পৰিছে। সেইদিনাও তুমি মোৰ দুভৰি চকুলোৰে তিয়াই দিছিলা। আজিও আমি এক নতুন ফুলশয্যা ৰচনা কৰিম আৰু সংকল্পবদ্ধ হ'ম, আমাৰ অনাগত দিনবোৰত এনে ভূল নকৰিবলৈ।

প্লীজ, অপূৰ্ব আৰু নকবা। নীতাই অপূৰ্বক আবেগেৰে সাবটি ধৰে। দুগুণ আবেগেৰে সাবটি ধৰে অপূৰ্বই নীতাক।

মাক-দেউতাকৰ মিলন দেখি প্ৰাণৰ বিষাদ ভৰা প্ৰাণতো আনন্দৰ জোঁৱাৰ উঠে। আনন্দত দুচকুৰে দুটোপাল তপত অশ্ৰু নিগৰি আহি কোঠাৰ মজিয়াত বিলীন হৈ যায়। এখোজ দুখোজ কৈ কোঠাৰ পৰা বাহিৰলৈ ওলাই আহে প্ৰাণ। বাহিৰত শাৰদীয় স্নিগ্ধ জোনাক। প্ৰাণৰ ভাল লাগি যায়। শাৰদীয় জোনটিয়েও যেন প্ৰাণক স্বাগতম জনাইছে।

০০০



# প্ৰতিদান

*দীপামণি মহন্ত*
উঃ মাঃ ২য় বাৰ্ষিক (দিবা)

চাৰিওফালে বিয়পি পৰা আন্দোলনৰ বতাহ মিলন গাৱঁৰ ৰাইজৰ গাত ভালকৈয়ে লাগিছে। ছাত্ৰ-ছাত্ৰীতো বাদেই স্কুল নোহোৱা ল'ৰা-ছোৱালীৰ পৰা বুঢ়াটোলৈকে আন্দোলন বুলিলে গাত থৰ-কাচুতি নোহোৱা হয়।

ৰুণি আৰু দীপ্তি গাঁৱৰ শিক্ষিতা ছোৱালী। সিহঁতৰ ওপৰত সভা-সমিতিৰ গধূৰ দায়িত্ব থাকে। আন্দোলনৰ সভা-সমিতি-বিলাকত ৰুণি আৰু দীপ্তিৰ ওপৰত বেছি দায়িত্ব পৰিল। কাৰণ নেতাখিনি গাঁৱত নেথাকেই, গাৱঁলৈ আহিলেও এঘণ্টা বা দুঘণ্টা থাকি গুচি যায়।

সভা আৰম্ভ হোৱাৰ অলপ আগত গাঁৱৰ অন্য এজন আগৰণুৱা নেতা দ্বিজেনে খবৰ দিলে যে সভা সন্ধ্যাহে হ'ব, কাৰণ পুলিচে হেনো সভাৰ খবৰ পাইছে। আৰু গাঁৱৰ মানুহক আগতীয়াকৈ আহিবলৈ দ্বিজেনে মানা কৰিলে, কাৰণ ছাত্ৰ সন্থাৰ ল'ৰা নাপালে গাঁৱৰ নিৰীহ মানুহক মাৰধৰ কৰিব।

ঃ দীপ্তি, আমি সৌ নামঘৰৰ পকাতে বহোঁগৈ ব'ল, সভা আৰম্ভ হ'বলৈ এতিয়াও বহু সময় বাকী।

ঃ অ ৰুণি আজি সভালৈ দেৰিয়েই হ'ল নহয়! আজিতো ছাত্ৰ সন্থাৰ কেইবাজনো নেতা আহিব, অলপ সোনকাল কৰ।

ঃ যাম ব—কিন্তু আজি সভাত কিবা অঘটন হয় বুলি কিবা ভয় লাগিছে অ! ছাত্ৰসন্থাৰ সভা হোৱা বুলিলে পুলিচ যে নাহিব তাৰ মানে নাই! সিহঁতে ক'ত সভা হয় গম লৈহে ফুৰে।

ঃ অ' সেই ভয়তে তই হ'বলা ইমান সময় ওলোৱা নাই।

ঃ সেই কাৰণে নহয়, মোৰ আজি মনটো কিবা ভাল লগা নাই, গাটো কিবা জ্বৰ জ্বৰ লাগিছে। তাতে কালি সভাৰ কাম ৰাতি হ'ল। গতিকে টোপনি ক্ষতিও হৈছে।

ঃ দেশৰ কামত কিহৰ মন-গা বেয়া, টোপনি ক্ষতি অ'। মোৰতো যোৱা ৰাতি কষ্ট হৈছে। বাদ দে সেইবোৰ, এতিয়া কাপোৰ পিন্ধি সোণকালে ওলা।

ৰুণিয়ে দেউতাকক সেৱা কৰি ওলাই গ'ল। দেউতাকে ক'লে—সোনকালে ঘূৰি আহিবি আই, মোৰ অকলে অকলে বৰ আমনি লাগে।

ঃ নবহাে অ, চকীখিনি ঠিক কৰিব লাগিব, গামোছাখিনি, ফুল, শৰাই আদি বস্তু একোৱেই অনা হোৱা নাই।

ঃ এতিয়া একো নালাগে আহ, পুলিচ পালেহি বিপদ হ'ব। মাকণ পেহীৰ ঘৰতহে আছে, সভা আৰম্ভ হোৱা দহমিনিট মানৰ আগত আনিলেও হ'ব দে।

ঃ হ'ব কিন্তু··· ··

ঃ কোনো কিন্তু নাই, আহ।

দুইজনী সভা হোৱা, পথাৰখনৰ কাষত থকা মিলন গাঁৱৰ নামঘৰৰ পকাতে বহিলগৈ। বহাৰ আগত দুইজনীয়ে বাহিৰৰ পৰা সেৱা জনালে।

ঃ দীপ্তি আমাৰ প্ৰাৰ্থনা ভগৱানে শুনিবনে ?

ঃ কিয় নুশুনিব, বিশ্বাস ৰাখিলে এদিন নিশ্চয় শুনিব।

ঃ আজি সভাত আন্দোলনৰ কাৰ্য্যসূচীৰ কিবা আলোচনা হ'ব নেকি ?

ঃ মই একো নাজানো, কাকো লগ পোৱা নাই সুধিবলৈ। ৰুবুলক সুধিছিলোঁ সি একো নাজানে।

ঃ এৰা দে পৱিত্ৰইত কোনো নাই যেতিয়া কেনেকৈ গম পাবি।

ঃ দীপ্তি, পৱিত্ৰৰ যে একো খবৰেই পোৱা নাই। যোৱা সোমবাৰে সন্ধ্যা সময়ত আহিছিল, গাখীৰ এগিলাচ দিলোঁ খায়েই গুচি গ'ল আৰু আজিলৈকে দেখা-দেখি নাই।

ঃ কিয় তোক একো কোৱা নাছিল সি ?

ঃ এই সভাখন হোৱাৰ আগত আহিম বুলি কৈছিল ?

ঃ তেতিয়া হ'লে সভালৈ নিশ্চয় আহিব, চিন্তা নকৰিবি।

ঃ জানো— ক'ত, কেনেকৈ আছে! পৱিত্ৰৰ পৰীক্ষালৈতো বেছি দিন নাই, কিতাপ-বহী সকলো মোৰ তাতেই আছে, সিদিনা আহোঁতে সুধিছিলে পৰীক্ষাৰ কথা।

ঃ পৱিত্ৰই কি ক'লে ?

ঃ ঠিক নাই বুলি ক'লে দেখোন।

ঃ তই কিতাপৰ পৰা নোট কৰি দিবি নহ'লে।

ঃ মই নোট কৰি থৈছোঁ, মাত্ৰ পঢ়িলেই হ'ল।

ঃ সভাত লগ কৰি তাক বহীখিনি দি পঠাবি।

সন্ধ্যা সময়ত সভা আৰম্ভ হ'ল। গাঁৱৰ সকলো মানুহ গোট খালে। কেইবা জনো নেতাই সভাত ভাষণ দিলে। আন্দোলনৰ নতুন নতুন কাৰ্য্যসূচী ল'লে। স্বাধীনতা দিৱসৰ দিনা পতাকা উত্তোলনৰ পৰা বিৰত থকা, শোভাযাত্ৰা আদি সফল কৰি তুলিবলৈ সকলোকে আহ্বান জনালে।

ঃ দ্বিজেন দা, পৱিত্ৰ সভালৈ কিয় নাহিল ?

ঃ নাই ৰুণি, সি গুৱাহাটীলৈ গ'ল এটা বিশেষ কামত।

ঃ কিবা কথা আছিল ?

ঃ নাই— মানে ~ —

ঃ কি কথা কোৱা মই ৰাৰু তাক কম!

ঃ পৰীক্ষালৈ বেছি দিন নাইতো, কিতাপ-বহীখিনি মোৰ তাতে আছে; তাক পঢ়িবলৈ ক'ব।

ঃ বাৰু মই কম।

সভা প্ৰায় পঞ্চলিশ মিনিট মানতে শেষ হ'ল। সকলো মানুহ সভাৰ পৰা গুচি গ'ল। মাত্ৰ কেইটামান ল'ৰা, দুজনমান বুঢ়া মানুহ আৰু ৰুণি দীপ্তি হতেঁহে চকী, কাপোৰ, টেবুল আদি সামৰিছে। তেতিয়া ৰাতি প্ৰায় সাতমান বাজিছে, তেনেতে পুলিচৰ গাড়ী এখন আহি ৰ'লহি। প্ৰায় ৩০/৪০ জন পুলিচ হাতত বন্দুক আৰু লাঠী লৈ নামি আহিল। পুলিচ দেখাৰ লগে লগে ল'ৰা কেইটা দৌৰ মাৰিলে। মাত্ৰ দুজন বুঢ়া মানুহ, দীপ্তি আৰু ৰুণিহে ৰৈ থাকিল। পুলিচে সভাৰ কথা সুধিলে। ৰুণিয়ে সভা নাই হোৱা বুলি ক'লে।

ঃ যদি হোৱা নাই, এইবোৰ চকী, কাপোৰ ইয়াত কিয় ?

ঃ সভা হোৱাৰ কথা আছিল— কিন্তু নহ'ল।

ঃ মিছা কথা, ইয়াত মিটিং হৈছিল··· ···

এইদৰে পুলিচ আৰু ৰুণিৰ তৰ্কাতৰ্কি লাগিল। শেষত পুলিচে ৰুণিক হাতত ধৰি চোচৰাই গাড়ীত তুলি লৈ গ'ল। দীপ্তি য়ে তৎক্ষণাৎ কি হৈ গ'ল ধৰিবই নোৱাৰিলে। তথাপিও তাই গাঁৱৰ মানুহক চিঞৰিলে, কিন্তু তেতিয়া পুলিচৰ গাড়ী বহু দূৰ পালেগৈ।

দীপ্তিয়ে পাছদিনা ৰুণিৰ খবৰ লবলৈ গ'ল। কিন্তু এয়া কি, দীপ্তি য়ে নিজৰ চকুকে বিশ্বাস কৰিব পৰা নাই; থানাৰ সন্মুখত ৰুণিক বগা কাপোৰেৰে ঢাকি শুৱাই থৈছে। দীপ্তিয়ে পাগলিৰ দৰে ৰুণিৰ মৃত দেহটো সাৱটি ধৰিলে।

অকলশৰীয়া ৰুণিৰ দেউতাকে চিঞৰি চিঞৰি কান্দিলে "মোৰ ৰুণিক ঘূৰাই দে, মই কাৰ লগত থাকিম।"

ৰুণিৰ মৃতদেহ শোভাযাত্ৰা কৰি মিলন গাঁৱলৈ লৈ আনি স-সন্মানে সৎকাৰ কৰা হ'ল। ৰুণিয়েই মিলন গাঁৱৰ প্ৰথম শ্বহীদ হোৱা যুৱতী।

* * *

একমাত্ৰ বান্ধৱী শ্বহীদ হোৱাৰ পাছত দীপ্তি আৰু উত্তপ্ত হৈ আন্দোলনত জপিয়াই পৰিল। তাই অকল মিলন গাঁৱতে নহয়, বিভিন্ন অঞ্চলবাসীক জাগ্ৰত কৰি তুলিলে। কাৰো হকা-বাধা নামানি দীপ্তিয়ে দিনে-ৰাতিয়ে আন্দোলনৰ কামত লাগিল।

ঃ দীপ্তি, তই এনেদৰে ঘুৰিছ কিয়, আমিতো আছো।

ঃ তই আকৌ মোক বাধা দিবলৈ নাহিবি।

ঃ তোৰ স্বাস্থ্য চাচোন, তাৰ উপৰি··· ···

ঃ মই যদি বহি থাকো ৰুণিৰ আত্মাই শান্তি নাপাব, তাই মোক অভিশাপ দিব। সেইদিনা মইহে তাইক জোৰকৈ মাতি আনিছিলোঁ ···।

দীপ্তি উচুপি উঠিল।

ঃ তই দুখ নকৰিবি, ৰুণিৰ মৃত্যু মহান, তাইৰ জীৱন সফল হৈছে। তই যদি তাইৰ মৃত্যুত কান্দ, তেন্তে তাইৰ আত্মাই শান্তি নাপাব।

ঃ ৰুণিৰ আত্মাই শান্তি পাবলৈতো মই ইমান কষ্ট কৰিছোঁ। তাইৰ মনৰ আশা পূৰণ কৰিবই লাগিব।

ঃ তই এনেদৰে অকলে কাম নকৰিবি ? চা,— দীপ্তি, আমি গাঁৱৰ সকলো ল'ৰাই দিনে-ৰাতিয়ে সমানে লাগিছোঁ।

ঃ আৰু মই কি বহি থাকিম। তই মোক বাধা নিদিবি দ্বিজেন দা, মোক বাধা নিদিবি।

ঃ দীপ্তি তোৰ ভালৰ কাৰণে কৈছোঁ, গাঁৱত

তোৰ বিষয়ে — —

ঃ কি হ'ল, মোৰ।

ঃ চাৰিওফালে বদনাম, অকলে ঘূৰি ফুৰ ...

ঃ কিন্তু মই কিয় ওলাই আহিছো ? তহঁতে মোক কিয় বুজা নাই ?

ঃ আমাক ভুল নুবুজিবি, যা আমি তোক ভুল বুজাও নাই,—কিন্তু গাঁৱৰ মানুহক বুজাবি কেনেকৈ ! গতিকে তই উভতি যা ।

ঃ তইও মোক উভতি যাবলৈ কৱ, গাঁৱৰ অবুজ মানুহৰ কথামতে তহঁতে মোক ... দীপ্তি উচুপি উঠিল ... । কিয় তহঁতে মোক বিশ্বাস নকৰ !

ঃ কৰোঁ—দীপ্তি কৰোঁ। কিন্তু গাঁৱৰ মানুহক কেনেকৈ বিশ্বাস কৰোৱাবি ?

ঃ কিন্তু মানুহে যিয়েই নহওঁক; মই ৰুণিৰ মৃত্যুৰ প্ৰতিশোধ লমেই লম। নহলে তাইৰ মৃত্যুক অসন্মান কৰা হ'ব।

* * *

শোভাযাত্ৰাৰ আগত দীপ্তিয়ে হাতত পতাকা লৈ আগ বাঢ়িছে । "আমাৰ দাবী মানিবই লাগিব।" "তেজ দিম তেল নিদিওঁ।"— আদি শ্ল-গানেৰে দলটো আগ বাঢ়িছিল । থানাৰ সন্মুখত পুলিচে বাধা দিলে, কিন্তু দীপ্তিয়ে দলটো আগুৱাই যাবলৈ নিৰ্দেশ দিলে । শেষত পুলিচে লাঠী চালনা আৰু গুলী চালনা কৰিলে। দীপ্তিৰ বুকুত এটা, ভৰিত দুটা, হাতত এটা গুলী সোমাল, বাকী শোভাযাত্ৰাকাৰী দলটো চেদেলি-ভেদেলি হ'ল। কাৰোবাৰ হাত ভাগিল; ভৰি ভাগিল, কাৰোবাৰ হাত, ভৰিত গুলী লাগিল।

"দীপ্তি"— দ্বিজেনে চিঞৰি উঠিল।

ঃ দ্বিজেন দা, ম-ই নোৱাৰিলোঁ, তহঁতে ৰুণিৰ প্ৰতিশোধ লবি ।

ঃ লম দীপ্তি, লমেই ল'ম !

ঃ পবিত্ৰ দাক পৰীক্ষা দিবলৈ কবি, ন'হলে ৰুণিয়ে খু-ব দুখ পাব । তহঁতে মোৰ আৰু ৰুণিৰ আশা পূৰণ — ..." দীপ্তিৰ চকু দুটি চিৰদিনলৈ জাপ খাই গ'ল ।

* * *

চাৰিওফালে হুলস্থূল, ছাত্ৰ সন্থাৰ দাবী চৰকাৰে মানি লৈছিল। সকলো সমস্যা সমাধান কৰি দিব। চৰকাৰ-ছাত্ৰ সন্থাৰ মাজত 'চুক্তি' স্বাক্ষৰিত হ'ল ।

ৰুণিৰ; দীপ্তিৰ মনৰ আশা পূৰণ হ'ল, মৃত্যু সাৰ্থক হ'ল ।

অৱসৰপ্ৰাপ্ত শিক্ষক ৰুণিৰ অকলশৰীয়া দেউতাকে এটি হুমুনিয়াহে নিজক প্ৰশ্ন কৰিলে ঃ সচাঁয়ে সমস্যা সমাধান হ'লনে ? এই চুক্তিয়ে, এদিন শান্তি আকৌ ঘূৰাই আনিবনে ? মোৰ মৰমৰ ৰুণিৰ, দীপ্তিৰ দেশৰ কাৰণে মৃত্যু বৰণ কৰা সাৰ্থক হ'বনে ? সিহঁতৰ মৃত্যুৰ প্ৰতিদান সচাঁই'য়ে ঘূৰাই পামনে ???

০০০



# ন তু ন আ শা

যুতিকা ভাগৱতী
স্নাতক ২য় বাৰ্ষিক (দিবা)

দৰিদ্ৰতাৰ কবলত পৰি নৱম মানতে শিক্ষা সাং কৰি ৰামলালে জীয়াই থকাৰ এটা সম্বল পালে । সি এখন ৰিক্সা চলাব । অৱশ্যে উপাৰ্জনৰ বুজন অংশ মালিকৰে। "হ'ব, দৰিদ্ৰতাত পৰি সমাধিস্থ হোৱাতকৈ কিঞ্চিত লৈ জীয়াই থকাই শ্ৰেয়"—সি ভাবিলে ।

আজি প্ৰথম দিনা সি গা-পা ধুই ৰিক্সাখন লৈ ওলাই গ'ল । মনত অসীম আনন্দ অভিব্যক্তি । মুখত এক স্বতঃস্ফুৰ্ত গীত । তাৰ আনন্দই তাক উৎসাহিত কৰি তুলিলে কামটোৰ প্ৰতি ।

এদিন দুদিনকৈ আজি প্ৰায় দহ দিন মান হ'ল। এই কেইদিনত যে কিমান মানুহক লগ পালে; কিমান চোৰক যে চাৰ বুলিলে, কিমান সৎ-অসৎক যে নমস্কাৰ দিলে তাৰ ঠিক নাই। সি বহুতৰ ঘৃণাৰ, বহুতৰ বিৰক্তিৰ আৰু সহানুভূতিৰ পাত্ৰ । তাতেই তাৰ গৌৰব ।

সিদিনাও ৰামলালে ৰিক্সাখন লৈ ওলাই গৈছিল । আষাৰ মাহৰ ৰ'দ । ঘৰ্মাক্ত দেহটোৰে কঢ়িয়াই নিয়া ৰিক্সাখনৰ পাছফালে এজন ভদ্ৰলোক । মানুহজনে আৰম্ভ কৰিলে "তহঁতে দিনে কিমান কমাৰ ?" ৰামলাল— "বেছি নহয় বাবু, প্ৰায়ভাগ মহাজনকে দিব লাগে।" ভদ্ৰলোকজনে ক'লে— চাবি আকৌ "মানুহ চাইচিতিহে উঠাবি, দেশ-কালৰ গতি ভাল নহয়।" মুখ ফুটাই একো নক'লেও, মানুহজনৰ কথাটোত সি সন্মত নহ'ল— ঃ মানুহ কিয় চাইচিতি উঠাম, যিয়েই নহওক ৰিক্সাত উঠিলে পইছা দিবই"— সি ভাবিলে। কিছুদূৰ যোৱাৰ পিচত ভাড়া দি মানুহজন নামিল । 'বৰ ভাল মানুহ'—ভোৰভোৰালে ৰামলালে । এনেতে তিনিজন যুৱক আহি তাৰ ওচৰ চাপিল । "ঐ নিউপাৰ্ক"লৈ" এটাই ক'লে আৰু তাৰ উত্তৰলৈ অপেক্ষা নকৰাকৈ তিনিওটা একেখন ৰিক্সাতে উঠিল । সি তত্তকে ধৰিব নোৱাৰিলে। প্ৰতিবাদ কৰিবৰ মন গৈছিল, কিন্তু নকৰিলে । সিহঁতৰ মূৰ্ত্তি দেখি তাৰ যেন প্ৰতিবাদ কৰাৰ সৎ সাহসকণ হেৰাই গৈছিল । হৃষ্ট-পুষ্ট শৰীৰৰ তিনিটাক তাৰ ক্ষীণ কায়াটোৰে কঢ়িয়াই নিবলৈ ধৰিলে । তাৰ মনত নানান চিন্তাৰ খেলি-মেলি । ল'ৰা কেইটাৰ ভাব-গতি তথা

তথা আচৰণে তাক সন্দিহান কৰি তুলিছিল। 'মানুহ চাই-চিতি উঠাবি'— ভদ্ৰলোকজনৰ কথাষাৰ ৰামলালৰ মনত পৰিল। সিহঁতৰ চিগাৰেটৰ ধোঁৱাৰ পাকে পাকে তাৰ সন্দিহান মনটোও সহজৰ পৰা এক জটিল অৱস্থালৈ উধাও হয়। অৱশ্যে মাজে মাজে সিহঁতৰ অশ্লীল হাস্য, মটৰ-স্কুটাৰৰ হৰ্ণে তাক তাৰ বাস্তৱ অৱস্থালৈ ঘূৰাই আনে। এনে কিছুমান চিন্তাৰে তাৰ গধূৰ হৈ পৰা মনটোৰ লগতে ডেকাকেইটাৰ গধূৰতম দেহা কেইটাক কঢ়িয়াই আনি "নিউপাৰ্ক' পালেহি। ভাড়াৰ কথা একো উল্লেখ নকৰি ৰিক্সাৰ পৰা নামি সিহঁত 'পাৰ্ক'লৈ সোমাই যাবলৈ ধৰিলে। আচৰিত হৈ ৰামলালে পিছফালৰ পৰা চিঞৰিলে —"বাবু ভাড়াটো।" এটাই কৰ্কশ স্বৰে উত্তৰ দিলে—"বঃ আকৌ আহিছোঁ।" এক-দুইমিনিট-কৈ প্ৰায় বিশ-পঁচিশ মিনিট পাৰ হৈ গ'ল। ভাড়াৰ আশা পৰিত্যাগ কৰি সি ঘূৰি যাবলৈ ওলাইছে, এনেতে ডেকাকেইটা উভতি আহে আৰু এইবাৰ তাৰ ৰিক্সাত উঠি আদেশৰ সুৰত চহৰৰ এমূৰত থকা হোটেল অপ্সৰালৈ তাক ৰিক্সা চলাবলৈ কয়। "মই আৰু যাব নোৱাৰিম বাবু, আগৰ ভাড়াটো দিয়ক গই যাওঁ"—অৱশ হৈ পৰা ৰামলালে কয়। "চুপ যি কৈছো কৰি যা" — পাছৰ পৰা নিৰ্দেশ আহিল। ৰামলালে ঘূৰি চালে। সিহঁতৰ হিংস্ৰ চাৱনিৰ ওচৰত এইবাৰলৈও তাৰ প্ৰতিবাদ কৰাৰ সাহস কৰ্পূৰৰ দৰে উৰি গ'ল। আদেশ অমান্য কৰিব সি নোৱাৰিলে। পুনৰ ডেকাকেইটাক লৈ 'হোটেল অপ্সৰা'লৈ ৰিক্সা চলালে। ৰিক্সা আহি হোটেলৰ সন্মুখত ৰ'লহি। আগৰ বাৰৰ দৰে তাৰ অনুৰোধ উপেক্ষা কৰি সিহঁত হোটেলৰ ভিতৰলৈ সোমাই গ'ল আৰু যোৱাৰ সময়ত অলপ সময় ৰ'বলৈ কৈ গ'ল। সঙ্গী, জুৱা আৰু মদৰ নিচাত সিহঁতে বাহিৰত অপেক্ষাৰত ৰামলালক পাহৰি পেলালে। অতিষ্ঠ হৈ ৰামলালে হোটেলৰ ভিতৰলৈ ভয়ে ভয়ে সোমাই আহিল আৰু ডেকা কেইটাক তাৰ প্ৰাপ্য বিচাৰিলে। 'কুত্তাকা বাচ্চা ; ভাড়া লাগে, ৰ দিছো,—বুলি কৈ উদণ্ড ডেকাকেইটাৰ এটাই তাক গতিয়াই বাহিৰলৈ উলিয়াই আনিলে আৰু কাষতে পোৱা ইটা এচপৰা তাৰ গালৈ মাৰি পঠিয়ালে। ৰামলালে জাপ মাৰি আঁতৰি নিজকে বচালে, কিন্তু গধূৰ ইটা চপৰা তাৰ ৰিক্সাখনতে পৰিল। ডেক কেইটা পুনৰ হোটেলৰ ভিতৰলৈ সোমাই গ'ল। ৰামলালে ভাড়াৰ আশা বাদ দি ৰিক্সাখন লৈ যাব খুজিলে। কিন্তু হতভগিয়াৰ একমাত্ৰ জীৱিকাৰ উপায় ৰিক্সাখন তেতিয়া অচল। উদণ্ড যুবক কেইজনে মাৰি পঠিওৱা গধূৰ ইটাচপৰাৰ আঘাতত ৰিক্সাখনৰ এক্সেল ভাঙি গৈছে। ৰামলালৰ মূৰ আচন্দ্ৰাই কৰিবলৈ ধৰিলে। ৰিক্সাখন ভাল কৰিবৰ বাবে তাৰ হাতত যে এপইচাও নাই। নিষ্ঠুৰ মহাজনক সি কি ক'ব। উপাৰ্জনৰ পথটি তাৰ ৰুদ্ধ হৈ পৰাৰ আশংকাত কঁপি কঁপি সি তাতে ক'ব নোৱাৰা হৈ পৰি গ'ল।

যেতিয়া সি জ্ঞান ঘূৰাই পাই, তাৰ সন্মুখত দেখে এটা ডাঙৰ সমদল। ওচৰ চাপি গ'ল ৰামলাল। কৌতুহল বশতঃ সি তাৰে এজনক



সুধিলে—'কি হৈছে', ।ল'ৰাজনে বুজাই দিলে— "এই দেশত বৰ্তমান যোৰ যাৰ মুলুক তাৰ। ধনীবোৰ দিনে দিনে ধনী হৈয়ে গৈছে আৰু দুখীয়াবোৰ সিহঁতৰ কবলত পৰি দৰিদ্ৰৰ পৰা দৰিদ্ৰতাৰ ফালেহে আগবাঢ়িছে। সিহঁতৰ ইংগিতে দেশ পৰিচালিত হয়। ৰাজনীতি, সমাজনীতি সকলোতে হস্তক্ষেপ কৰিব পাৰে সিহঁতেই আৰু কলুষিত কৰে সিহঁতেই। আজিৰ শ্ৰমিকে দিনে-ৰাতিয়ে কঠোৰ শ্ৰম কৰিও প্ৰাপ্যৰ পৰা বঞ্চিত। অন্ন, বস্ত্ৰ, বাসস্থানৰ অভাৱত অখাদ্য খায়, অস্বাস্থ্যকৰ পৰিবেশত বাস কৰি অকালতে মৃত্যুক আঁকোৱালি লৈছে। এই দুদৰ্শাগ্ৰস্ত অৱস্থাৰ পৰা এই শ্ৰেণীটোক উদ্ধাৰ কৰিবৰ কাৰণে আজি ছাত্ৰ-ছাত্ৰী সকল ওলাই আহিছে। তেওঁলোকে দেখিও নেদেখাৰ, জানিও নজনাৰ ভাও ধৰা চৰকাৰক এইবিষয়ে জনাবলৈ আহিছে।

ৰামলালৰ মনত এক নতুন আশাৰ সঞ্চাৰ হ'ল। জীয়াই থাকিবৰ বাবে, এই ধনী শ্ৰেণীটোৰ অহংকাৰৰ বিৰুদ্ধে সিও সংগ্ৰাম কৰিব, অজানিতে সিও সমদলটিত সোমাই পৰিল। সিও ছাত্ৰ-ছাত্ৰীবোৰৰ লগত 'শ্লোগান' চিঞৰিলে 'মেহনতী জনতাক মৰ্য্যাদা দিয়ক।"

০০০

---

" আজি প্ৰত্যেক অসমীয়াই সংকল্প কৰা উচিত—অসমক মৰিবলৈ নিদিওঁ, অসমীয়াক জীণ যাবলৈ নিদিওঁ; অসমীয়া সংস্কৃতিক লুপ্ত হবলৈ নিদিওঁ'। অসমৰ বুকুত বৈচিত্ৰৰ মাজত ঐক্যৰ ডোলেৰে গাঁথি দুনাই শক্তিশালী অসমীয়া জাতি গঢ়ো— শক্তিমান ন-অসম গঢ়ি সমন্বিত শক্তিৰে সুন্দৰম্ ন-অসমীয়া সংস্কৃতি ৰচোঁ।"

*— বিষ্ণুপ্ৰসাদ ৰাভা*

# নতুন প্ৰতিশ্ৰুতি

*মালাবাণী বড়া*
স্নাতক ৩য় বাৰ্ষিক

এক ভীষণ জটিলতাত সোমাই সি বাৰে বাৰে নিজৰ ওচৰতে এটা সমাধান বিচাৰিছে। নাই. এই জটিলতাৰ সমাধান সি অকলে কৰিব নোৱাৰে । পুৰণাৰ পৰা একেধোৰ কথাকে ভাবি ভাবি সি ভাগৰি পৰিছে । শৰীৰৰ সমস্ত তেজবোৰ যেন মগজুৰ প্ৰতিডাল শিৰা উপ-শিৰাৰ মাজেৰে প্ৰবল ধাৰাত প্ৰবাহিত হৈছে। তাৰ এনে ভাব হ'ল । প্ৰতিটো বস্তুৰ প্ৰতি তাৰ বিতৃষ্ণা বাঢ়ি গ'ল । ক'তো সি শান্তিৰ অকণ সমল বিচাৰি নাপালে । অথচ প্ৰতিটো দিনৰ কৰ্মব্যস্ততাৰ মুৰত সূৰ্য্যাস্তৰ এই সময়-খিনিত সি সদায় আহি ঘৰৰ মুখৰ দবৰি ডৰাত চকীখন পাৰি ক্ষন্তেক জিৰায়, কেইটা-মান নীৰৱ মূহূৰ্ত্তৰ বাবে চকু দুটা মুদি সি পাহৰি যায় দিনটোৰ অৱসাদ । ডাল ভৰি ফুলা পদুলিমুখৰ ৰংগন দুজোপাৰ সৈতে গোটেই চোতাল ভৰি গজি উঠা সেউজীয়া দুবৰি ডৰাৰ কোমলতাই তাক সদায় পাহৰায় ক্ষন্তেকলৈ কঠোৰ কৰ্ম-ক্ষেত্ৰৰ কথা । জীৱন পণ কৰি ওলাই অহা তাৰ যুৱশক্তিক যেন এই টুকুৰা সেউজী ঘাঁহনিয়ে প্ৰেৰণা যোগাইছে স্বদেশক সেউজী কৰাত । তাৰ বৰ মন যায় নিজৰ ঘৰৰ চৌহদটো সি নিজ হাতে সজাই পৰাই যিদৰে সেউজ আশ্ৰম কৰি থৈছে ঠিক সেইদৰেই সজাই পৰাই সি যেন নিজৰ স্বদেশখনকো সেউজী সাজ পিন্ধাই দিব । জ্যোতি প্ৰসাদৰ ঘূণে ধৰা সেউজী ধৰণীক সি আকৌ এবাৰ 'সেউজী, সেউজী' ৰূপত সজাব পাৰিবনে ? সি ভাবিছিল। সোণোৱালী শস্যৰে ব'দালিত জিলিকা গছে-পাতে সেউজীয়া অনন্যা ধৰণীৰ ৰূপে তাক এনে-কুৱা সময়ত বৰ আন মনা কৰি তুলিছিল । হাতেৰে চুকি পোৱা কাষৰ ফুলনিডৰাৰ কোমল কোমল ফুলৰ পাহিবোৰ চুই যোৱাৰ সময়ত তাৰ মুখখন জিলিকি উঠিছিল এটা নিৰ্মল হাঁহিৰে । সন্ধ্যা সমীৰণৰ কোমল পৰশত হালিজালি প্ৰতিপাহ ফুলে যেন তাক সম্ভাষণ জনাইছিল জয়ী হোৱাৰ । আজি সাতবছৰে শৰতৰ এই নিৰ্দিষ্ট পুৱাটোত তাৰ খুব মৰমৰ বহু আশাৰ লিপিয়ে চিঙা নিচিঙোকৈ ছিঙি নিছিল তাৰ ফুলনিখনৰ পৰা শুভ্ৰ দুপাহ ৰজনী গন্ধা আৰু আলফুলে সজাই দিছিল তাৰ টেবুলত । কুণ্ডলী পকাই উৰি যোৱা ধূপৰ সুবাসৰ মাজে মাজে মিশ্ৰিত হৈ পৰিছিল ৰজনী গন্ধাৰ মিঠা সুবাস ! ৰুমটোলৈ যেন সবগৰ পবিত্ৰতা নামি আহি-ছিল । তাৰ মাজতে নিভাঁজ আন্তৰিকতাৰে এটুকুৰা কবিতাৰে লিপিয়ে যাচিছিল জন্মদিনৰ শুভেচ্ছা আৰু বৈপ্লৱিক অভিনন্দন । তাৰ পাছ-তেই ঘন চুলিকোচাৰ মাজত সলাজ মুখখন লুকুৱাই লিপি আঁৰ হৈ গৈছিল পদূলিৰ ৰংগন জোপাৰ আঁৰত । এইজনী লিপিৰ কথা আজি সাত বছৰে সি ভাবি আহিছে । জীৱনটোৰ কথা যদি সি ভাবিব লগা হৈছে একমাত্ৰ লিপিৰ কাৰণেই হৈছে । দেশৰ কাৰণে নিজক উছৰ্গা কৰা দিন ধৰি সি এদিনো ঘৰখনৰ কথা ভবা নাই ! কিন্তু আজৰি এইকণ সময়ত সি সদায় লিপিৰ কথা ভাবে ! লিপিক প্ৰেৰণা যোগায় পঢ়িবলৈ, ভাল ৰিজাল্ট কৰিবলৈ । সি ভাবিছিল লিপিৰ জৰিয়তে সি মাক-দেউতাকক সান্ত্বনা দিব । সি বিচাৰিছিল মাক-দেউতাকে আশা কৰা তোৰ সুন্দৰ ভৱিষ্যততো সি লিপিৰ জৰিয়তে দিব । কিন্তু এয়া কিয় হ'ল ? তাক কিয় আজি নুবু-জিলে ? তাৰ মাক-দেউতাকেতো তাক ভুল বুজি আঁতৰাই পঠিওৱা নাই । অথচ লিপি ইমান স্বাৰ্থপৰ হ'ল কিয় ? তাই তেন্তে তাৰ ওচৰত সামাজিক মৰ্য্যাদাহে বিচাৰিছিল নেকি ? শিক্ষা বা ধনেৰে প্ৰতিভাশালী হোৱাটো বিচৰা নাই । ভীষণ অনুসূচনাত সি ভুগিব ধৰিলে । ভুল বুজি লিপি তাৰ জীৱনৰ পৰা কিয় আঁতৰি যাব ? সিটো ঠগ্ বা প্ৰৱঞ্চক নহয় । নাই, সেইটো হ'ব নোৱাৰে । সি তাইক বুজাই দিব যে সি ভুল কৰা নাই । এনেকৈ প্ৰতিজন পলাশৰ সাহস আৰু প্ৰেৰণাৰ উৎস প্ৰতিজনী লিপি ভুলৰ বুকুত হেৰাই যোৱাটো সি নিবি-চাৰে । এটা জটিল পৰিবেশৰ সমাধান বিচাৰি সি তাৰ একমাত্ৰ বান্ধৱী কৰবীৰ সহায় বিচা-ৰিলে । সি জানে লিপিয়ে ইতিমধ্যে কৰবীক সকলো কৈ শেষ কৰি পেলাইছে । আৰু সেই ক্ষোভতে কৰবীয়েও তাইৰ বন্ধুক ভুল বুজি আজিৰ এই দিনটোত তাৰ পৰা আঁতৰি ফুৰিছে এক বিৰাট অভিমান বুকুত বান্ধি । তাৰ বৰ ভাল লাগে এই সহজ সৰল উদাৰ বান্ধৱী জনীক । টেবুলৰ পৰা সৰু পেড্‌টো উলিয়াই সি আৰম্ভ কৰিলে কৰবীলৈ এখন দীঘলীয়া চিঠি । সি ভালকৈয়ে জানে যে কৰবীয়ে বুজা মানে লিপিয়ে বুজা । এটা অবিচলিত মন লৈ সি লাহে লাহে চিঠিখনৰ মাজতে সুমাই পৰিল ।

মৰমৰ কৰবী ;

বন্ধুত্বৰ সহঁাৰিৰে জনোৱা সঁচা আন্তৰিকতা খিনি লবা ! অসময়ত লিখা চিঠি-খনে তোমাক হয়তো আমনি দিব । কিন্তু তোমাক আমনি দিয়াৰ ভয়ত মই মোৰ এই শ্বাশ্বত ৰূপটো জানো লুকুৱাই ৰাখিম ? নাৰাখোঁ । সেয়ে লিখিব ওলাইছোঁ হাজাৰটা পলাশৰ অন্তৰৰ কথা—হাজাৰজনী লিপি, কৰবীলৈ । মই জন্ম দিব খোজো নতুন কৰবীৰ, নতুন লিপিৰ । আমি এটা বিপ্লৱ নমাই আনিব খুজিছোঁ । সাম্প্ৰদায়িকতাবাদৰ অস্ত্ৰেৰে নিৰ্মিত সন্ত্ৰাসবাদৰ কথা আমি ভবা নাই । বিপ্লৱৰ অৰ্থ কেই-

ট্ৰামান দাবী বা চৰ্ত হ'ব নোৱাৰে। সামাজিক, অৰ্থনৈতিক আদি সকলো দিশৰ সময়ৰ খোজে খোজে আমূল পৰিবৰ্তন নমাই আনি এখন বিজ্ঞানসন্মত সমাজ প্ৰতিষ্ঠা কৰিবলৈ, আত্ম-সচেতনাৰে নৱজাগৰণৰ ঢৌ নমাই আনিবলৈ ; শোষণ-বৈষম্যৰ পৰা মুক্ত শ্ৰেণীহীন সুস্থ সবল আৰু উন্নত অসম গঢ়াৰ বাবে এটা বিপ্লৱৰ প্ৰয়োজন । হিংসা বা অহিংসাৰ কোনো শব্দ ইয়াৰ লগত জড়িত নহয় । প্ৰতিজন বিপ্লৱীয়ে একো একোজন লাচিত, একো একোজনী জয়া, একো একোজনী কনকলতা অথবা একো একোজন গান্ধী । ওঠৰ শতিকাৰ সহজ সবল অসমীয়া সমাজবো যথেষ্ট পৰিবৰ্তন ঘটিল। সাংবিধানিক বা আধ্যাত্মিক দৃষ্টিত আমি হিন্দু, মুছলমান, শিখ, চিডিউল-ট্ৰাইবেল, চাহমজদুৰ অথবা অইন কিবাই নহও কিয়, জাতীয় জীৱনৰ বিপৰ্য্যয়ত একেই লুইতপৰীয়া বুলি পৰিচয় দি জাতিক তথা দেশক বিপৰ্য্যয়মুক্ত কৰা বৃহৎ অসমীয়া সমাজখনক আভ্যন্তৰীণ দুৰ্নীতি তথা বৈষম্যই ঔপনিৱেশিক শোষকৰ আদৰ্শ চিকাৰত পৰিণত কৰিছে । আজি অসমৰ সমাজ বুলি ক'লে এটা দৃশ্য ভাঁহি উঠে য'ত অসমীয়া যুবকে অসমীয়া যুবতীক চোৰাং ব্যৱসায়ীৰ হাতত তুলি দি আত্ম-সন্তুষ্টি লাভ কৰে ! পুঁজিপতিৰ চূড়ান্ত কাৰ্য্যকলাপে সহজ গাঁৱলীয়া অসমীয়া সমাজলৈ যি প্ৰলয় নমাই আনিলে তাৰ বাবে দোষী কোন ? বৰ্ণময় চহৰৰ মধ্যবিত্তসকলে অথবা স্বপ্নমদিৰ বিলাসিতাত ডুবি থকা সেই অজান গোষ্ঠীবোৰে জানো চিকিৎসালয়ত বিচনাৰ অভাৱত কাৰাজ্যবালত পৰি থকা, খাদ্যৰ অভাৱত যৌৱন বিক্ৰি কৰা অসমীয়া সমাজখন দেখা পাইছে ? তোমালোকে জানো উপলব্ধি কৰিব পাৰিছা ৰাজপথত, ৰেলৰে প্লেটফৰ্মত, ফিল্ডৰ লোহাৰ পাইপৰ মাজত সোমাই জীৱন কটোৱা অনাথসকলৰ দুখৰ কথা ? এমুঠি আহাৰ, এখন বস্ত্ৰৰ কাৰণে সিহঁতে দিনে-ৰাতিয়ে আনৰ ভৰিত পৰিছে, কি'হৰ অভাৱত ? হাজাৰ হাজাৰ ডিগ্ৰীধাৰী ছাত্ৰ-ছাত্ৰীয়ে অফিচৰ দুৱাৰ মুখে মুখে ঘূৰি ফুৰিছে এটা বৃত্তিৰ বাবে ; দিন হাজিৰা কৰিছে অথবা ভিক্ষাৰ জোলোঙা লৈ আনৰ দুৱাৰ মুখত ভৰি দিছে । এইবোৰ কিয় হৈছে ? তোমালোক নিমাত কিয় ? এই চাকৰিমুখী শিক্ষাক প্ৰশ্ৰয় দি মই নিজকে আনৰ দৰে পংগু সজাব নোৱাৰোঁ । অকল বুদ্ধিজীৱীকসকলৰে চিন্তাৰ বিষয়বস্তু বুলি আমি সকলো এৰি দিয়াটো জানো উচিত ? আমি যুব-শক্তিৰ প্ৰয়োজনীয়তাৰ কথা অনুভৱ কৰিছোঁ । কিন্তু পদাৰ্থ বিজ্ঞানৰ নিউটনৰ সুত্ৰ মুখস্থ কৰি অথৱা অৰ্থনীতিৰ জনসংখ্যা বৰ্দ্ধিত হাৰকে নিৰূপণ কৰি আমি ক্ষান্ত থাকিলে নহ'ব । সেইবাবে মই ওলাই আহিছোঁ, মই কিয় মোৰ দৰে হাজাৰ-জন । মোৰ সন্মুখত এতিয়াও ইতিহাসৰ গধুৰ কিতাপবোৰ মেল খাই আছে । ৰাজনীতিৰ অথবা সাহিত্যৰ অধ্যয়নকো মই নুই কৰা নাই । মোৰ দৰে বহু জনৰ যত্নত লহপহকৈ গঢ়ি উঠিছে এৰী, মুগা অথবা আন ফাৰ্মবোৰ । বৃত্তিমুখী শিক্ষা, আধুনিক বিজ্ঞান সন্মত সজুলিৰ ব্যৱহাৰ



আৰু অসীম কৰ্মপ্ৰেৰণাৰে আমি দোপত দোপে আগবাঢ়ি যাব বিচাৰিছো । ধৈৰ্য্য, সততা আৰু সাহসৰ ওচৰত অৰ্থৰ পৰাজয়ক আমি দেখুৱাব খুজিছো । সামাজিক পংকিলতাত ডুব গৈ মই এজন মৰ্য্যাদাশালী ব্যক্তি হ'ব নোখোজো । মোৰ দৰে হাজাৰ জন পলাশৰ ৰঙচুৱা আভাৰে ৰঙীন এই অসম ভূমিক আমি এদিন জ্যোতি প্ৰসাদৰ অতি মৰমৰ সেউজী ধৰণী ৰূপে সজাই তুলিমেই । মোৰ দৰে হাজাৰ জন পলাশৰ বাবে ব্যক্তিগত দায়বদ্ধতাতকৈ সামৰিক দায়বদ্ধতাৰ গুৰুত্ব বেছি । সামাজিক দায়বদ্ধতাৰ বাবে আমি ব্যক্তিগত স্বাৰ্থৰ পৰা বহু দূৰৈত । তোমালোকে আমাক ভুল বুজিছা । অকল ব্যক্তিগত স্বাৰ্থৰে বলিয়ান হোৱাতো মই নিবিচাৰো । মই আন বহুতো যুৱকৰ দৰে কঠোৰ বাস্তৱৰ সন্মুখীণ হ'ব বিচাৰো । তোমালোকৰ আশাৰ কল্পনাৰ কপাহ-কোমল শয্যা মোক নালাগে । মই সেইদিনা হাঁহিম যিদিনা হাজাৰ জন দুৰ্ভগীয়া যুৱকে হাঁহিব, লক্ষ লক্ষ অনাথ শিশুৱে জীয়াই থকাৰ সংস্থান পাব । ক'ত জানো পাইছিলো কবিতা ফাঁকি :

"তুমি মই কোন আজি নাই পৰিচয়—
নুসুধিবা মোক কেনি যোৱা বুলি—
গৈয়েই থাকিম উভতি নাচাওঁ
নি:শেষ হৈ যাম থমকি নৰওঁ—
এয়েতো সময় আজি বিলাই দিয়াৰ
এই যাত্ৰা যে মোৰ সময় উভতি নহাৰ"

মৰমেৰে

তোমৰ বন্ধু

পলাশ—

# নিৰ্বাণ

উপমা বৰুৱা
স্নাতক ২য় বাৰ্ষিক

হাতত টেলিগ্ৰামখন লৈ মই ভাবিবলৈ ধৰিলোঁ হঠাৎ কি হ'ল বাইদেউৰ ? পোন্ধৰ দিন মাত্ৰ হৈছে মই ঘৰৰ পৰা অহা তেতিয়াতো সকলোৰে প্ৰায় ভালেই আছিল। বাইদেউতো সুস্থই আছিল ; হঠাৎ আকৌ কি হ'ল ? মাত্ৰ লিখিছে 'জুমি, তুমি সোনকালে আহা। বাইদেউৰ টান অসুখ।' কলেজ খোলা। পূৰাদমে ক্লাচবোৰ হৈ আছে। তাতে Major ৰ ক্লাচবোৰ কেতিয়াবা দুই তিনিটাকৈ এদিনতে হয়। তথাপিও কিনো হৈছে খবৰ লৈ আহোঁ বুলি অধ্যক্ষলৈ দৰ্খাস্ত দিলো। প্ৰথমতে ছুটি দিবলৈকে টান পাইছিল, তাতে আমাৰ ছাত্ৰীবাসৰ শাসনো কটকটীয়া। অভিভাৱক নহ'লে অকলে ছোৱালীক ঘৰলৈ যাবলৈ অনুমতি নিদিয়ে। তথাপি টেলিগ্ৰামখন দেখুৱাত যেনিবা অনুমতি দিলে, তাতে মই হোটেলৰ পুৰণা ছাত্ৰী। সেইদিনা সেইবোৰ কৰি থাকোতেই গাড়ীৰ সময় পাৰ হ'ল। সেয়ে ছাত্ৰীবাসলৈ আহি পিছদিনা পুৱাই যাব পৰাকৈ সকলো ঠিক কৰাত লাগিলোঁ। বাৰে বাৰে মোৰ মনলৈ আহিল মই সুস্থ অৱস্থাত দেখি অহা ৰুমীবাৰ যে হঠাৎ কি হ'ল মই বুজিব পৰা নাই! মোৰ মূৰটো আচন্দ্ৰাই কৰিবলৈ ধৰিলে। মোৰ মনটো বাৰে বাৰে ঘৰলৈ দৌৰ মাৰিলে। মই এটা কথাই ধৰি লৈছিলোঁ যে ভিনদেউৰ মৃত্যুৰ শোক হয়তো ৰুমীবায়ে ইমান সহজে পাহৰি যাব নোৱাৰিলে। আজিৰ পৰা মাত্ৰ চাৰিমাহ আগতে অজিতাভ চলিহাৰ লগত ৰুমীবাৰ বিয়া হৈছিল। মা-দেউতাহঁতৰ পৰিয়ালৰ ডাঙৰ হিচাপে ৰুমীবা আমাৰ ঘৰখনৰ যেনে মৰমৰ আছিল, ঘৰৰ সৰু বোৱাৰী হিচাপেও অজিতাভ ভিনদেউহঁতৰ ঘৰৰ সকলোৰে তাইক ভাল পাইছিল। অনবৰতে হাঁহি থকা তাইৰ মুখখনক সিহঁতে হাঁহিৰে উজলাই ৰাখিবলৈকে চেষ্টা কৰিছিল। আৰু ভিনদেউ! ভিনদেউলৈ মনত পৰাৰ লগে লগে মোৰ মনটোৱে হাহাঁকাৰ কৰি উঠিল। সৰু মামাৰ লগত চাকৰি কৰা অজিতাভ ভিনদেউৰ কি সুন্দৰ চেহেৰা আছিল। গাল দুখন আছিল তেজাল, ৰূপ আছিল সুন্দৰ, ব্যৱহাৰ নম্ৰ, আচৰণ অমায়িক, মা-দেউতাৰ প্ৰতি অচলা ভক্তি, বাইদেউৰ প্ৰতি এবুকু সঁচা মৰম। তেওঁলোকৰ গোটেই ঘৰখনৰ মানত মই এজনী তেনেই সৰু ছোৱালী আছিলোঁ।

হঠাৎ হোৱা হুলস্থুলটো শুনি ওচৰৰ টেবুলত বহি পঢ়ি থকা নমিতাক সুধি গম পালোঁ ভাত খাবৰ হ'ল। তাই মোক লগ ধৰিলে। মোৰ খোৱাৰ ইচ্ছা নাই বুলি কৈ তাইক জোৰকৈ খাবলৈ পঠিয়াই আঠুৱাখন তৰি শুবলৈ চেষ্টা কৰিলোঁ। কোনোপধ্যেই টোপনি নাহে। বাৰে বাৰে মনলৈ পুৰণি কথাবোৰে ভুমুকি মাৰে। বিচনাৰ পৰা উঠি মোৰ ওচৰৰ খিৰিকীখন খুলি দিলোঁ। এজাক চেঁচা বতাহ সোমাই আহিল। চেঁচা বতাহ জাকৰ পৰশ লাগি গাটো ভাল লাগি গ'ল। খিৰিকীতে মূৰ থৈ তৰাভৰা আকাশখনলৈ চাই চাই মনৰ চিন্তাবোৰ আঁতৰাবলৈ চেষ্টা কৰিলোঁ। কিন্তু মোৰ চেষ্টা অথলে গ'ল। মোৰ মৰমৰ ৰুমীবাৰ কথাই আকৌ মনলৈ আহিবহৈ ধৰিলে। উকা কপালৰে ৰুমীবাৰ মুখখন আৰু স্কুটাৰ দুৰ্ঘটনাত মৃত্যু হোৱা ভিনদেউৰ চোতালৰ আগৰ তুলসীৰ তলত বগা কাপোৰেৰে ঢাকি থোৱা দেহটোৰ দৃশ্যটো মনত পৰিলে মোৰ মন হাঁহাকাৰ কৰি উঠে। মোৰ দুগালেদি বেদনাৰ চকুলো অবিৰাম ভাৱে বৈ আহিল। চকুপানীবোৰ মচিবলৈ মন নগ'ল। চকু দুটা জোৰেৰে মুদি দিলোঁ। কিমান সময় তেনেকৈ আছিলোঁ কব নোৱাৰো, হঠাৎ নমিতা আৰু মোৰ ৰূমৰ বাকী কেইজনী কথা পাতি আহি ৰূমত সোমাল। সিহঁতৰ মাত শুনি মই চকু মেলিলোঁ। সিহঁত আটাই কেইজনী মোৰ বিচনাতে বহি লৈ নানা ধৰণে বুজাই-বঢ়াই শুই থাকিবলৈ কৈ নিজৰ নিজৰ বিচনালৈ গ'ল।

মোৰ চকুলৈ কিন্তু টোপনি নাহিল। মোৰ মনত পৰিছিল বাইদেউ-ভিনদেউৰ দেখাদেখি হোৱা প্ৰথম দিনটোৰ কথা। সেইদিনা আছিল ৰুমীবাৰ জন্মদিন। মামাই অভিজাত চলিহাক লৈ সন্ধিয়া সময়ত আমাৰ ঘৰ পাইছিলহি। তেতিয়া তাই বন্ধু-বান্ধৱীৰ সৈতে ব্যস্ত। মামাই তাইলৈ এটা কেমেৰা লৈ আহিছিল। বন্ধু-বান্ধবীবোৰক বিদায় দি ৰুমীবা মামাহঁতৰ ওচৰলৈ আহিছিল। মামাই জন্মদিনৰ শুভেচ্ছা জনাই তাইলৈ কেমেৰাটো আগবঢ়াই দিছিল। মামাৰ হাতৰ পৰা কেমেৰাটোলৈ নোচোৱাকৈয়ে তাই দেউতাক কৈছিল, "দেউতা, এইদৰে তুমি মোৰ জন্মদিন পতাটো কিন্তু ভুল হৈছে।" মামাই তাইৰ মুখত সোপা দি কৈছিল—"Hello, my young Nephew!" এইবাৰ মই তোমালৈ একেবাৰে শেষ উপহাৰটোও আনিছো যাতে আৰু তোমাৰ ইয়াত Birthday পতা নহয়। এইবুলি মামাই অজিতাভ দাদাৰ চকুলৈ চাইছিল। মামাই চিনাকি কৰি দিছিল, অজিতাভ দাদাৰ লগত। সেই প্ৰথম দৃষ্টিতেই যেন দুয়োৰে অন্তৰ দুয়োৰে বাবে মুকলি হৈ গৈছিল। সেইদিনা দুয়ো বন্ধু আমাৰ ঘৰতে আছিল আৰু তাৰ কিছুদিনৰ পিছতেই অজিতাভ দাদাৰ মাক-দেউতাক আহি বিয়া ঠিক কৰি গৈছিল।

বৰ ধুমধামেৰে ৰুমীবাৰ বিয়া হৈ গৈছিল। ৰুমীবা আছিল তেতিয়া B. A Final year ৰ ছাত্ৰী। অজিতাভদাৰ মতে ৰুমীবাই পৰীক্ষা দিয়াৰ কোনো দৰকাৰ নাই। কাৰণ পৰীক্ষা বুলিলেই এটা ব্যস্ততা আহি পৰিব। কিন্তু ৰুমীবাৰ graduation ৰ প্ৰতি থকা আসক্তিৰ বাবেই বিয়াৰ আগতেই তাই পৰীক্ষা দি আজৰি হৈ লৈছিল। মাজে মাজে অজিতাভদা বিয়াৰ আগতে খবৰ লবলৈ যায়। হাতত সদায় মোৰ বাবে এটা মিঠাইৰ টোপোলা। যেন সেই-টোৰেই মোক অজিতাভদাৰ কাষ চপাইছিল। মই, ৰুমীবা আৰু অজিতাভদা বহুদিন 'পাৰ্ক' আৰু ব্ৰহ্মপুত্ৰৰ পাৰে পাৰে ফুৰিবলৈ গৈছিলোঁ। সেয়ে বাইদেউ, ভিনদেউৰ কল্পনাৰ সোণৰ সংসাৰৰ কথাৰ ভাগ ময়ো পাইছিলোঁ। মাজে মাজে অজিতাভদাই ৰুমীবাক সুধিছিল : ৰুমী, তুমি ঘৰৰ পৰা ইমান দূৰলৈ বিয়া হ'বা বুলি ভাবিছিলানে ? What is your aim in life ? ৰুমীবাই ভিনদেউৰ এই কথাবোৰৰ প্ৰত্যুত্তৰ দিছিল এটি মিচিকিয়া হাঁহিৰে।

এইবোৰ ভাবি ভাবি কেতিয়া টোপনি গৈছিলোঁ কব নোৱাৰোঁ। হঠাৎ মোৰ বিচনাৰ কাষত এটা শব্দ শুনিলোঁ। চকু মেলি দেখিছিলোঁ মোৰ কাষত ভিনদেউ বৈ আছে। চিঞৰি দিব খুজিও নোৱাৰিলোঁ। মোৰ ডিঙিত যেন কোনোবাই সোপা মাৰি ধৰি আছে। ভিনদেউৱে মোৰ ফালে চাই মিচিকিয়া হাঁহি মাৰি ক'লে 'চিনি পাইছা তুমি ?" তুমি ৰুমীৰ খবৰ লবলৈ যাবলৈ ওলাইছা। কিন্তু ৰুমী আৰু এই জগতত নাই। বুজিছোঁ, কথাষাৰ তুমি বুজিব পৰা নাই। কিন্তু মই নিৰুপায়। আত্মাই কেতিয়া মুক্তি পায় জানানে ? যেতিয়া পৃথিবীৰ মায়া-মোহৰ বান্ধোন ছিঙি যায়। তুমিতো জানা মোৰ আজি এমাহ আগতে মৃত্যু হৈছে। কিন্তু ৰুমীৰ মৰমে মোক বলিয়া কৰি ৰাখিছে। ৰাতি প্ৰায়ে কোনেও গম নোপোৱাকৈ মোৰ সমাধিৰ কাষলৈ গৈ মোক কয় "তুমি তোমাৰ প্ৰতিশ্ৰুতি ৰাখিব নোৱাৰিলা। তুমি মোক সদায় তোমাৰ কাষত ৰাখিম বুলি কৈছিলা। তুমি মিছলীয়া, প্ৰৱঞ্চক। স্বামী-স্ত্ৰীয়ে পৰস্পৰৰ মোহ অতি সোনকালে পাহৰি যায়। কিন্তু ৰুমী মোৰ চিন্তাত দিনে দিনে শুকাই-ক্ষীণাই গৈছে। তেওঁৰ অসুখ হোৱা নাই। মোৰ আত্মাই তেওঁত স্থিতি লৈছে। মই তেওঁক দিয়া প্ৰতিশ্ৰুতি ৰাখিলোঁ। ক্ষমা কৰিবা। আজিহে মোৰ আত্মাই মুক্তি পালে।" এইবুলি ভিনদেউ মোৰ কাষৰ পৰা নাইকিয়া হৈ গ'ল। মই হঠাতে সাৰ পাই গ'লোঁ। তেতিয়া পুৱাৰ পোহৰে চৌদিশ আলোকিত কৰি তুলিছে। লৰা-লৰিকৈ বিচনাৰ পৰা উঠি ঘৰলৈ যাবলৈ সাজু হৈছিলোঁ। ঘৰ আমি যেতিয়া পাইছিলোঁ তেতিয়া আজি এমাহ আগতে যিডোখৰ ঠাইত ভিনদেউক বগা কাপোৰেৰে ঢাকি থৈছিল সেই একেডোখৰ ঠাইতে বাইদেউকো শুৱাই থৈছিল। মই কাপোৰখন ডাঙি শেষবাৰৰ কাৰণে মোৰ মৰমৰ বাইদেউৰ মুখখন চাই কান্দোনত ভাঙি পৰিছিলোঁ।

০ ০ ০



# ৰে ঙ নি

বৰ্ণালী শইকীয়া
স্নাতক ২য় বাৰ্ষি (দিবা)

ওখ পাহাৰ এটাৰ শিখৰত উঠি আছিলোঁ। ভাব হ'ল আকাশখন যেন হাতেৰেই চুকি পাম এতিয়া। আঁহ ! কি সুন্দৰ ... — আকাশখন তৰাৰে উপচি পৰিছে। জোনটোৱে যেন মোলৈ চাই মিচিকমাচাক হাঁহিছে ; আয়ৈ দেহি, তৰাবোৰ যে ইমান সুন্দৰ ; তললৈ চালোঁ। গোটেইখন আন্ধাৰ ; মোৰ ভয় লাগি গ'ল। গোটেই পাহাৰটো যেন কঁপিছে ; ময়ো কঁপিছোঁ—এই যেন পৰি যাম ... — ... — 'উস'—বুলি চিঞৰ মাৰি দিলোঁ ... —।

'কি হ'ল দুবৰি।' কাবোবাৰ মাতত সাৰ পাই গলোঁ। চকু হাল লাহে লাহে মেলি দিলোঁ। ওচৰত মা থিয় হৈ আছে। লাহেকৈ কলোঁ—"একো হোৱা নাই মা।"

কিন্তু মায়ে জানে মোৰ কি হৈছে। মোৰ এই পোন্ধৰ বছৰীয়া দেহটোত কালৰ নিষ্ঠুৰ কীট এটাই অহৰহ কামুৰি আছে। কি যন্ত্ৰণা মোৰ। মায়ে জানে; বুজে। তথাপিও মই 'একো হোৱা নাই'—এই কথাষাৰ জিভাৰ আগতে ৰাখোঁ। ইমান পৰে যে মহ মধুৰ স্বপ্নৰ আবেশত ডুব গৈ আছিলোঁ সেই কথা মৰ্মে মৰ্মে উপলব্ধি কৰিলোঁ। সৰুতে ককা-দেউতাৰ মুখত শুনিছিলোঁ মানুহ মৰিলে স্বৰ্গলৈ যায় বোলে। তেতিয়া স্বৰ্গ মানে বুজিছিলোঁ বিৰাট বিৰাট অট্টালিকা, ধুনীয়া ফুলনি, নানা ৰঙৰ পখিলা, চৰাই, নানা সুস্বাদু ফলেৰে পৰিপূৰ্ণ এখন ৰম্যপুৰী। য'ত সদায় সুখ, শান্তি ; দুখৰ চিন মাত্ৰও নাই। চাৰিও-ফালে আনন্দ, নৃত্য-গীত ...। ভাবিছিলোঁ সোনকালে মৰি গলেই ভাল হয় তেতিয়া স্বৰ্গত থাকিবলৈ পাম। কিন্তু আজি সেই দিন মোৰ সন্মুখত। স্বৰ্গৰ আকৰ্ষণেও মোক এতিয়া টলাব নোৱাৰে। জীয়াই থকাৰ দুৰ্বাৰ হেঁপাহে মোক বলিয়া কৰি তুলিছে। আজি এবছৰে দুৰাৰোগ্য অচিন ৰোগটোৱে মোক এফালৰ পৰা শেষ কৰি নিছে। মই জানো মোৰ শেষ পৰিণতি কি। মা-দেউতাই মোক ভাল কৰিবলৈ চেষ্টাৰ ত্ৰুটি কৰা নাই। কিন্তু মই জানো যে এইবিলাকৰ পৰা কোনো লাভ নহয়। তথাপিও মাজে মাজে ভাব হয় ভাল ডাক্তৰৰ পৰা চিকিৎসা কৰিবলৈ পোৱা হলে ভালেই হলোঁ-

হেঁতেন কিজানি ! আমাৰ ইয়াত তেনে ডাক্তৰ নাই। পিছ পৰা গাওঁ। দুবছৰৰ আগতে মাত্ৰ বিজুলী তাঁৰৰ খুটা ৰহিছে। হস্পিটাল আছে ; কিন্তু ভাল ডাক্তৰ নাই। সেয়ে ভাবিছোঁ মোৰ আয়ুস শেষ হৈ আহিছে।

মই সাৰ পাই থকা অৱস্থাত দেউতা মোৰ ওচৰলৈ নাহে। টোপনি গলে মোৰ মূৰত হাত বুলাই দিয়ে। কোনোবা দিনা টোপনিৰ ভাও ধৰি থাকোঁ। দেউতাৰ উচুপনিত মোৰ হিয়া ভাগি যায়। কবলৈ মন যায়—'দেউতা, তুমি নেকান্দিবা ; মই আকৌ ভাল হৈ যাম।' কিন্তু ক'ব নোৱাৰোঁ। দুখ লাগিলে বুকুখন খুন্দা মাৰি ধৰে। ডিঙিটোৰ পৰা কিবা ওলাই আহিব ধৰে। কাহ মাৰি দিওঁ। তেতিয়া দেউতা ব্যস্ত হৈ পৰে মোৰ শুশ্ৰূষাত। ভগৱানৰ নাম উচ্চাৰণ কৰে। মায়ে গোঁসাই ঘৰত মাটিৰ চাকি জ্বলায়। চাকি গছৰ শলিতাডাল ভমককৈ জ্বলি তাৰ পিছত নুমাই যায়। মায়ে বাৰে বাৰে চেষ্টা কৰে জ্বলাবলৈ। শেষত চাকি-গছ টিমিকটামাককৈ জ্বলি থাকে। তাতেই মাৰ পৰম তৃপ্তি। অন্ততঃ তেওঁৰ ছোৱালী জীয়াই থাকিব। মই সকলো দেখোঁ। মইতো অন্ধ নহয়। আচলতে পাপী নেকি বাৰু মই ? মা-দেউতাৰ বুকুত বেদনাৰ চিন্তা জ্বলাবলৈকে মোৰ জন্ম নেকি ? অস্থিৰ হৈ পৰো ভাবিলে। মোৰ অবিহনে মা-দেউতা পাগল হৈ যাব। সংসাৰত থাকিবই বা কোন। দুয়ো অকল-শৰীয়া হৈ পৰিব। প্ৰকৃততে মোৰ বেমাৰটোনো কি ডাক্তৰে ধৰিব পৰা নাই। কিন্তু কিয় ক'ব নোৱাৰো অসুখ হোৱাৰ দিন ধৰি মোৰ মনত এটা শব্দই ৰাজত্ব কৰিছিল। সেই দুৰ্ভাবনাই মোক ক্ৰমে দুৰ্বল কৰি তুলিলে। বিচনাৰ পৰা নুঠা হলোঁ। লাহে লাহে খাব-বব নোৱাৰা হৈ শয্যাগত অৱস্থাত এতিয়ালৈকে জীয়াই আছোঁ। মোৰ জীৰ্ণ-শীৰ্ণ দেহটো বিচনাৰ লগত সমান হৈ পৰি থাকে। কিন্তু মোৰ মনটো যে ক'ত ঘূৰি ফুৰেগৈ ; চকুৰে নেদেখা বস্তুটোও মনে দেখিছোঁ মই ; যি দেখিছোঁ দুৰ্বল হাতেৰে লিখি গৈছোঁ, কল্পনাৰ ৰহসবা সাজিছোঁ।

"দুবৰি, আঙুৰৰ ৰস অলপ আনিছোঁ ; লাহে লাহে খোৱাচোন"—মায়ে হাতত থকা ৰসৰ পাত্ৰটো মোৰ ফালে আগবঢ়াই দিলে। খুব আগ্ৰহেৰে ৰসখিনি খালোঁ। মায়ে সন্তোষ পালে। মা আঁতৰি যোৱাৰ পিছত দুঃচিন্তাবোৰ পুনৰ মনলৈ আহিল। আজি দেউতা চহৰলৈ গৈছে; মোৰ বেমাৰৰ ৰিপ'ৰ্ট আনিবলৈ। মোৰ গাটো খুব অৱশ লাগিছে। পুনৰ সুস্থ হৈ আগৰ দৰে স্কুললৈ যাবলৈ মন গৈছে মোৰ। নিশা-হঁতৰ লগত নদীৰ পাৰে পাৰে ফুৰিবলৈ তীব্ৰ ইচ্ছা হৈছে। বিচনাৰ কাষৰ খিৰিকীখন খুলি দিলোঁ। এজাক ধীৰ কোমল বতাহ কোঠা-টোলৈ সোমাই আহিল। ক্ষন্তেকলৈ হ'লেও মোৰ মনটো ভাল লাগি গ'ল। জুৰি, নিশা আৰু মণিহঁত আমাৰ ঘৰৰ মুখেৰে পাৰ হৈ হৈ গ'ল। বোধ হয় নদীৰ ফালে ফুৰিবলৈ গৈছে। সন্মুখৰ পথাৰখনত ৰাজাহঁতে খেলি আছে। মোৰ নিজৰ অৱস্থাটোৰ কথা ভাবি খুব বেয়া লাগিল মনটো। লাহে লাহে চকু হাল মুদি দিলোঁ। কিমান সময় তেনেকৈ থাকিলোঁ ঠিক নাই। টোপনি আহিছিল বোধকৰোঁ। সিটো কোঠাত দেউতাৰ মাত শুনিলোঁ। কি কৈছে শুনিবলৈ চেষ্টা কৰিলোঁ। বুকুখনৰ ধপধপনি বাঢ়ি গৈছে। দেউতাই মাক কৈছে—"দুবৰি অতি সোনকালে ভাল হৈ উঠিব। গাঁৱৰ ডাক্তৰে বেমাৰ ধৰিবই পৰা নাছিল। মাত্ৰ এটা সামান্য অপাৰেচন কৰাব লাগিব ; কাইলৈকে তাইক চহৰৰ হস্পিটালত ভৰ্ত্তি কৰো-ৱাৰ কথা ভাবিছোঁ··· —।" দেউতাই আৰু বহুত কিবা কৈছিল—। মোৰ ভাব হ'ল মহাসিন্ধুৰ সিপাৰৰ পৰা দেউতাৰ মাতটো যেন ভাঁহি আহিছে। প্ৰশান্তিত চকুহাল মুদ খাই গ'ল—মৃত্যুভয় আঁতৰাৰ আনন্দত নে জীয়াই থকাৰ আনন্দত কব নোৱাৰিলোঁ। সন্ধিয়া হৈ আহিছিল, গোঁসাই ঘৰত মায়ে প্ৰাৰ্থনা কৰা শুনি লাহে লাহে উঠি বহিলোঁ। ০০০

*"হেঁতাখনে আঞ্জাৰ জোলৰ চকত বুৰ গৈ থাকিলেও জোলৰ সোৱাদ নাপায়। মূৰ্খলোকে গোটেই জীৱন জ্ঞানীৰ মাজত থাকিলেও জ্ঞান লাভ কৰিব নোৱাৰে।"*

*— ধম্মপদ*

"সংস্কৃতি মাথোন কবিৰ কবিতা,
ছান্দিকৰ লীলায়িত ৰজনজনাই যোৱা ঝঙ্কৃত ছন্দ,
কাবিত্যিক সাহিত্যিকৰ, কাব্য, সাহিত্য ;
শিল্পীৰ মনোমোহা আলেখ্য,
কাল-বিজয়ী স্থাপত্য, ভাস্কৰ্য্য,
সঙ্গীত বিশাৰদৰ সুৰ লয়-তাল-মান,
নৃত্যকুশলীৰ অভিনৱ অঙ্গ-ভঙ্গ,
ৰূপ-ৰস-গন্ধ-বৰ্ণ আৰু গানৰ
মন ভুলোৱা জোনাকী মেলাই নিশ্চয় নহয় ।
ই সংস্কৃতিৰ মাত্ৰ সুকুমাৰ এটা প্ৰকাশহে ।
মানৱ জীৱনৰ ঘোৰ বাস্তৱৰ মাজতেইহে
সংস্কৃতিৰ পূৰ্ণ ৰূপ বিকশিত হৈ উঠে ।
এই মানৱ জীৱনত
বাস্তৱিক, মানসিক, আধ্যাত্মিক পূৰ্ণানন্দ
পাবৰ কাৰণে
মানুহে জীৱনৰ প্ৰত্যেক বিভাগতেই যি কৰে
সিয়েই সংস্কৃতিৰ ভিতৰত পৰে ...."

— ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ ।।

# ENGLISH SECTION

# What Can a Person Do ?

( ESSAY )

*Nilumoni Deka*
T.D.C, II year (Day)

Everybody can do something to make this world a better place. Whether it is within the family, the community, society, or country, each person can contribute his bit to this end, regardless of his background, qualifications, experience or age.

Human impulses have changed over the years along with the changes in human environment, but one impulse has remained canstant : the desire to do somethhing to make things better.

The question is on everyone's lips often : "What can I do ? What can I do to acquire knowledge and devlop wisdom, to cope with change and the disarray of life, to get along with people, to learn how to solve problems, to serve my family and my country, to become a a better person, to grow old happily ?"

Every one likes to think he is in change of his own life, but that belief is modified by the fact that he is part of a great universe.

Everyone is a person in a particular place, with opportunities to contribute his or her part to the emerging pattern of human life.

THINKING BIG : Men and women have gone by many ways to seek a happy life. Some have failed because they set themselves no definite goal, but drifted here and there always hoping to come upon the land of their vague dreams.

One must think big. It is deadly dull to be mediocre.

It is not necessary to have a great Quantity of physical equipment in order to do something worthwhile. Aristotle was an astronomer without a telescope, a biologist without a microscope, a chemist without a laboratory.

When a task is troublesome, it gives the worker a chance to show his capability. When a decsion is perplexing, that opens the way to display superior judgement.

LOOK FOR A VACUUM : There are many desirable things that have been left undone, many machines not yer invented, and many social ills for which a cure has not yer been found. So it is a line of good activity rule to look for a Vacuum anb expand into it. These opporunities have to be looked for. Chance and luck are ineffective substitutes for active seeking.

What can a person do ? The first thing is to try to do something. It is only by trying that you will become aware of your possibilities. The next thing is to apply craftsmanship to what ever you are doing. That means doing habitually well what has to be done. The third thing is to use courage to surmount difficulties and ingenuity to get around obstacles.

By applying these guiding prniciples you become fully alive and you are responding in a positive way to life's challenges.

The person who never shoots can not carry off the marks men's prize, he who slinks away from a battle field can not be a hero ; the person who is satisfied with paper plans does not attain success. Some one is always offering in a advertisement an easier way of getting on in the world than by study and work, but the people who make their way from obscurity to Who's Who do so by using intelligence, initiative and energy.

WORKING WITH PEOPLE : The person who wishes to do things needs to learn to walk with people. He cannot live as a hermit does, even though his opinions differ

greatly from those of the men and women who surround him

Learning to like people and to get along with them by looking for the good in them is a satisfying way of life, and it wins friends. Xenophon saw the advantage long ago. "It is far less difficult to march up a steep ascent without fighting than along a level road with enemes on each side." When you take pains and some trouble to see that others and not neglected, when you make sure of doing nothing that will cause others to lose face, you are cantributing a plus value to mere courtesy, and you are building support that will help you to do what you wish to do,

Gtting along with people entails communicating with them and this is a two-way street. When we are tolerant of cther people's opinions we win indulgence for our own'

Dialogue is necessary for attainment of any purpose. It explores problems by allacking and defending all positions until the false are cancelled out or the differences are reconciled. There is no problem, from writing a constitution for a nation to designing a new office form, that cannot be solved by discussion around a table without an interchange of views the human mind would still be sitting in primitive darkness.

KEEP ON LEARNING : To initiate reform of any kind you need to be an intelligent, educated, informed citizen, acquainted with the values, Privileges and responsibilities of a demoeratic way of life.

No preparation, no planning and no strategy can guarantee the success of what you are attempting, but only make it possible. You have thought of a desirable end, your imagination has played with possibilities, you have considered ways to overcome the obstacles : these mental pictures of the territory help you to find your way through it. You have not eliminated all risks, but you have reduced their number.



PATIENCE AND RESPONSIBILITY : Patience is a virtue greatly needed by those who attempt great things. It is not always wise to wait and see, but it is desirable to have the coaurage to wait if it should become advisable.

A big routed person knows that any one is only as good as his performance proves him to be. You have work to do, are probably more work and planning are spoiled by impatience than by any other fault.

The great number of people who have been acknowledged as leadars were people who had themselves learned the art of obeying. To be a good follower is a step toward being a good leader.

"What can I do under these circumstances ?" is a question that must be answered with reference to your capacity, your strength of purpose, and your zeal,

The best measures of our success in life, said H. G. Wells, is the ratio of our accomplishments to our capabilities. Abraham Lincoln put it this way. "I am not bound to succeed, but I am bound to live up to what light I have."

Be hopeful and expectant, Any rational view of life which promotes optimism is better than one which, however logical its quality, leads to pessimism and leaves you without hope. Optimism does not mean shuting your eyes to the realities of life, or peering into a crystal ball locking for a rosy future. It means living with a sense of expectancy and doing what you can to make your hopes come true.

AS A CITIZEN : We have not yet reached our fullest development in art, religion, education and intellectual growth. There are opportunities for constructive thought and action for every one who chooses to use them,

There are things that can be improved, such as law enforcement, the relationship of capital and labour, the propagation of health, and advancement of our

What can ···

native people. These can be done within the frame work of democracy by people who cure enough to do something about them.

COPE WITH CHANGE : We have obligations, many or few, high or low according to our talents and resources. A citizen must do what all good people are expected to do, and then he must do what his own particular status in the world demands of him and puts him in position to do.

No people in history ever had to cope with changing life on so many fronts, and these change offer prospects for beneficial activity to those who are alert.

True patriotism is not the emotional luxury of vanity showing itself in flag-waving, but a sentiment that expresses itself as a share in collective life. It asks "What can I do that will add to the welfare of the country ?" The essence of citizenship is found in its values, its maral commitments, its deep loyalties its conception of the good life, its teaching regarding the things for which and by which people should live, and the efforts of the people to attain the best possible.

What we can do depends in large measure upon the strength of our inner discipline. Two men of different skills, more then two thousand years apart in time, agreed on this. Socrates, the Greek pholosopher, thught self-discipline as the first virtue, saying it is neceassary to make the other virtues avail, and Charles Parwin, auther of 'On the Origin of Species". declared : "The highest stage in moral culture at which we can arrive is when we recognise that we aught to control our thought."

AS FAMILY PEOPLE : Integrity, which means "uprightness, moral soundness" is learned in the family so that people habitually discriminate between just and unjust, good and bad, noble and disgraceful, and follow the better path. It is there that we acquire a scale of values.

BE FORWARD LOOKING : Evolution is always experimental. All progress is gained through mistake and their rectification. No good comes fully fashioned, out of God's hand, but has to be carved out through repeated experiments and repeated failures by ourselves. This is the law of individual growth.

Anyone who asks "What can I do ?" is forward looking. He does not start counting his years of service as assets until he has nothing else to count. The life of accomplishment does not beckon alone to youth. It is for people of all ages. The happy life will grow upon us when we answer question by asserting. 'I will do something.'

It may be said that there are five components of the happy life : health, work, interests, friendships and the pursuit of an ideal. It is necessary that you realise yourself as a whole, not just one or another of these parts.

The person is fortunate who keeps his mind sensitised to the beauty and excitement of living, and urged by his inner self to ask— "What can I do ?" The great thing is to advance, so that you feel at the end of your career that you have in some measure fulfilled the potentialities that you believe yourself to possess. *

* (Courtesy : The Royal Bank of Canada)

*"Great deeds of kindness are ... ... for ever remembered."*

# GULF CRISIS

*Smita Agarwal*
T.D.C, Ist year

The barrels containing 'CRUDE' have become cruder by entering into the barrels of Guns spitting fire instead of injecting life into human beings. The life line for human beings has became the 'Culprit' and is upto finish the human race itself. The 'OIL' has errupted a deep rooted crisis between IRAQ and virtually the rest of the world lead by America, the Super Power.

The shattered economy of IRAQ due to a long drawn war, covering nearly 8 years, with IRAN had no repairs and Saddam Hussien, the President of Iraq, once again like Adolf Hitler threatened the international peace and balance of power, single handedly.

On the pretext that KUWAIT has been illegaly drawing oil from border oil field belonging to IRQA, it attacked the small oil rich kingdom of KUWAIT at about 2 A. M, (Local Time) on 2nd. August, 1990, with a view to remove its biggest obstacle in OPEC (organisation of Petroleum Exporting Countries) meets in setting lower production level of "CRUDE" to inflate its prices, thereby nourish its revenue. The Iraqi tanks rolled towards Kuwait and gave a great shock to the sleeping Kuwaitis. The attack was too sudden for the Kuwaitis to understand what was going on. The sound of machine guns and bombs created an atmosphere of horror. Within a small period of time, the Kuwaiti land was surrounded by tanks, missile launchers, armourned personel carriers and Kuwaiti air by Military Jet Fighters. Iraq, against the minimum effort of the opponent, captured the Emir's Palace, radio and television station, Central Bank and damaged airports and other important istallation. It looted the dazzling gold market and other riches of Kuwait and seized the Black Gold, by taking over oil fields. While the Sheikhs and the top leaders escaped to neighbouring countries. Approximately 800 Kuwaitis were killed and the tiny country came under siege.

The Iraqi military action against Kuwait invited worldwide condemnation. The United Nations Security Council condemned the Iraqi actions and passed a resolution with the support of 13 out of its 15 members for the immediate and uncoditional withdrawal of Iraqi trops from Kuwait. The Soviet Union along with United States unequivocally condemned the Iraqi action. The United Nations imposed economic sanctions on Iraq under the supervision of United States, to pressurize Iraq to vacate Kuwait, The whole world, friends and foes alike, in one voice condemned the Iraqi invasion. In protest, major arms suppliers to Baghdad, like China, Soviet Union and Brazil stopped further supplies and even suspended all their trade relations also. The major Asian Nations, the whole of the European Commuuity and also Japan stopped all oil imports from Iraq and aided in imposing economic sanctions to compel Iraq to recognise legitimate status to Kuwait. India also condemned this expansionism of Saddam Hussien in harshest words, but to no avail.

The United States along with Great Britain, France and Arab League Countries build a massive armed and air force in Saudi Arabia along with three powerful Aircraft Carrier stationed near the persian Gulf, to resist Iraq from further expansion and Kuwait-type

invasion of other oil rich country of the area. This multinational force led by America is being equipped with more and more arms and amunitions and expanded with further man power everyday. Similar preparations, on the same scale are on, on the other side also. The President Saddam Hussien has left no stone unturned to boost the moral of his forces and make war preparations. To retaliate severe worldwide condemnation, Saddam Hussien made some good gestures by releasing Americans taken as hostages and stationed them at place of strategic importance in Iraq, to debar America from bombing those places. He, in face of the mounting opposition from the world community, at-last offered to withdraw from Kuwait only if Isreal withdraws from Palestine and Syria from Lebnon. But to the little satisfaction of the world. The clouds of war thickened as the United Nations has set 15th Jan. '91 as the deadline for the withdrawal of Iraqi forces from Kuwait and has cleared the use of force by the multinational forces against Iraq, in case it fails to comply with the UN directives.


The annexation of Kuwait by Iraq and the resultant situation in the area has eminent effects on practically all economics of the world. The disruption of oil supplies from Iraq and Kuwait have shoot up the prices of oil from US Dollar 17 to 30 a barrel, which badly affected the economy of major buyers of oil like Japan, U. S, A. and Germany because of higher bill for oil purchases, increasing cost of production, creating a demand recession in these developed countries The gold prices soared high in the world markets, whereas major Stock Exchange tumble d down as share prices except of oil and weapon companies nosedived because of uncertainities.

The impact on developing countries like India is more treacherous because of poor balance of payment position The rise in



oil prices had unbearable burden on India's Foreign Exchange Reserves as for every one US Dollar increase in per barrel of Crude oil, our country had to spend an additional amount of Rs 400 crores in Foreign Exchange, as a result of which India had imposed curbs on essential imports needed for industrial development of the Country.

The turmoil created by the Gulf Crisis into the lives of the Indians started with the evacuaion



of about 12 lakhs Indians residing in Kuwait putting a burden of Rs. 5000 crores on the exchequer. The inhuman sufferings experiences by these refugees in the scorching sun of the desert without food and drinking water, babies dying because of lack of sanitation and medical facilities cannot be described in words.

The prices of fuel in our country soared high as a result of 25% Gulf Surcharge imposed by the Govt. maKing life costlier for the countrymen.

The government declared various measures for the curb of petroleum products as e. g. 15% cut in the supply of Petrol and Petroleum Products, 10% increase in the excise duty of cars to curb the use of cars, to curtail petrol consumption Still unable to cope with the burden on exchequer, the govt. tooK hard decisions to collect a revenue of Rs. 1,300 crores by increasing excise duty etc. in a pre-budget excercise. As a result of the above, the ugly head of the monster 'Inflation' took its toll and made the life of the Indian people ntolerable.

The prices of shares and stocks have fallen, vitiating investment climate and industrial development, which is of prime importance for the country.

Inspite of the best efforts, from all over the world to avoid war in the gulf, it finally raised its horrible face on 17th Jan. '91. The United Nations declared that the sole aim of the war should only be the liberation of Kuwait and not the destruction of Iraq. Bur the United States wanted to topple President Saddam Hussein and cripple Iraq to such an extent, so that it can never be able to raise its head against Western supremacy. Since the war began, 28 countries massive military force (the largest armada in human history ) dedicated themselves to ruin Iraq by non-stop bombing raids. There was large scale destruction by round-the-clock aerial attacks of the US-led coalition forces upon



Iraq's main power consisting of air and missile bases, the air defence, the nuclear centre, the ground forces, the military economic centres. Their intensified bombing on residential areas and underground shelter in major cities like Baghdad and Basra claimed several hundreds of lives.

The moral strength of President Saddam Hussein increased with the addition of the support of countless muslims and so, the US President reduced his aim of war, to the extent of Kuwait's liberation only. Meanwhile, peace efforts were on, in the rest of the world. The Soviet Union came up with a peace proposal in the last week of January but was rejected by Iraq.

Mr. Saddam Hussien added one more dimension to the war by attacking Israel with the deadly Soviet supplied SCUD Missiles for the first time on 13th Jan. Since then it launched 39 scuds over Israel. Saddam Hussein was trying to convert the war into an Arab-Israel war and thereby break the coalition strength by splitting it. But Israel at the suggestion of United States did not retaliate.

In reply to the massive aerial and naval bombardmen from the coalition forces, Iraq launched Scud missiles, which did much damage to Saudi Arabia. The Allied Forces were unsuccessful in destroying the mobile Scud launchers, so they used Patriot missile to counter the Scuds. The Patriot is highly strategical and a quick moving missile and it destroys Scud by delivering a killer punch, like a boxer. The most sophisticated aircraft in the world, were used by the Allied Forces for air attack and this led to their success in bombing Iraqi control and command centres, airports, missile sites etc.

The massive oil slick let out by Iraq into the sea has not only created problem for the Allied Forces but also caused death of thousand of birds and fish varities, as 150000 barrels of crude caused in the formation of a huge mass

of thick black liquid in water. Iraq's oil resources was not so much affected as its human resources. At least 10% of its working population no more exists.

The Soviet Union modified its four point proposal, which was rejected by US because US wanted unconditional withdrawal and acceptance of UN Security Council's 12 resolutions. On 22nd. Feb. Iraq agreed to a full and unconditional withdrawal under the 8 point Soviet peace plan but US again rejected the offer as it did not confirm to the UN Resolutions.

In the three days ground war, started on 24th Feb. around 260,000 men were killed. Since the launching of the ground war nearly 300, both low and high pressure, oil wells, were burnt. After the start of the full and massive land offensive, Kuwait and some small Iraqi towns were captured by the Allied Forces. On 26th Feb. President Saddam Hussein announced withdrawal from Kuwait accepting the UN Resolutiou but bombardment continued on the retreating Iraqi forces. The road was blocked with burned out vehicles and dead bodies. Soon after the war came to an end on 27 th Feb, internal disturbances started in Iraq. The burning oil wells caused enviromental pollution.

The misery, anguish large scale destruction and economic crisis in the Gulf not only affected the countries engaged in it but also the regions in the periphery of the zone and the economically backward countries. It will take long time, money and man power to reconstruct Iraq and repair its shattered economy.

ooo



## A] A. Collections of wit & wisdom :

1] The only reason parents think yesterday's generation of children were better behaved is because today's parents were yesterday's children.

2] When people agree with me, I always feel that I must be wrong. — OSCAR WILDE

3] An author dedicated a new book to his wife, without whose absence, he said, it could never have been writter.

4 There are three things for you to love : desire for liberation, company of the wise and selfless service

Three things to despise : miserliness, cruelty and pettymindedness.

Three things to admire : generosity, courage and nobility.

Three things to hate : lust, anger and pride.

5 Bertrard Ressell was asked If he was willing to die for his beliefs, He replied, "of course not. Aftter all I may be wrong."

## B] You would love to know :

1] MOST EXPENSIVE BOOK EVER PRINTED:—

Gutenberg, a german printed the first book with movable type. By this method he printed 200 copies of the holy Bible in 1455. Only 21 complete copies of this Bible exist today. In 1978 one of them was sold in an auction for about $1\frac{1}{2}$ million pounds. Gutenberg died a pauper but his Bible was the most expensive book ever printed.

2] **FIRST ROBOT IN 1962**

It was in 1958 ,Isaac Asimov, master of science fiction, in one of his books described how an imaginary robot did the work better and required less time then human beings. Four years later in 1962 UNIMATION- an American firm created the first robot and put it into use.

3) **OLDEST ALPHABET:—**

The oldest alphabet is 'O' unchanged in shape since its adoption in the phoenician alphabet in 1300 B. C,

4) **FIRST TO USE CHLOROFORM:—**

Queen Victoria of England was the first person ever to use chloroform to combat the pain of childbirth.

5) **WORLD'S RICHEST STREET:—**

The world's richest street is in Zurict (Switzerland). just half a mile long that once used to be a frogs' ditch. Now it is a cluster of sonie of the most famous Swiss banks. watch companies jewellers and hotels. Each square foot of land here costs more than U. S Dollar 2'000or ever more.

Colletecd by : Neeta sarma
T. D. C. 2nd year

# সম্পাদিকাসকলৰ প্ৰতিবেদনসমূহ ঃ

## সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন ঃ

প্ৰতিবেদনৰ প্ৰাক্-মুহূৰ্ত্তত মোৰ অশ্ৰুসিক্ত শ্ৰদ্ধাঞ্জলি নিবেদিছোঁ—সেই সকল পুণ্যাত্মাৰ প্ৰতি, যিসকলে কঙ্কিজাৰ কেঁচা তেজেৰে অসমী আইক সেৱা কৰি গ'ল ! মোৰ শ্ৰদ্ধা নিবেদিছোঁ যি-সকলে অকালতে সতীত্বক বিসৰ্জন দিলে, যি-সকল চিৰ দিনৰ বাবে পংগু হ'ল, যাৰ শিৰৰ সেন্দুৰ নোহোৱা হ'ল, যি মাতৃৰ বুকু উদং হ'ল।

প্ৰতিবেদনৰ আৰম্ভণিতে মোৰ হিয়াঁ-ভৰা অভিনন্দন যাচিছোঁ— যিসকলে মোক ১৯৮৯-৯০ চনৰ ছাত্ৰী একতা সভাৰ সাধাৰণ সম্পাদিকাৰ দৰে গুৰুত্বপূৰ্ণ পদবীত মনোনীত কৰিলে। শিক্ষাগুৰু সকলৰ শুভাশিস্ আৰু ছাত্ৰী-বান্ধৱীসকলৰ শুভেচ্ছাকে মূলধন হিচাপে লৈ আমি ১৯৮৯-৯০ বছৰৰ বাবে কাৰ্য্যভাৰ গ্ৰহণ কৰো। কাৰ্য্যভাৰ গ্ৰহণ কৰিয়েই বিদ্যাৰ অধিষ্ঠাত্ৰী শ্ৰীশ্ৰীসৰস্বতী দেৱীৰ পূজা ভাগ সদৌ অসম কলেজ কৰ্মচাৰী সন্থাৰ ২৯তম্ বাৰ্ষিক অধিবেশনখন আমাৰ মহাবিদ্যালয়ত অনুষ্ঠিত হোৱাৰ পৰিপ্ৰেক্ষিতত পূজা অনুষ্ঠুপীয়াকৈ সমাপন কৰা হয় যদিও বাণী বন্দনা অনুষ্ঠানটিয়ে সোণত সুৱগা চৰায়। শিক্ষাগুৰু মাননীয় শ্ৰীযুত যোগেন্দ্ৰ নাৰায়ণ ভূঞা আৰু ড° জ্যোতি নাথ চক্ৰৱৰ্ত্তী চাৰে অনুষ্ঠানটি সুকলমে চলাই নিয়াত সহায় কৰে।

ইয়াৰ পিছতে ১৯৯০চনৰ ২৪ ফেব্ৰুৱাৰীৰ পৰা চাৰিদিনীয়া কাৰ্যসূচীৰে মহাবিদ্যালয়-সপ্তাহ সমাৰোহ অনুষ্ঠিত কৰা হয়। এই-সপ্তাহ সমাৰোহৰ মুকলি সভাত সভাপতিত্ব কৰে

মঃাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত বিমলকুমাৰ বৰা-দেৱে। সভাত মুখ্য অতিথি হিচাপে ভাষণ দিয়ে দৰং মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপিকা প্ৰতিষ্ঠিত লেখিকা শ্ৰীযুতা স্বাধীনতা মহন্ত বাই-দেৱে। তেখেতে বৃহত্তৰ অসমীয়া কলা-সংস্কৃতিৰ ওপৰত এটি তত্ত্ব-গধূৰ সাৰুৱা ভাষণ দি ছাত্ৰী-সকলক আপ্লুত কৰে। বাইদেৱে সমাৰোহৰ বিভিন্ন প্ৰতিযোগিতাৰ বিজয়ীসকলক বঁটা বিতৰণ কৰে।

এই সপ্তাহ সমাৰোহত শ্ৰীমতী লিপিকা দাসে শ্ৰেষ্ঠা গায়িকা আৰু শ্ৰীমতী বিভা ভৰালীয়ে শ্ৰেষ্ঠা অভিনেত্ৰীৰ স্থান লাভ কৰে। কিন্তু দুৰ্ভাগ্যৰ কথা যে, প্ৰতিযোগিতাবোৰত প্ৰতিযোগীৰ উপ-স্থিতি তেনেই তাকৰীয়া। কলেজ সপ্তাহ সমা-ৰোহৰ সাংস্কৃতিক অনুষ্ঠানটি উদ্বোধন কৰে অসমৰ বিখ্যাত বেহেলা বাদক শ্ৰীযুত মহেশচন্দ্ৰ শই-কীয়াদেৱে। এই সাংস্কৃতিক অনুষ্ঠান গীত পৰি-বেশন কৰে শ্ৰীবিমল কুমাৰ ডেকাই। বিভিন্ন পৰীক্ষাসমূহ চলি থকা হেতুকে মহাবিদ্যালয়ৰ শ্ৰেণী সমূহ বন্ধ থাকেই আমি ভবা মতে কামবোৰ কৰিব পৰা নাই। শ্ৰেণী আৰম্ভ হোৱাত আমি পুনৰ দায়িত্বৰ প্ৰতি দৃষ্টি ৰাখি কাম কৰাৰ প্ৰয়াস কৰোঁ।

মহাপুৰুষ শ্ৰীশ্ৰীশংকৰদেৱৰ তিৰোভাৱ তিথি দিন জোৰা কাৰ্য্যসূচীৰে অনুষ্ঠিত কৰা হয়। ইয়াৰ পাছত শ্ৰীশ্ৰীমাধৱদেৱৰ তিৰোভাৱ তিথি বিভিন্ন কাৰ্য্যসূচীৰে অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লোৱা হয়। তিথিৰ লগত সংগতি ৰাখি বৰগীত প্ৰতিযোগিতা আৰু বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়।

ছাত্ৰী একতা সভাৰ সমাজ সেৱা বিভাগৰ উদ্যোগত ১০।৯।৯০ তাৰিখে মহাবিদ্যালয় চৌহদ চাফা কৰা হয়। এই কাৰ্য্যসূচীত হাতে কামে সহায় কৰি ছাত্ৰীসকলক উৎসাহিত কৰে শ্ৰীযুত যোগেন্দ্ৰ নাৰায়ণ ভূঞা ছাৰ, শ্ৰীযুত দিব্যজ্যোতি মহন্ত ছাৰ আৰু শ্ৰীযুত হবেন বৰা ছাৰে। তেখেত-সকলৰ লগতে অংশ গ্ৰহণ কৰা প্ৰতিগৰাকী ছাত্ৰী বান্ধৱীলৈ ছাত্ৰী একতা সভাৰ তৰফৰ পৰা কৃত-জ্ঞতা জ্ঞাপন কৰিলোঁ।

১৩ ছেপ্তেম্বৰ তাৰিখে "নবাগতা আদৰণি সভা"ত কুঁজীদাহ মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত হবিবুৰ ৰহমান দেৱ আৰু নগাঁও শিক্ষণ মহা-বিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত হেমকান্ত শৰ্মাদেৱে যোগদান কৰি সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰিছে।

আমি আপোনালোকক জনাবলৈ পাই সুখী হৈছোঁ যে অসমীয়া সাহিত্যৰ এগৰাকী লব্ধ-প্ৰতিষ্ঠ সাহিত্যিক, দিল্লী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা মাননীয়া ড° মামণি ৰয়চম গোস্বামীয়ে আমি কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিছদিনাই "নগাঁও ছোৱালী কলেজ সাহিত্য চৰা"ৰ আহ্বানত আমাৰ মহাবিদ্যালয়ত এটি ভাষণ প্ৰদান কৰে।

আমাৰ কাৰ্য্যকালতেই বিশ্বৰ বৃহত্তম ছাত্ৰ সংগঠন সদৌ অসম ছাত্ৰ সন্থাৰ এটি গোট গঠন কৰা হয়। এই গোটটিৰ সভানেত্ৰী শ্ৰীৰূপা শৰ্মা আৰু সাধাৰণ সম্পাদিকা শ্ৰীৰবী বৰুৱাকে আদি কৰি এখন কমিটি গঠন কৰা হয়। আমি নগাঁও আঞ্চলিক ছাত্ৰ সন্থাৰ প্ৰতিটো কাৰ্য্য-সূচীতে সক্ৰিয় অংশ গ্ৰহণ কৰি আহিছোঁ।






ছাত্ৰী একতা সভাৰ এন, এন, এচ, বিভাগৰ জৰিয়তে কলেজ চোহদ পৰিষ্কাৰ কৰা কাৰ্য্যসূচীত অংশ গ্ৰহণ কৰা ছাত্ৰীসকলৰ একাংশ।
১৯৮৯-৯০



বিভা ভৰালী
শ্ৰেষ্ঠা অভিনেত্ৰী
১৯৮৯-৯০



লিপিকা দাস
শ্ৰেষ্ঠা সংগীত প্ৰতিযোগী
১৯৮৯-৯০



এন, এন, এচ, বিভাগৰ জৰিয়তে কলেজ চৌহদ পৰিষ্কাৰ কৰা কাৰ্য্যসূচীত অংশ গ্ৰহণ কৰা ছাত্ৰীসকলৰ একাংশ।
১৯৮৯-৯০

উল্লেখযোগ্য যে আমাৰ মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ অধ্যাপিকা শ্ৰীযুতা অজন্তা বৰদলৈ বাইদেৱে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত গবেষণা কৰি পি, এইচ, ডি উপাধি লাভ কৰি মহাবিদ্যালয়ৰ মুখ উজ্জ্বল কৰিছে। তাৰ বাবে তেখেতলৈ আমাৰ আন্তৰিক অভিনন্দন যাচিছোঁ।

অতি দুখেৰে উল্লেখ কৰিব লগা হ'ল যে উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিকৰ ছাত্ৰী অঞ্জনা বৰা আৰু দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰী নাজিমা বেগমৰ অকাল বিয়োগত মহাবিদ্যালয়ত শোকৰ ছাঁ পৰে। অকালতে বিয়োগ ঘটা ছাত্ৰী দুগৰাকীৰ আত্মাই শান্তি লাভ কৰক!

প্ৰতিবেদনত উল্লেখ নকৰি নোৱাৰি যে ২৮ বছৰে গৰকি যোৱা জিলাখনৰ এক মাত্ৰ মহিলা শিক্ষাৰ অনুষ্ঠান চহৰখনৰ মাজ মজিয়াত অৱস্থিত হৈও বিভিন্ন অভাৱে জুৰুলা কৰি পেলাইছে। আমি দুখেৰে জনাব লগীয়া হৈছে যে ৰূপালী জয়ন্তী উৎসৱ অনুষ্ঠিত হোৱাৰ পাছতো আমাৰ মহাবিদ্যালয়ৰ বৰ্ত্তমানেও শ্ৰেণীকোঠাৰ অভাৱ আৰু আওপুৰণি শ্ৰেণী কোঠাসমূহ উন্নীতকৰণৰ কোনো ব্যৱস্থা মহাবিদ্যালয় কৰ্ত্তৃপক্ষই বৰ্ত্তমানেও গ্ৰহণ কৰা আমাৰ দৃষ্টিগোচৰ হোৱা নাই। আমি কৰ্ত্তৃপক্ষক সদায়েই উনুকিয়াই আহিছোঁ যে মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰটো যথেষ্ট সৰু হোৱা বাবে আৰু ছাত্ৰীসকলৰ বাবে এখন উপযোগী কেণ্টিন আৰু খোৱা পানীৰ সু-ব্যৱস্থা আজিকোপতি হোৱা নাই। মহাবিদ্যালয়ৰ বাবে এজন স্থায়ী জামাদাৰ, চৌহদত ডাষ্টবিন, শ্ৰেণী-কোঠাত বিজুলী বিচনী, ডেস্ক বেঞ্চ আদিৰ সু ব্যৱস্থা কৰিবলৈ অধ্যক্ষ মহোদয়ক অনুৰোধ জনাই আহিছোঁ। মহাবিদ্যালয়ত ছাত্ৰীসকলৰ নিৰ্দ্ধাৰিত সমপোছাক পিন্ধাৰ বাবে কিছুমান ছাত্ৰীৰ অনীহা পৰিলক্ষিত হৈছে। আমি সেই ছাত্ৰীসকলক নিৰ্দ্ধাৰিত পোছাক পৰিধান কৰি মহাবিদ্যালত এটা সুস্থ পৰিবেশ সৃষ্টি কৰিবলৈ আহ্বান জনাইছোঁ।

ছাত্ৰী একতা সভাৰ কাৰ্যালয়টো ছাত্ৰী জিৰণি কোঠাৰ পৰা পৃথক কৰি সম্পুৰ্ণ সুবিধাজনক ব্যৱস্থা গ্ৰহণ কৰিবলৈ মহাবিদ্যালয় কৰ্তৃপক্ষক অনুৰোধ জনাইছোঁ। মহাবিদ্যালয়ৰ গাতে লাগি থকা শ্বহীদ ভোগেশ্বৰী ফুকননী আৰু পদ্মাৱতী দেৱী ফুকননী ছাত্ৰী নিবাস দুটিৰ অভাৱো বহুত। ছাত্ৰী নিবাসৰ নামত নামমাত্ৰ ঘৰ দুটাহে আছে বুলি কলেও বঢ়াই কোৱা নহয়। বিভিন্ন অসুবিধাৰ মাজেৰে ছাত্ৰীসকলে অধ্যয়নৰ খাতিৰত তাতেই থাকিব লগীয়া হৈছে।

ছাত্ৰীসকলৰ প্ৰতিভা বিকাশৰ বাবে অত্যাৱশ্যকীয় সা-সুবিধা সমূহৰ ব্যৱস্থা কৰি দিবলৈ মহাবিদ্যালয় কৰ্তৃপক্ষক জনোৱা হ'ল। উল্লেখ কৰি অহাৰ দৰে মহাবিদ্যালয়খনৰ অভাৱ সমূহ লিখি অন্ত কৰিব নোৱাৰি। পৰ্য্যায়ক্ৰমে অভাৱসমূহ দূৰ কৰিব বুলি আমি আশান্বিত।

উল্লেখযোগ্য যে মহাবিদ্যালয়ৰ উন্নয়নৰ বাবে নগাওঁ আঞ্চলিক ছাত্ৰ সন্থাৰ জৰিয়তে অসমৰ মাননীয় মুখ্য মন্ত্ৰী শ্ৰীযুত প্ৰফুল্ল কুমাৰ মহন্তদেৱক ছাত্ৰী একতা সভাৰ তৰফৰ পৰা জনতা ভৱনত লগ ধৰি আমাৰ মহাবিদ্যালয়-

খনিৰ বিভিন্ন অভাৱ সম্বলিত এখনি স্মাৰক পত্র প্রদান কৰা হয়। মুখ্য মন্ত্রী গৰাকীয়ে আমাৰ মহাবিদ্যালয় ছাত্ৰী নিবাস দুটিৰ কাৰণে দুটি ৰঙীন টি, ভি, দিয়ে।

আমাৰ কাৰ্য্যকালতে ছাত্রীসকলৰ জিৰণি সময়খিনি কটাবৰ বাবে ছাত্ৰী জিৰণি কোঠাত এটি ৰঙীন টি, ভি, আৰু পানী ফিল্টাৰৰ যোগান ধৰা হয়।

আমাৰ কাৰ্য্যকালত বিভিন্ন দিশত সহায়-সহযোগিতা আগবঢ়োৱা মহাবিদ্যালয়ৰ অধ্যক্ষ চাৰ প্রমুখ্যে শ্রদ্ধাৰ শিক্ষা গুৰুসকল, মোৰ মৰমৰ বান্ধৱী সান্ত্বনা, ৰীতা, পুণ্য, দুল, কবিতা, আৰাধনা, নিতু, প্ৰণিতা, ছায়া, ৰেজিয়াহতঁক মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। মহাবিদ্যালয়ৰ বিভিন্ন উৎসৱ আৰু বিভিন্ন কাৰ্য্যসূচীত সহায় কৰা ছাত্ৰী একতা সভাৰ সদস্যাসকলৰ লগতে দুয়োটা ছাত্ৰী নিবাসৰ ছাত্ৰীসকলৰ ওচৰত মই চিৰঋণী হৈ ৰ'ম। অঞ্জু বাইদেউ, শেৱালি বাইদেউ আৰু চয়নিকা বাইদেউলৈ আন্তৰিক শ্রদ্ধা জ্ঞাপন কৰিছোঁ। মোক বিভিন্ন কামত দিহা-পৰামৰ্শৰে সহায় কৰা মহাবিদ্যালয়ৰ কৰ্মচাৰীসকলক মই শ্রদ্ধাৰে সোঁৱৰিছোঁ। নগাঁও আঞ্চলিক ছাত্র সন্থাৰ বর্তমানৰ সভাপতি শ্ৰীৰাজীৱ কুমাৰ হাজৰীকা আৰু সাধাৰণ সম্পাদক শ্রীঅভিজিৎ শৰ্মাক বিভিন্ন দিশত সহায়-সহযোগিতা আগবঢ়োৱা বাবে আন্তৰিক কৃতজ্ঞতা যাচিছোঁ। পাৰ হৈ যোৱা দিনবোৰত অজানিতে কৰা ভুল-ক্রটীৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছোঁ আৰু মহাবিদ্যালয়ৰ চিৰ সেউজ উজ্জ্বলতা কামনা কৰিলোঁ।

॥ জয় আই অসম ॥

॥ জয়তু নগাঁও ছোৱালী কলেজ ॥

শ্ৰীৰূপা শৰ্মা,
সাধাৰণ সম্পাদিকা,
নগাঁও ছোৱালী কলেজ ছাত্ৰী একতা সভা ॥



# সমাজ সেৱা সম্পাদিকাৰ প্ৰতিবেদন ঃ

অসমৰ স্ত্রী-শিক্ষাৰ শিক্ষানুষ্ঠানসমূহৰ ভিতৰত নগাঁও জিলা তথা মধ্য অসমৰ একমাত্র স্ত্রী-শিক্ষাৰ অনুষ্ঠান নগাঁও ছোৱালী কলেজৰ ১৯৮৯-৯০ চনৰ ছাত্ৰী একতা সভাৰ সমাজ সেৱা সম্পাদিকা হিচাপে বিনা প্রতিদন্দ্বিতাৰ নির্বাচিত কৰি কলেজ তথা ছাত্রীসকলক সেৱা কৰাৰ যি সুযোগ দিলে, তাৰ বাবে প্রতিবেদন লিখাৰ আৰম্ভণিতে মই সমূহ ছাত্ৰী বান্ধৱীলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সমাজ-সেৱা সম্পাদিকাৰ কার্য্যভাৰ গ্ৰহণ কৰাৰ পাচতেই চাৰিদিনীয়া কার্য্যসূচীৰে ‘কলেজ সপ্তাহ সমাৰোহ’ আৰম্ভ হয়। এই সমাৰোহত ক্রীড়া বিভাগৰ সম্পাদিকা উপস্থিত নথকাত সাধাৰণ সম্পাদিকাৰ অনুৰোধ ক্রমে মই চলাব-লগীয়া হৈছিল। এই সমাৰোহত যিমান সংখ্যক ছাত্রীয়ে যোগদান কৰিব লাগিছিল অতি দুখৰ কথা যে সিমান সংখ্যক ছাত্রীয়ে যোগদান কৰা নাছিল। ভৱিষ্যতে প্রতিযোগিতাসমূহত যোগদান কৰি ছাত্রীসকলে তেওঁলোকৰ প্রতিভাৰ বিকাশ কৰিব বুলি আশা কৰিলোঁ। এই সমাৰোহত সকলো চাৰ-বাইদেউৰে মোক সহায় কৰিছিল। বিশেষকৈ শ্ৰীযুত বীৰেণ ডেকা চাৰ মোৰ লগত ওতঃপ্রোত ভাৱে জড়িত আছিল। সকলো চাৰ-বাইদেউলৈ মোৰ আন্তৰিক কৃতজ্ঞতা আগবঢ়ালোঁ। এই সমাৰোহত পাহৰিব নোৱাৰাকৈ সহায় কৰিছিল আমাৰ কলেজ কৰ্মচাৰী সকলে। সেয়ে তেখেতসকলৰ ওচৰত মই চিৰ-কৃতজ্ঞা হৈ ৰ'লোঁ।

১৯৮৯-৯০ চনৰ নৱাগত আদৰণি সভাৰ আগে আগে ৯।৯।৯০ তাৰিখে এন, এছ, এছ বিভাগৰ সুবিধা লৈ বিশেষ ভাৱে কলেজৰ চৌহদ পৰিষ্কাৰ কৰা হয়। সেইদিনা সমাজ সেৱাৰ কামত সকলো ছাত্ৰীয়ে সহায় কৰিছিল যদিও বিশেষ ভাৱে আৰাধনা, ৰণজিতা, দীপাঞ্জলি, বেণী, আৰাধনা, ৰবী, কুন্তলা আৰু ছাত্রী একতা সভাৰ প্রতিজনী সম্পাদিকাই মোক যথেষ্ট সহায় কৰিছিল। সেয়ে তেওঁলোকক মোৰ আন্তৰিক কৃতজ্ঞতা আগবঢ়ালোঁ। শ্ৰীযুত যোগেন্দ্রনাৰায়ণ ভূঞা, শ্ৰীযুত হৰেণ বৰা, শ্ৰীযুত বীৰেণ ডেকা, শ্ৰীযুত দিব্যজ্যোতি মহন্ত চাৰে কৰা সহায়ৰ বাবে তেখেতসকলৰ ওচৰত মই চিৰ-কৃতজ্ঞ। আমাৰ কলেজ কৰ্মচাৰীসকলে মোৰ প্ৰতিটো কামতে সহায় কৰাৰ বাবে তেখেতসকলক মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

এইখিনিতে মই আমাৰ মহাবিদ্যালয়ৰ পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ বাবে দুটামান অভাৱ-অভিযোগ সম্পৰ্কে উনুকিয়াব বিচাৰোঁ। আমাৰ মহাবিদ্যালয়খনৰ আৱশ্যকীয় অংগ শৌচাগাৰ আৰু প্রস্রাবাগাৰ সমূহত দুৰ্গন্ধ দূৰীকৰণৰ বাবে

আৰু ছাত্ৰীৰ সুবিধাৰ্থে একোটাকৈ চৌবাচ্চা আৰু টেপৰ ব্যৱস্থা থকাটো অতি প্ৰয়োজন। তদুপৰি মহাবিদ্যালয়খনৰ চৌহদটো আৰু শ্ৰেণী কোঠাসমূহ পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ বাবে ঠায়ে ঠায়ে কেইটামান দাস্তবিনৰ অভাৱ পৰিলক্ষিত হয়। সেয়ে আন অভাৱসমূহৰ লগতে এই অভাৱসমূহ অধ্যক্ষ মহোদয়ে অতি সোনকালে পূৰণ কৰিব বুলি আশা কৰিলোঁ। মোৰ কাৰ্য্যকালত এই অভাৱসমূহ দূৰ কৰিবৰ বাবে অধ্যক্ষ মহোদয়ক অনুৰোধ কৰা হৈছে যদিও বাস্তৱত পৰিণত হোৱা নাই। মই আশা কৰোঁ যাতে সকলো ছাত্ৰীয়ে সমাজ সেৱাৰ প্ৰতি আগ্ৰহান্বিত হয়। যিহেতু সমাজ-সেৱাও শিক্ষাৰ এটা অপৰিহাৰ্য্য অংগ।

শেষত কাৰ্য্যকালৰ প্ৰতিটো কামত, প্ৰতিটো বিষয়ত মোক সদোপদেশ আৰু পৰামৰ্শৰে সহায় আগবঢ়োৱাৰ বাবে অধ্যক্ষ শ্ৰীযুত বিমল কুমাৰ বৰা, মাননীয় শিক্ষা গুৰুসকলৰ ওচৰত মই চিৰকৃতজ্ঞ। তদুপৰি কাৰ্য্যভাৰ চলাই নিয়াত সকলো সময়তে সহায় কৰি প্ৰেৰণা যোগোৱাৰ বাবে সৰ্ব্বশ্ৰী তোষেশ্বৰ খাটনীয়াৰ, সুৰেন শইকীয়া, কুলেন শইকীয়া, মনমোহন বাভা, হৰ শইকীয়া আদি কাৰ্য্যালয়ৰ কৰ্মচাৰীৰ ওচৰত মই চিৰঋণী। ছাত্ৰী একতা সভাৰ সদস্যাসকল আৰু দুয়োটা ছাত্ৰী-নিবাসৰ ছাত্ৰীসকললৈ মোৰ আন্তৰিক শুভেচ্ছা যাচিলোঁ।

সদৌ শেষত, নগাঁও ছোৱালী কলেজৰ সমূহ ছাত্ৰীৰে দীৰ্ঘায়ু তথা উজ্জ্বল ভৱিষ্যৎ কামনাৰে মোৰ চিৰ পূজ্য শিক্ষক-শিক্ষায়ত্ৰী সকললৈ প্ৰণিপাত জনাই মোৰ প্ৰতিবেদন সামৰিলোঁ।

"জয়তু নগাঁও ছোৱালী মহাবিদ্যালয়" ০০০

শ্ৰীপ্ৰণিতা বেজবৰুৱা

সম্পাদিকা, সমাজ সেৱা বিভাগ

# সংগীত সম্পাদিকাৰ প্ৰতিবেদন ঃ

প্ৰতিবেদনৰ আৰম্ভণিতে যিজনা মহান পুৰুষৰ প্ৰচেষ্টাত মহাবিদ্যালয়খনি প্ৰতিষ্ঠা হ'ল সেইজনা দেৱতুল্য ৺মহেশচন্দ্ৰ দেৱ গোস্বামী চাৰলৈ মোৰ ভক্তি-অঞ্জলি নিবেদিছোঁ। মোৰ কাৰ্য্যকালৰ সময়ছোৱাত যিসকল ছাত্ৰী বান্ধৱী অকালতে আমাৰ মাজৰ পৰা নাইকিয়া হ'ল তেওঁলোকৰ আত্মাৰ সদ্গতিৰ কাৰণে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ। লগতে দেশৰ বাবে প্ৰাণ আহুতি দিয়া শ্বহীদসকলৰ প্ৰতি মোৰ শ্ৰদ্ধা যাচি প্ৰতিবেদনৰ পাতনি মেলিছোঁ।

বিগত ১৯৮৯-৯০ চনৰ মহাবিদ্যালয়ৰ "সঙ্গীত সম্পাদিকা" হিচাপে মোক মনোনীত কৰি সেৱাৰ সুবিধা দিয়াৰ বাবে সকলোলৈকে মোৰ আন্তৰিক কৃতজ্ঞতা জনালোঁ। প্ৰতিবেদন লিখাৰ সুযোগতে মই ছাত্ৰী বান্ধৱীসকলক কেইটামান কথা সোঁৱৰাই দিব খুজিছোঁ।



কলেজত যেতিয়া 'কলেজ সপ্তাহ' পতা হয়, তেতিয়া ইমানবোৰ ছাত্ৰীৰ মাজৰ পৰা কেইগৰাকীমান ছাত্ৰীৰ বাবে আনবোৰ ছাত্ৰীয়ে অনুষ্ঠানসমূহত যোগদান কৰি নিজৰ প্ৰতিভাসমূহ বিকাশ কৰিবলৈ ওলাই নাহে। ছাত্ৰীসকলে প্ৰতিযোগিতাসমূহত অংশ গ্ৰহণ কৰা বাদেই মহাবিদ্যালয়ৰ কোনো এখন সভাত উপস্থিত থাকি সভাখন সুস্থ সবল কৰি অনুষ্ঠাসমূহ উপভোগ কৰিবলৈও তেওঁলোক অসমৰ্থ। সেয়েহে মই প্ৰতিবেদনৰ জৰিয়তে ছাত্ৰী বান্ধৱীসকলক কৰ বিচাৰিছোঁ যাতে তেওঁলোকে অনুষ্ঠানসমূহত অংশ গ্ৰহণ কৰি নিজৰ প্ৰতিভা বিকাশ কৰাৰ লগতে কলেজৰো সন্মান অটুট ৰাখে।

মোৰ কাৰ্য্যকালৰ প্ৰাৰম্ভণিতে পোনপ্ৰথম বাৰৰ বাবে নগাঁও জিলা পুথিভৰালত অনুষ্ঠিত ১৯৯০ চনৰ ৩০ জানুৱাৰী তাৰিখৰ হাস্য-ব্যঙ্গ অনুষ্ঠানত আমাৰ বিদ্যালয়ৰ এটি দলে অংশ গ্ৰহণ কৰে।

দ্বিতীয়তে, মোৰ কাৰ্য্যকালত ২৪।২।৯০ তাৰিখৰ পৰা ২০।২।৯০ তাৰিখলৈকে হোৱা 'কলেজ সপ্তাহ' সমাৰোহত সঙ্গীত বিভাগত বিভিন্ন প্ৰতিযোগিতাসমূহৰ আয়োজন কৰা হয়। বিজয়ী প্ৰতিযোগীসকলক একোটি পুৰস্কাৰ আৰু একোখন মান-পত্ৰ দিয়া হয়। সমাৰোহৰ শেষৰ দিনা বিজয়ী প্ৰতিযোগীসকলৰ দ্বাৰা এখনি সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হয়। এই সাংস্কৃতিক অনুষ্ঠানৰ উদ্বোধন কৰে বিখ্যাত "ভায়'লিন" বাদক মাননীয় শ্ৰীযুত মহেশ শইকীয়াদেৱে। ১৯৯০ চনৰ নগাঁৱৰ কিশলয় সাংস্কৃতিক গোষ্ঠীৰ দ্বাৰা আয়োজিত 'ভূপেন্দ্ৰ সংগীত' প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ বিজয়ী প্ৰতিযোগী শ্ৰীবিমল কুমাৰ ডেকা আৰু অসমীয়া বোল ছবিৰ পৰিচিতা গায়িকা শ্ৰীবৰ্ণালী হাজৰিকায়ো গীত পৰিবেশন কৰিছিল।

ইয়াৰ পিছৰ অনুষ্ঠান 'নবাগত আদৰণি।' এই অনুষ্ঠান ১৩।৯।৯০ তাৰিখে পতা হয়। নবাগত আদৰণি সভাতো এখনি সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানলৈ নগাঁৱৰ অন্যতম কৌতুক গোষ্ঠী "সতিনী সন্মিলন"ক নিমন্ত্ৰণ কৰি আনিছিলোঁ। লগতে কলেজৰ দুবছৰীয়া (৮৯-৯০) শ্ৰেষ্ঠা গায়িকা শ্ৰীলিপিকা দাসেও গীত পৰিবেশন কৰে।

নগাঁৱৰ "সংগম" ৰ উদ্যোগত ২৫ নৱেম্বৰ '৯০ তাৰিখে বিভিন্ন জনগোষ্ঠিৰ দ্বাৰা আয়োজিত 'সাংস্কৃতিক সংগম' অনুষ্ঠানত আমাৰ কলেজৰ এটি দলে যোগদান কৰে।

মোৰ কাৰ্য্যকালত দিহা-পৰামৰ্শৰে সহায় কৰা তত্বাবধায়ক মাননীয় ডঃ জ্যোতি চক্ৰবৰ্ত্তী চাৰলৈ মোৰ আন্তৰিত কৃতজ্ঞতা জনালোঁ। লগতে ছাত্ৰী একতা সভাৰ সমূহ ছাত্ৰীকে ধন্যবাদ জনালোঁ।

শেষত মোৰ কাৰ্য্যকালত হোৱা ভুল-ভ্ৰান্তিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি কলেজৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

।। জয়তু নগাঁও ছোৱালী কলেজ ।।

শ্ৰীৰীতামণি হাজৰিকা

সম্পাদিকা, সঙ্গীত বিভাগ।

## ছাত্ৰীৰ (দুখীয়া) সাহায্য পুঁজিৰ সম্পাদিকাৰ প্ৰতিবেদন ঃ

প্ৰাৰম্ভণিতে মোৰ মাতৃভূমিৰ শত সহস্ৰ শ্বহীদ জোঁৱানসকললৈ মোৰ অশ্ৰু অঞ্জলিৰে শ্ৰদ্ধাঞ্জলি যাচিলোঁ।

নগাঁও ছোৱালী মহাবিদ্যালয়ৰ ১৯৯০-৯১ চনৰ ছাত্ৰী একতা সভাৰ 'ছাত্ৰীৰ (দুখীয়া) সাহায্য পুঁজিৰ সম্পাদিকা পদত অধিষ্ঠিত কৰি মোক সহায়-সহযোগিতা আগবঢ়োৱাসকললৈ শলাগৰ শৰাই আগবঢ়ালোঁ।

১৯/১/৯০ তাৰিখ মঙ্গলবাৰ দিনটো মোৰ বাবে আছিল চিৰস্মৰণীয়; কিয়নো সেইদিনা মই ছাত্ৰী বান্ধৱী বৃন্দ আৰু মোৰ শিক্ষা গুৰুসকলৰ ওচৰত মুক্ত পথে শপত গ্ৰহণ কৰোঁ।

এই খিনিতে মই এটা কথা উল্লেখ কৰিব খুজিছোঁ যে উপৰোক্ত বাক্যটি মই এই কাৰণেই উল্লেখ কৰিবলগীয়া হ'ল যে কলেজৰ অধ্যক্ষ (Ptincipal) মহোদয়ে মোক যেতিয়া "তুমি কিহৰ সম্পাদিকা ?" বুলি প্ৰশ্ন কৰে মই তেতিয়া কৈছিলো "poor fund sect." তেতিয়া মাৰে কৈছিল "poor fund" নে "Student's Aid fund ?" তেতিয়া গৌতম চাৰেও ক'লে যে নহয় "Student's aid fund" হে হব লাগে, গতিকে মই আগৰ এই পদৰ সম্পাদিকাৰ প্ৰতিবেদনৰ "দুখীয়া সাহায্য পুঁজি" নামটো সলনি কৰি মোৰ প্ৰতিবেদনত যদিও হব লাগে "ছাত্ৰ-ছাত্ৰীৰ সাহায্য পুঁজি" (Students' aid fund), কিন্তু ছোৱালী কলেজ হোৱা হেতুকে মই "ছাত্ৰীৰ সাহায্য পুঁজি" এই নামেৰে মোৰ প্ৰতিবেদন আগবঢ়ালোঁ।

মোৰ কাৰ্যকালত নিৰ্দিষ্ট কেইজনমান বিকলাংগ ব্যক্তি অৰ্থ সাহায্যাৰ্থে বৰঙণি বিচাৰি আমাৰ কলেজলৈ আহে। মই তেওঁলোকক আমাৰ কলেজৰ ছাত্ৰী বান্ধৱীসকলৰ পৰাই কিছু পৰিমাণে অৰ্থ-সংগ্ৰহ কৰি পাৰ্যমানে বৰঙণি আগবঢ়াইছিলোঁ। তাৰ উপৰি কলেজখনত থকা এনে ছাত্ৰী যিসকল আৰ্থিকভাৱে অক্ষম কিন্তু ইচ্ছাকৃত ভাবে চোকা মেধাৱী ছাত্ৰী তেওঁলোক কেইগৰাকীমানলৈ পাৰ্যমানে বৰঙণি আগবঢ়াওঁ। আমাৰ কলেজৰ উক্ত পুঁজিটো মই জনাত ইমান সবল নহয় যদিও বৰ্তমান পৰিস্থিতিৰ বুজ লৈ ভৱিষ্যতে অধিক সবল কৰি তোলাৰ আশা ৰাখিছোঁ। পুঁজি সবল নহয় বাবে মই অধিক ছাত্ৰীক পাৰ্যমানে সহায় আগবঢ়াব নোৱাৰিলোঁ। তাৰ বাবে মই দুঃখিত।

সদৌ শেষত নগাঁও ছোৱালী কলেজৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি মোৰ কাৰ্যকালত পুঁজি পৰিচালনা কমিটিৰ সদস্য তথা ব্যক্তিসকললৈ মোৰ শ্ৰদ্ধা যাচিলোঁ আৰু ছাত্ৰী-বান্ধৱী, বাই-ভনী তথা শিক্ষাগুৰুসকললৈ মই মোৰ শুভেচ্ছাৰ শৰাই আগবঢ়াই মোৰ প্ৰতিবেদনৰ ইমানতে ইতিৰেখা টানিলোঁ।

"জয়তু নগাঁও ছোৱালী কলেজ"।

শ্ৰীনিতুমণি ডেকা
সম্পাদিকা — 'ছাত্ৰী সাহায্য পুঁজি'



## সহকাৰী সাংস্কৃতিক সম্পাদিকাৰ প্ৰতিবেদন ঃ

১৯৮৯-৯০ শিক্ষা বৰ্ষৰ বাবে ছাত্ৰী একতা সভাৰ সহকাৰী সাংস্কৃতিক সম্পাদিকা মনোনীত কৰি যিসকলে মোক অনুষ্ঠানটিলৈ কিঞ্চিৎ সেৱা আগবঢ়াবৰ বাবে সুযোগ দিলে সেইসকললৈ মই কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

ছাত্ৰী একতা সভাৰ সহকাৰী সাংস্কৃতিক সম্পাদিকাৰ ভাৰ গ্ৰহণ কৰাৰ পিছতে আমাৰ কলেজত সদৌ অসম কলেজ কৰ্মচাৰী পৰিষদৰ উনত্ৰিংশৎ অধিবেশন চলি থকাৰ পৰিপ্ৰেক্ষিতত ৩১ জানুৱাৰী ১৯৯০ ইং তাৰিখে অনুষ্ঠুপীয়াকৈ হ'লেও শ্ৰীশ্ৰীসৰস্বতী মাতৃৰ চৰণত এপাহি পুষ্পাঞ্জলি অৰ্পণ কৰা হয়। এই পূজা উপলক্ষে প্ৰত্যেক বছৰৰ দৰে এইবছৰো ড০ জ্যোতিনাথ চক্ৰৱৰ্তী আৰু শ্ৰীযুত যোগেন্দ্ৰ নাৰায়ণ ভূঞা ছাৰৰ বিশেষ তৎপৰতা তথা সহযোগত 'বাণী বন্দনা' অনুষ্ঠানটি পৰিবেশন কৰা হয়।

প্ৰতিবছৰে পালন কৰি অহাৰ দৰে এই বছৰো ২৩-২-১৯৯০ ইং তাৰিখৰ পৰা ২৬-২-১৯৯০ ইং তাৰিখলৈ চাৰিদিনীয়া কাৰ্যসূচীৰে "কলেজ সপ্তাহ সমাৰোহ" উদযাপন কৰা হয়। এই সমাৰোহত সাংস্কৃতিক বিষয়ৰ বিভিন্ন প্ৰতিযোগিতা পাতিবলৈ সুবিধা পাওঁ। সমাৰোহৰ প্ৰথম দিনাই এখনি প্ৰদৰ্শনী আৰু প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। এই প্ৰদৰ্শনীৰ দুৱাৰ মুকলি কৰে আমাৰ কলেজৰ উপাধ্যক্ষা শ্ৰীযুতা তৰু বৰুৱা মহোদয়াই। তদুপৰি আবৃত্তি, আকস্মিক বক্তৃতা আদি প্ৰতিযোগিতাও অনুষ্ঠিত কৰা হয়। এইখিনিতে এটি কথা অতি দুখেৰে অৱগত কৰোঁ যে, প্ৰতিযোগিতাসমূহত আশানুৰূপ সংখ্যক প্ৰতিযোগীয়ে যোগদান কৰা নাছিল। ভৱিষ্যতে বিভিন্ন প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি ছাত্ৰীসকলে ব্যক্তিগত আৰু কলেজৰ সাংস্কৃতিক দিশৰ প্ৰতি দৃষ্টি ৰাখি নিজৰ সাংস্কৃতিক মনৰ পৰিচয় দিব বুলি আশা কৰিলোঁ। সমাৰোহৰ শেষৰ দিনা মুকলি সভাত বিজয়ী প্ৰতিযোগিসকলক উদ্দীপনা যোগাই একেটিকৈ বঁটা প্ৰদান কৰা হয়।

মোৰ কাৰ্য্যকালৰ সময়ছোৱাত আন বছৰৰ দৰে এইবছৰো ২২ আগষ্ট ১৯৯০ ইং তাৰিখে শ্ৰীশ্ৰী শংকৰদেৱৰ তিথিভাগ এদিনীয়া কাৰ্য্যসূচীৰে উদ্‌যাপন কৰা হয়। যদিও বিভিন্ন প্ৰতিযোগিতাৰে এই তিথিভাগ উদ্‌যাপন কৰাৰ একান্ত ইচ্ছা আছিল তথাপি সদৌ অসম কলেজ কৰ্মচাৰী সন্থাৰ আন্দোলন আৰু কলেজত নাম ভৰ্তিকৰণৰ পৰিপ্ৰেক্ষিতত কলেজৰ শ্ৰেণীসমূহ বন্ধ থকাত প্ৰতিযোগিতাৰ আয়োজন কৰিব নোৱাৰি এই তিথিভাগ নাম-কীৰ্ত্তনেৰে সমাপন কৰা হয়।

শ্ৰীশ্ৰীশংকৰদেৱৰ তিথিৰ পিছতেই ৯ ছেপ্তেম্বৰ ১৯৯০ ইং তাৰিখে শ্ৰীশ্ৰীমাধৱদেৱৰ

তিথিভাগ দিনজোৰা কাৰ্য্যসূচীৰে উদ্‌যাপন কৰা হয় । এই উপলক্ষে নাম-কীৰ্ত্তন কৰাৰ উপৰিও তিথিভাগৰ লগত সংগতি ৰাখি শ্ৰীশ্ৰীমাধৱদেৱৰ বিৰচিত বৰগীত আৰু 'সমাজ সংস্কাৰক মাধৱদেৱ'—এই বিষয়ৰ বক্তৃতা প্ৰতিযোগিতাৰ আয়োজন কৰা হয় । প্ৰতিযোগিতাৰ অন্তত সভাপতিৰ আসনৰ পৰা মাননীয় শ্ৰীযুত যোগেন্দ্ৰ নাৰায়ণ ভূঞা মহাশয়ে মাধৱদেৱৰ বিষয়ে মূল্যবান ভাষণ দি বিজয়ী প্ৰতিযোগিসকলক বঁটা প্ৰদান কৰে ।

এই কামছোৱাত মোক মাননীয় অধ্যাপক শ্ৰীযুত যোগেন্দ্ৰ নাৰায়ণ ভূঞাদেৱ, তত্বাৱধায়ক অধ্যাপক শ্ৰীযুত মহেন্দ্ৰ নাথ শইকীয়া আৰু সহকাৰী তত্বাৱধায়ক অধ্যাপক মহম্মদ ফাইজুৰ ৰহমান ছাৰে দিহা-পৰামৰ্শৰে সহায় কৰাৰ বাবে তেখেতসকললৈ কৃতজ্ঞতা যাচিলোঁ । ইয়াৰ উপৰিও মোৰ কাৰ্য্যকালত বিভিন্ন দিহা-পৰামৰ্শ আগবঢ়োৱাৰ লগতে বিভিন্ন কাৰ্য্যত সহায় কৰাৰ বাবে কলেজৰ প্ৰতিগৰাকী ছাত্ৰীলৈকে কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ । তাৰ উপৰি পূজা-তিথি আদিত বিশেষভাৱে সহায় কৰাৰ বাবে ছাত্ৰী একতা সভাৰ সমূহ সদস্যা আৰু দুয়োটা ছাত্ৰী নিবাসৰ ছাত্ৰীসকলৰ শলাগ লোৱাৰ উপৰিও তেওঁলোকৰ ওচৰত চিৰকৃতজ্ঞ হৈ ৰ'লোঁ ।

শেষত মোৰ জ্ঞাত-অজ্ঞাত ভুলৰ বাবে শিক্ষাগুৰু, কৰ্মচাৰীবৃন্দ আৰু ছাত্ৰীসকলৰ ওচৰত ক্ষমা বিচাৰি মোৰ প্ৰতিবেদন ইমানতে সামৰিলোঁ ।

॥ জয়তু নগাঁও ছোৱালী কলেজ ॥

*শ্ৰীপুণ্যপ্ৰভা বৰা*
সহকাৰী সাংস্কৃতিক সম্পাদিকা ।



# বাৰ্ষিক ক্ৰীড়া প্ৰতিযোগিতাৰ ফলাফল

## ১৯৮৯-৯০ চন

১০০ মিটাৰ দৌৰ ঃ

প্ৰথম ঃ ৰূপা বৈশ্য
দ্বিতীয় ঃ অঞ্জলি দেৱী
তৃতীয় ঃ সান্ত্বনা কটকী

৪০০ মিটাৰ দৌৰ

প্ৰথম ঃ ৰূপা বৈশ্য
২য় ঃ জুৰি শইকীয়া
৩য় ঃ মানসী ফুকন

তিনিঠেঙীয়া দৌৰ ঃ

প্ৰথম ঃ চয়নিকা ডেকা
ঃ দুৰ্বাৰি গোস্বামী
২য় ঃ দীপালী বৰা
ঃ জুনুমণি ভূঞা
৩য় ঃ হীৰা শইকীয়া
ঃ তুলু শইকীয়া

লজেন্স মুখতলৈ দৌৰ

প্ৰথম ঃ ৰূপা বৈশ্য
২য় ঃ মীনাক্ষী শইকীয়া
ঃ মণি শইকীয়া
৩য় ঃ তুলু শইকীয়া

বেজীৰ ফুটাত সূতা সুমোৱা দৌৰ ঃ

প্ৰথম ঃ মমতাজ খানম
২য় ঃ ৰীতা হাজৰিকা
৩য় ঃ মায়াৰাণী বড়ো

চট পুট্‌ ঃ

প্ৰথম ঃ ৰীতা হাজৰিকা
২য় ঃ জ্যোতি বৰা
৩য় ঃ হীৰাফুল বেগম

জেভলিন্‌ থ্ৰ' ঃ

প্ৰথম ঃ জ্যোতি বৰা
২য় ঃ সুনীতি লস্কৰ
৩য় ঃ কবিতা হাজৰিকা

দিচ্‌কাচ্‌ থ্ৰ' ঃ

প্ৰথম ঃ জ্যোতি বৰা
২য় ঃ সুনীতি লস্কৰ
৩য় ঃ অনামিকা শইকীয়া
ঃ দীপালী বৰা

লং জাম্প ঃ

প্ৰথম ঃ দীপা শইকীয়া
২য় ঃ মানসী ফুকন
৩য় ঃ অঞ্জলি দেৱী

হাই জাম্প ঃ

প্ৰথম ঃ নিৰ্মালি ভূঞা
২য় ঃ অঞ্জলি দেৱী
৩য় ঃ দীপা শইকীয়া

কলহ ভঙা :

প্ৰথম : অনামিকা শইকীয়া
২য় : সুনীতি লস্কৰ

মিউজিকেল চেয়াৰ :

প্ৰথম : মণি শইকীয়া
২য় : জ্যোতিমণি বৰা
৩য় : ৰূপা বৈশ্য

কেৰম প্ৰতিযোগিতা (এজনীয়া)

উইনাৰ : জাপানী বৰা
ৰানাৰ্চ : প্ৰণিতা বেজবৰুৱা

কাবাডি প্ৰতিযোগিতা :

বিজয়ী গ্ৰুপ

১। ৰূপা বৈশ্য
২। প্ৰণিতা বেজবৰুৱা
৩। নিৰুমণি ডেকা
৪। নিতামণি শইকীয়া
৫। সন্ধ্যা বেজবৰুৱা
৬। ৰূপা শৰ্মা
৭। জুৰি শইকীয়া

ৰাণাৰ্চ গ্ৰুপ

১। সুনীতি লস্কৰ
২। অণু মেধী
৩। অঞ্জলি দেৱী
৪। অঞ্জলি বৰা
৫। কল্পনা পাটৰ
৬। সাধনা পাটৰ
৭। বিজুমণি কটকী

ৰিলেবেচ প্ৰতিযোগিতা :

প্ৰথম : জুৰি শইকীয়া
: ৰূপা বৈশ্য
: অঞ্জলি দেৱী
: শান্তনা কটকী

দ্বিতীয় : মমতাজ খানম
: মায়াৰাণী বড়ো
: চয়নিকা ডেকা
: মানসী ফুকন

ভেশছন প্ৰতিযোগিতা :

প্ৰথম : ৰূপী লস্কৰ
২য় : অঞ্জলি বৰা, কল্পনা পাটৰ
৩য় : মমতাজ খাতুন

ডাবা প্ৰতিযোগিতা :

লক্ষীমী বৰুৱা
প্ৰণিতা বেজবৰুৱা } (যুটীয়া-ভাৱে)

০০০

// সুহৃদা প্ৰেছ ঃ বীৰেণ মহন্ত পথ ঃ আমোলাপট্টি ঃ নগাঁও //